


# জাগৃতি

গড়গাঁও মহাবিদ্যালয় অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ,
২০২০-২১ বৰ্ষ

সম্পাদক
লক্ষ্যজ্যোতি মহন
মানস প্ৰতীম দেউঘৰীয়া

# জাগৃতি

অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ,
২০২০-২১ বৰ্ষ


সম্পাদক

**লক্ষ্যজ্যোতি মহন**

**মানস প্ৰতীম দেউঘৰীয়া**



অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়
শিমলুগুৰি, শিৱসাগৰ, অসম

**Jagriti :** An annual magazine by the students of Assamese Department of Gargaon College, Edited by Lakhyajyoti Mohan and Manas Pratim Deogharia and Published by Assamese Department, Gargaon College, for the session 2020-21.

## সম্পাদনা সমিতি

**উপদেষ্টা ঃ**

নীলাক্ষি চেতিয়া
প্ৰণৱ দুৱৰা
ৰুণজুন হাজৰিকা
প্ৰিয়মা দিহিঙীয়া
দেৱযানী বকলীয়াল

**সম্পাদক ঃ**

লক্ষ্যজ্যোতি মহন
মানসপ্ৰতিম দেউঘৰীয়া

**সহযোগী সম্পাদক ঃ**

অংকিত সন্দিকৈ
কৰবী গগৈ

**সদস্য ঃ**

মাধুৰ্য্য গগৈ, গৌতম দত্ত, গাৰ্গী বৰুৱা

**প্ৰকাশক** ঃ অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়
**প্ৰকাশ কাল** ঃ ফেব্ৰুৱাৰী, ২০২১
**বেটুপাত** ঃ মিঠুন হাজৰিকা
**ডি. টি. পি. আৰু অলংকৰণ** ঃ প্ৰাঞ্জল মহন বৰুৱা, বকতা জাপিসজীয়া (পাৰিজাত), শিৱসাগৰ।

**উছৰ্গা**

গড়গাঁও মহাবিদ্যালয় অসমীয়া বিভাগৰ
প্ৰতিষ্ঠা কালৰে পৰা বিভাগটোৰ সৰ্বতোমুখী উত্তৰণৰ সৈতে জড়িত সমূহ
ব্যক্তিলৈ আমাৰ এই সংখ্যাৰ **'জাগৃতি'** উছৰ্গা কৰিলোঁ।

– সম্পাদনা সমিতি, জাগৃতি

# বিভাগৰ শিক্ষকবৃন্দ



**নীলাক্ষি চেতিয়া**
বিভাগীয় প্ৰধান, সহযোগী অধ্যাপক



**প্ৰণৱ দুৱৰা**
সহকাৰী অধ্যাপক



**ৰুণজুন হাজৰিকা**
সহকাৰী অধ্যাপক



**প্ৰিয়মা দিহিঙীয়া**
সহযোগী অধ্যাপক



**দেৱযানী বকলীয়াল**
সহকাৰী অধ্যাপক

# সম্পাদনা সমিতি



**লক্ষ্যজ্যোতি মহন**
সম্পাদক



**মানস প্ৰতিম দেউঘৰীয়া**
সম্পাদক



**অংকিত সন্দিকৈ**
সহযোগী সম্পাদক



**কৰবী গগৈ**
সহযোগী সম্পাদক



**মাধুৰ্য গগৈ**
সদস্য



**গৌতম দত্ত**
সদস্য



**গাৰ্গী বৰুৱা**
সদস্য

# বিভাগৰ গৌৰৱ

(২০২০ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰা কৃতী শিক্ষাৰ্থীসকল)



চুমী গগৈ



বৰষা কোঁৱৰ




ৰূপৰেখা দিহিঙীয়া



জোনালী ফুকন



শিৱানী ৰাজকুমাৰী



ৰিমঝিম দিহিঙীয়া



চুম্পি মাহাতো বৰুৱা



নিপা বড়া



শ্যামলী ফুকন



প্ৰেৰণা গগৈ

# গড়গাঁও মহাবিদ্যালয়

স্থাপিত : ১৯৫৯ চন, শিমলুগুৰি, শিৱসাগৰ, অসম

তাং ২৩/১২/২০২০

## শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ 'জাগৃতি'ৰ ২০২০-২০২১ সংখ্যাটি বৈদ্যুতিন ৰূপত প্ৰকাশৰ দিহা কৰা বুলি জানিব পাৰি নিতান্তই সুখী হৈছোঁ। এখন মহাবিদ্যালয়ৰ এটা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ এনেধৰণৰ ইতিবাচক বৌদ্ধিক কচৰতে কেৱল যে সাহিত্য-সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰতেই অৰিহণা যোগায় এনে নহয়, আচলতে এনে প্ৰচেষ্টাই উত্তৰ প্ৰজন্মৰ সৃষ্টিশীল প্ৰতিভা কৰ্ষণ আৰু উৎকৰ্ষ সাধনৰ দিশতো উল্লেখনীয় অৱদান আগবঢ়ায়। অসমীয়া বিভাগৰ শিক্ষাৰ্থী তথা শিক্ষকবৃন্দৰ এনে সজ প্ৰয়াস সাহিত্যৰ ক্ষেত্ৰখনত সৃষ্টিৰ একাঁজলি বৰঙণি বুলিও অভিহিত কৰিব পাৰি।

অসমীয়া বিভাগৰ এই প্ৰচেষ্টা নিৰৱচ্ছিন্ন হওক।

আন্তৰিক শুভকামনাৰে,

(ড° সব্যসাচী মহন্ত)
অধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়

অধ্যক্ষ
গড়গাঁও মহাবিদ্যালয়
শিমলুগুৰি, শিৱসাগৰ, অসম

# গড়গাঁও মহাবিদ্যালয়

স্থাপিত : ১৯৫৯ চন, চিমলুগুৰি, শিৱসাগৰ, অসম

তাং- ২৪/১২/২০২০

## শুভেচ্ছাবাণী

গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিবছৰে প্ৰকাশ কৰাৰ দৰে এইবাৰো তেওঁলোকৰ বিভাগীয় মুখপত্ৰ 'জাগৃতি' প্ৰকাশ কৰাৰ দিহা কৰিছে বুলি জানিব পাৰি সুখী হৈছোঁ। বৈদ্যুতিন ৰূপত প্ৰকাশ হ'বলগীয়া ২০২০-২০২১ সংখ্যাটিয়ে ন-প্ৰজন্মক সমাজ জীৱনৰ বিভিন্ন দিশ শব্দৰ সাজোনেৰে সুন্দৰ ৰূপত সজোৱাত সহায় কৰিব, লগতে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশত সহায়ক হ'ব বুলি আমি আশাবাদী।

ন লেখক-লেখিকাৰ সৃষ্টিত আলোচনীৰ গুৰুত্ব অপৰিসীম। অসমীয়া বিভাগৰ সমূহ শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ সাহিত্য সৃষ্টিৰ কঠিয়াতলিস্বৰূপ আলোচনী প্ৰকাশৰ এই প্ৰয়াসক আদৰণি জনাইছোঁ আৰু আমাৰ তৰফৰ পৰা 'জাগৃতি'লৈ আন্তৰিক শুভেচ্ছা জনাইছোঁ।

জাগৃতিৰ ধাৰাবাহিকতা নিৰলস হোৱাৰ কামনাৰে।

ড° ৰীণা সন্দিকৈ

উপাধ্যক্ষ, গড়গাঁও মহাবিদ্যালয়

# অসমীয়া বিভাগ
# গড়গাঁও মহাবিদ্যালয়
# *Assamese Department*
## Gargaon College
Estd. - 1959

P.O. Simaluguri, Dist. Sivasagar (Assam)


Ref. No.............................. Date. ২৪-১২-২০২০

## <u>বিভাগীয় প্ৰধানৰ একাষাৰ</u>

গীতাৰ চতুৰ্থ অধ্যায়ত আছে

"নহী জ্ঞানেন সদৃশং পবিত্ৰ ইহবিদ্যতে।"

জ্ঞান আহৰণ এক পবিত্ৰ কৰ্ম। সেই জ্ঞানৰ সমান পবিত্ৰ বস্তু অন্য একো নাই ।

জ্ঞানৰ অন্বেষণ, জ্ঞান আহৰণ এক পৰিত্ৰ যজ্ঞ। এই যজ্ঞৰ দ্বাৰা শিক্ষাৰ্থীৰ শৈক্ষিক, বৌদ্ধিক, মানসিক উত্তৰণ ঘটোৱাৰ ক্ষেত্ৰত সৰ্বোপ্ৰকাৰে যত্ন কৰা হয়। এই যত্নৰে এটা অংশ হ'ল ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ বিকাশৰ বাবে সুযোগ দিয়া। এই ক্ষেত্ৰত একোখন আলোচনীয়ে বিশেষ ভূমিকা পালন কৰে। ব্যক্তিৰ সুস্থ মানসিক বাতাবৰণ, সুস্থ জীৱনশৈলী, সুস্থ নান্দনিক সৌন্দৰ্যৰ অভিব্যক্তিৰ প্ৰতিফলন হয় আলোচনীৰ জৰিয়তে। শিক্ষানুষ্ঠানৰ আলোচনী একোখন ছাত্ৰ-ছাত্ৰীৰ মহত্ত্বম সৃষ্টি কৰ্ষণৰ প্ৰথম কঠিয়াতলী।

তেনে এক মহান উদ্দেশ্যৰে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতি বছৰে প্ৰকাশ কৰি আহিছে 'জাগৃতি' নামৰ এখন বাৰ্ষিক আলোচনীৰ। পূৰ্বৰ ধাৰা অব্যাহত ৰাখি এইবাৰ 'জাগৃতি' আলোচনীখন বৈদ্যুতিন ৰূপত প্ৰকাশ কৰিবলৈ দিহা কৰা হৈছে। আশা কৰোঁ, আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান লিপ্সা প্ৰশমিত কৰাত সহায়ক হোৱাৰ লগতে বৌদ্ধিক, মানসিক উত্তৰণত সৰ্বতোপ্ৰকাৰে সমৃদ্ধ কৰিব। সমাজলৈ শুভ-বাৰ্তা প্ৰেৰণেৰে এক ইতিবাচক আন্দোলনৰ অংশীদাৰ হৈ জাগৃতি দীৰ্ঘজীৱী হওক।


**নীলাক্ষি চেতিয়া**

বিভাগীয় প্ৰধান, সহযোগী অধ্যাপিকা

অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়

# সম্পাদকীয়



শিক্ষা মানেই একোগছি জ্ঞানৰ বন্তি, যি পোহৰাই তোলে আন্ধাৰৰ বাট। শিক্ষাৰ গতিশীলতাক সমৃদ্ধিশালী কৰি তুলিবলৈ আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজনীয়তাক গুৰুত্বসহকাৰে গ্ৰহণ কৰি অহা হৈছে। সেয়ে স্তৰে স্তৰে শিক্ষা প্ৰসাৰৰ অৰ্থে শিক্ষা ব্যৱস্থাক সজাই তোলা হৈছে এক নতুন ৰূপেৰে। শিক্ষাই দিছে আমাক বিশাল পৰিধি। শিক্ষা অবিহনে জীৱনৰ বহু কথাই নিস্ফল। সেয়ে শিক্ষা যুগে যুগে জীৱনৰ অবিচ্ছেদ্য অঙ্গ। প্ৰকৃত শিক্ষাই পুথিগত জ্ঞানৰ উপৰি ব্যক্তিত্বৰ সৰ্বতোমুখী বিকাশত সহায় কৰে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিৰ মুখপত্ৰসমূহ হৈছে ব্যক্তিত্ব বিকাশৰ বাবে অন্যতম সহায়ক।

বিশ্ব মহামাৰী কভিদ-১৯ৰ এই দুৰৱস্থাৰ মাজতেই বৈদ্যুতিন ৰূপত অসমীয়া বিভাগৰ বাৰ্ষিক মুখপত্ৰ ২০২০-২১ বৰ্ষৰ ‘জাগৃতি’ প্ৰকাশৰ বাবে দিহা কৰা হয়। অসমীয়া বিভাগত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক পৰিচায়ক হৈছে এই জাগৃতি। এনে এখন আলোচনী সম্পাদনা কৰাৰ দায়িত্ব লাভ কৰাটো আমাৰ বাবে এক গৌৰৱৰ বিষয়। আলোচনীখন প্ৰকাশ কৰোঁতে ন-শিকাৰু হিচাপে আমাৰ ভুল হৈ যোৱাটো স্বাভাৱিক। অজানিতে হৈ যোৱা ভুলবোৰৰ বাবে আমি পাঠকসকলৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

সম্পাদকীয়

**কৃতজ্ঞতা ঃ**

গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নীলাক্ষি চেতিয়া আৰু সহকাৰী অধ্যাপক প্ৰণৱ দুৱৰা, ঋণজুন হাজৰিকা, সহযোগী অধ্যাপক প্ৰিয়মা দিহিঙীয়া আৰু সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল বাইদেউৰ বহুমূলীয়া দিহা-পৰামৰ্শৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যিসকলৰ লিখনিৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে সেইসকলৰ লগতে 'জাগৃতি' প্ৰকাশ কৰি উলিওৱাত সহায়-সহযোগ আগবঢ়োৱা বিভাগৰ প্ৰতিগৰাকী শিক্ষাৰ্থীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ধন্যবাদ জ্ঞাপন কৰিছোঁ খুব কম সময়তে ডিটিপিৰ লগতে অলংকৰণেৰে আলোচনীখন সজাই তোলা চেপন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক প্ৰাঞ্জল মহন বৰুৱা ডাঙৰীয়ালৈ।

লক্ষ্যজ্যোতি মহন
মানস প্ৰতিম দেউঘৰীয়া।
সম্পাদক, জাগৃতি

# সূচীপত্ৰ


**চিন্তাৰ সঁফুৰা**

- গণ প্ৰহাৰৰ চাকনৈয়াত অসম — অংকিতা বৰগোহাঁই ।। ১৬
- গীতি সাহিত্যত অসমীয়া সমাজ জীৱনৰ প্ৰতিফলনঃ এক চমু অৱলোকন — মানস প্ৰতিম দেউঘৰীয়া।। ১৯
- অসমীয়া সাহিত্যৰ বিকাশত আলোচনীৰ ভূমিকা — প্ৰণামিকা বৰা।। ২৫
- ভবেন্দ্ৰনাথ শইকীয়াৰ সাহিত্যৰাজি — টিনা বৰগোহাঁই।। ২৮
- ভাওনা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন — শোভনজ্যোতি দুৱৰা।। ৩২
- সাংস্কৃতিক দৃষ্টিৰে মায়ামৰা সমাজ — গাৰ্গী বৰুৱা।। ৩৫
- অসমীয়া জন জীৱনৰ এক অপৰিহাৰ্য অংগ 'চোতাল' — কৰবী গগৈ।। ৩৮
- ৰঙালী বিহু — তুলুমণি গগৈ।। ৪১
- মিচিং জনগোষ্ঠীয় নাৰীসকল — বন্দিতা কোঁৱৰ।। ৪৪
- অসমৰ অন্যতম লোক উৎসৱ 'ভেকুলী বিয়া' — গায়ত্ৰী গগৈ।। ৪৬
- টাই আহোমসকলৰ বিবাহ পদ্ধতি ঃ চকলং প্ৰথা — হিমাদ্ৰী শইকীয়া।। ৪৯
- অসমীয়া ভাষা সংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ অৱদান — অংকিত সন্দিকৈ।। ৫২
- ইতিহাসপ্ৰসিদ্ধ চৰাইদেউ আৰু ইয়াৰ পৰিৱেশ — অনিন্দিতা মহন্ত।। ৫৫
- 'এপ্ৰিল ফুল' — গৌতম দত্ত।। ৫৮

**শব্দশিল্প**

- জীৱন বাটত — সোনমণি চেতিয়া।। ৬১
- শংকৰদেৱ — ৰশ্মিতা শইকীয়া।। ৬১
- শৰতৰ সন্ধিয়া — দেৱশ্ৰী মহন।। ৬১
- গড়গঞা ছাত্ৰী — বন্দিতা কোঁৱৰ।। ৬২
- অনিশ্চয়তা — আকাশ দেৱনাথ।। ৬২
- নতুন প্ৰজন্ম তোমাক স্বাগতম — সুপ্ৰিয়া গগৈ।। ৬৩
- বন্ধুত্ব — অনিন্দিতা মহন্ত।। ৬৩
- জীৱন — কুইন কোঁৱৰ।। ৬৪
- এঙাৰ — অংকিত সন্দিকৈ।। ৬৫
- আহিন — আচফিয়া বেগম।। ৬৫
- বিবৰ্ণ আবেলি — মাধুৰ্য্য গগৈ।। ৬৬

● সাম্প্ৰতিক ঃ তিনিটা স্তৱক — বিদ্যুত সন্দিকৈ।। ৬৭

## লিমাৰিক

● ফট্‌কা — অংকিত সন্দিকৈ।। ৬৮

## কথাশিল্প

● প্ৰত্যুত্তৰ — ৰিমি সন্দিকৈ।। ৬৯
● লকডাউন — টিনা বৰগোঁহাই।। ৭০
● ৰক্তদান — ৰুবী দে।। ৭১
● বোকা — দেৱযানী দত্ত।। ৭৩
● চিঠি — বৰ্ষা বৰবৰুৱা।। ৭৪
● দুৰ্ঘটনা — গাৰ্গী বৰুৱা।। ৭৮
● হৃদয়ৰ বনজুই — অংকিত সন্দিকৈ।। ৭৯
● ভোক — পূৰ্ণিমা ৰাজোৱাৰ।। ৮০
● উপলব্ধি — গাৰ্গী বৰুৱা।। ৮১

## ক্ষুদ্ৰগল্প

● সংগ্ৰাম, ভোক — মুনমী চেতিয়া।। ৮৩
● অন্ন, বিচ্ছেদ — ৰিমঝিম মেছ।। ৮৩-৮৪
● অৱহেলা — বৰ্ষা বৰবৰুৱা।। ৮৪

## ভ্ৰমণ লেখা

● উভতি অহাৰ প্ৰতিশ্ৰুতিৰে — বিদ্যুত সন্দিকৈ।। ৮৫
● দিহিং পাটকাইলৈ গৈছিলোঁ — অংকিত্ সন্দিকৈ।। ৮৮
● ভ্ৰমণৰ আনন্দ — ৰিম্পী পাল।। ৯২
● আঠখেলীয়া নামঘৰ গৈছিলোঁ — শতাব্দীৰাণী কলিতা।। ৯৪
● পাছিঘাটলৈ গৈছিলোঁ — হিমাদ্ৰী শইকীয়া।। ৯৫
● শান্তিৰ নদী-দ্বীপ মাজুলী ভ্ৰমণ — কৰবী গগৈ।। ৯৭
● মোৰ হাফলং ভ্ৰমণ — তুলুমণি গগৈ।। ১০১

## অনুভৱৰ অণুৰণন

● বৃদ্ধাশ্ৰম — তুলুমণি গগৈ।। ১০৩
● নাৰী ঃ এক অনন্য সত্তা — কৰবী গগৈ।। ১০৪
● মহাবিদ্যালয়ৰ প্ৰথম দিনটো — শান্তি দেৱী।। ১০৬

**ৰস-ৰচনা**

- ছাতি — পূৰ্ণিমা ৰাজোৱাৰ।। ১০৭
- বেলুন — টিনা বৰগোঁহাই।। ১০৮

**নীলাখামৰ চিঠি**

- তোমালৈ বুলি — লক্ষ্যজ্যোতি মহন।। ১০৯

**কথোপকথন**

- কোকৰাঝাৰ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, বিশিষ্ট সাহিত্যিক ড° বিন্দু ভূষণ বৰাৰ সৈতে।। ১১০
- ২০১৯ বৰ্ষৰ মুনীন বৰকটকী বঁটা প্ৰাপক, কবি অংকুৰ ৰঞ্জন ফুকনৰ সৈতে।। ১১৩

**চিত্ৰকলা**

- তুলুমণি গগৈ।। ১১৬
- কৰবী গগৈ।। ১১৬
- ৰিকু নেওগ।। ১১৭

**ফটোগ্ৰাফী**

- জীৱনৰ সৌন্দৰ্য — ৰিকু নেওগ।। ১১৮

---

[লেখক-লেখিকাসকলৰ লেখাসমূহৰ মৌলিকতা সম্পৰ্কত সম্পাদনা সমিতি দায়বদ্ধ নহয়।

— সম্পাদনা সমিতি]

# গণপ্ৰহাৰৰ চাকনৈয়াত অসম

অংকিতা বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী



নিবনুৱা সমস্যা আৰু বানপানীৰ পাছত সাম্প্ৰতিক সময়ত অসমৰ এটা জ্বলন্ত সমস্যা হৈ পৰিছে গণপ্ৰহাৰ। একাংশ মানুহে কোনো কাৰণ নোহোৱাকৈ সামান্য অজুহাত এটা লৈয়ে মানুহ হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। বিগত পাঁচ-ছয় বছৰত অসমত গণপ্ৰহাৰ কৰি বহুকেইজন লোকক হত্যা কৰা হৈছে। মানুহে নিজৰ মানৱীয় গুণসমূহ হেৰুৱাই পেলাবৰ উপক্ৰম হোৱাৰ দৰে হৈছে। অসমত গণপ্ৰহাৰৰ দৰে ঘটনা প্ৰথম কেতিয়া হৈছিল সেয়া সঠিককৈ ক'ব নোৱাৰি যদিও বিগত বছৰকেইটাত গণপ্ৰহাৰ কৰি হত্যা কৰাৰ ঘটনা কেইবাটাও সংঘটিত হোৱা দেখা গৈছে। যি মানুহৰ অন্তৰাত্মা কঁপাই তুলিছে। ডিফুত ঝংকাৰ শইকীয়া, কাৰ্বি আংলংৰ ডকমকাত অভিজিৎ নাথ, নীলোৎপল দাস, উজনি অসমৰ ডিকম চাহ বাগিচাত চিকিৎসক দেৱেন দত্ত, হাজোত সনাতন ডেকা, চাবুৱাত পৰাগজ্যোতি নেওগ, মৰিয়নীৰ গাভৰু পৰ্বত চাহ বাগিচাত দেৱাশীষ গগৈ গণপ্ৰহাৰৰ বলি হৈ মৃত্যুমুখত পৰা ঘটনা-অসমে কেতিয়াও পাহৰিব নোৱাৰা বেদনাদায়ক ঘটনা হিচাপে চিহ্নিত হৈছে।

অনৈক্যৰ মাজত ঐক্যৰ নিদৰ্শন থকা অসমত কিয় গণপ্ৰহাৰৰ দৰে ঘটনা বৃদ্ধি পাবলৈ ধৰিছে? ইয়াৰ উত্তৰ হিচাপে কেইবাটাও কাৰক দেখা পোৱা যায়। তাৰ ভিতৰত

ধৰ্মীয় গোড়ামী, অন্ধবিশ্বাস, গণমাধ্যমৰ অপপ্ৰচাৰ, উৰাবাতৰি আদিৰ লগতে অজ্ঞানী-নিৰক্ষৰ দৰিদ্ৰ লোকৰ মানসিক হতাশাগ্ৰস্ততা, ব্যক্তিগত ক্ষোভ আদি প্ৰধান। অসমৰ বহু ঠাইত ডাইনী বিশ্বাসৰ দৰে অন্ধবিশ্বাস মানি লোৱাৰ বাবেও বহু নিৰপৰাধী লোক গণপ্ৰহাৰৰ বলি হৈ মৃত্যুমুখত পৰে। জাতি-ধৰ্ম, উচ্চ-নীচৰ ভেদাভেদ আদি ভাৱসমূহে এতিয়াও সমাজক প্ৰভাৱিত কৰি ৰখাৰ ফলত এনে ঘটনা সংঘটিত হোৱা দেখা যায়। ধৰ্মীয় গোড়ামীৰ দ্বাৰা প্ৰভাৱিত হৈ কিছু লোকে ধৰ্মৰ অচিলা লৈ মানুহক প্ৰহাৰ কৰা ঘটনাও অসমত হৈছে। ইয়াৰ উপৰিও গণপ্ৰহাৰৰ চাকনৈয়াত অসমক পেলোৱাৰ ক্ষেত্ৰত গণমাধ্যমসমূহৰ প্ৰভাৱ উল্লেখযোগ্য। বৰ্তমানৰ যুগটো তথ্য-প্ৰযুক্তিৰ যুগ, ইণ্টাৰনেটৰ



যুগ। ফলত সৰু কথা এটাও মুহূৰ্তৰ ভিতৰতে জনাজাত হৈ পৰে। যিকোনো বাতৰি এটা সঁচাই মিছাই প্ৰচাৰ কৰি ভালপোৱা এচাম মানুহো সমাজত আছে। এইসকলে গণমাধ্যমৰ জৰিয়তে বহুতো উৰাবাতৰি পৰিৱেশন কৰাৰ ফলত গণপ্ৰহাৰৰ দৰে নিৰ্মম ঘটনা সংঘটিত হয়। উদাহৰণস্বৰূপে ২০১৮ চনত শিশু অপহৰণকাৰী বিচৰণ কৰি ফুৰাৰ দৰে উৰাবাতৰি প্ৰচাৰ কৰাৰ ফলত অসমৰ কাৰ্বি-আংলঙত অভিজিৎ নাথ আৰু নিলোৎপল দাসক নিৰ্মমভাৱে মৰিয়াই মৰিয়াই হত্যা কৰাৰ দৰে ঘটনা সংঘটিত হৈছিল। এনে উৰাবাতৰিৰ প্ৰচাৰৰ ফলতেই বহু নিৰপৰাধী লোক গণপ্ৰহাৰৰ বলি হ'বলগা হৈছে। সৌ সিদিনা মৰিয়নীৰ গাভৰু পৰ্বত চাহ বাগিচাত দেউতাক আৰু বায়েকৰ সন্মুখতে কলেজীয়া ছাত্ৰ দেৱাশীষ গগৈক গণপ্ৰহাৰ কৰি হত্যা কৰাৰ ঘটনাই অসমক জোঁকাৰি গ'ল। সৰু কথা

এটাক লৈয়ে মানুহে মানুহক হত্যা কৰাৰ পৰিস্থিতি বৰ্তমান সঘনাই সৃষ্টি হৈছে অসমত।

সময়ৰ লগে লগে মানুহৰ মনস্তাত্ত্বিক দৃষ্টিভঙ্গী সলনি হৈছে। জীৱিকাজনিত হতাশা, প্ৰচলিত সমাজ ব্যৱস্থা, চৰকাৰ আদিৰ প্ৰতি থকা তীব্ৰ ক্ষোভ মানুহে হিংসাত্মক কাৰ্যৰ জৰিয়তে নিবাৰণ কৰিছে। হতাশাগ্ৰস্ত, ক্ষোভিত মানুহে সৰু সৰু কথাতে উন্মত্তৰ দৰে আচৰণ কৰি হিংসামূলক কাৰ্যত প্ৰবৃত্ত হোৱাৰ কথা মনস্তাত্ত্বিকভাৱেও প্ৰমাণিত। মাদক দ্ৰব্যত আসক্ত লোকেও বাহ্যিক জ্ঞানশূন্য হৈ এনে কাৰ্যত লিপ্ত হোৱা দেখা যায়। অসমৰ মৰেল পুলিচসকলে বহুক্ষেত্ৰত আইন অমান্য কৰি নিজেই পদক্ষেপ লোৱা দেখা যায়, অৰ্থাৎ আইন নিজৰ হাতলৈ লয়। ইয়াৰ ফলতো সময়ে সময়ে অসমত বহু হিংসাত্মক ঘটনা সংঘটিত হোৱা দেখা গৈছে।

গণপ্ৰহাৰৰ চাকনৈয়াৰ পৰা অসমক কেনেদৰে ৰোধ কৰিব পৰা যাব? প্ৰথমতেই, গণমাধ্যমৰ সঠিক ব্যৱহাৰৰ প্ৰতি দৃষ্টি ৰাখি সেইসমূহৰ জৰিয়তে যাতে কোনোধৰণৰ অপপ্ৰচাৰ আৰু উৰাবাতৰি প্ৰচাৰ কৰিব নোৱাৰে, তাৰ প্ৰতি চৰকাৰ, আৰক্ষীৰ লগতে জনসাধাৰণো সজাগ হ'ব লাগিব। দ্বিতীয়তে, সমাজৰ পৰা অন্ধবিশ্বাস দূৰীকৰণ তথা ধৰ্মীয় গোড়ামী দূৰ কৰিবলৈ চৰকাৰে উচিত ব্যৱস্থা গ্ৰহণ কৰি ধৰ্মৰ নামত হিংসামূলক ঘটনা সংঘটিত কৰাৰ দৰে কাৰ্যক ৰোধিবলৈ চেষ্টা কৰিব লাগিব। গণপ্ৰহাৰৰ ঘটনাৰ আঁৰত কিছু পৰিমাণে মানুহৰ জীৱনভিত্তিক হতাশা, ক্ষোভো জড়িত হৈ থাকে বাবে চৰকাৰে দৰিদ্ৰতা দূৰীকৰণ আৰু নিবনুৱা সমস্যা সমাধানৰ উপযুক্ত ব্যৱস্থা হাতত লৈ জনসাধাৰণক হতাশাৰ পৰা মুক্ত কৰাৰ চেষ্টা কৰিব লাগে। গণপ্ৰহাৰৰ লগত জড়িত দোষীক প্ৰশাসনে কঠোৰভাৱে শাস্তি প্ৰদান কৰিব লাগে, যাতে সেয়া দেখি অন্য লোকে তেনে হিংসামূলক কাৰ্যৰ পৰা আঁতৰি থাকে। কেন্দ্ৰীয় চৰকাৰে অন্ধবিশ্বাস, কু-সংস্কাৰৰ সমান্তৰালকৈ এখন গণপ্ৰহাৰ বিৰোধী আইন প্ৰৱৰ্তন কৰাটো অত্যন্ত প্ৰয়োজনীয় বিষয় হৈ পৰিছে।

# গীতি সাহিত্যত অসমীয়া সমাজ জীৱনৰ প্ৰতিফলনঃ এক চমু অৱলোকন

✍ মানস প্ৰতিম দেউঘৰীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

সাহিত্যৰ প্ৰাচীনতম ৰূপ হ'ল গীতি সাহিত্য। মৌখিক পৰম্পৰা আধাৰিত গীতিধৰ্মী সাহিত্যৰাজিয়ে হৈছে লোকগীত। অসমীয়া সমাজত প্ৰচলিত লোকগীতসমূহৰ বৈশিষ্ট্যলৈ দৃষ্টি ৰাখি এইসমূহক চাৰিটা ভাগত ভগাব পাৰি। অনুষ্ঠানমূলক গীত, কাহিনীপ্ৰধান গীত, শিশু মনোধৰ্মী গীত আৰু বিবিধ বিষয়ক গীত। এই চাৰিওটা ভাগতে অসমীয়া সমাজৰ জীৱন ধাৰণৰ সামগ্ৰিক ছবিখন সুন্দৰভাবে দেখা পোৱা যায়, লগতে অসমৰ জাতীয় জীৱন আৰু সাহিত্যতো এই লোকগীতসমূহে এখন বহল ঠাই অধিকাৰ কৰি আহিছে। যেতিয়া মানুহৰ আখৰ বোধ নাছিল তেতিয়াৰে পৰা গীতি সাহিত্যই মানুহৰ অন্তৰ জয় কৰি আহিছে। অসমৰ গীত-মাত আজিৰ যুগৰ সৃষ্টি নহয়। অতীজৰে পৰা অসমীয়া সমাজ আৰু জাতীয় জীৱনৰ স্তৰে স্তৰে থলুৱা গীত-মাতৰ বিভিন্ন সুৰ সিঁচৰতি হৈ আছে। লিখিত সাহিত্যতকৈ লোকগীত কোঁহে কোঁহে অসমীয়া সমাজখন নিবিড়ভাৱে জড়িত হৈ থকা দেখিবলৈ পোৱা যায়।

**লোকগীতত অসমীয়া সমাজৰ জীৱন-ধাৰণ প্ৰণালী ঃ** অসমৰ সমাজ কৃষিকেন্দ্ৰিক। অতীজৰে পৰা প্ৰতিটো অসমীয়া পৰিয়াল কৃষি-কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি পৰিচালিত হৈ আহিছে। লোকগীতত কৃষিজীৱী অসমীয়া সমাজৰ ছবিখন এনেদৰে প্ৰকাশিত হৈছে—

'ভূঁয়ে ৰুই যাবা চাপৰি চাপৰি
চাপৰি কাটিবা ধান,
তোমাকে কৰি লৈ জীৱনৰ লগৰী
খেতি কৰি উভয়ে খাম।' (বিহুনাম)

উক্ত বিহুনাম ফাঁকিত এজন অসমীয়া ডেকাৰ খেতি কৰি সংসাৰ পতাৰ আশা ফুটি

উঠিছে। তেনেদৰে ভেকুলী বিয়া নামতো কৃষিজীৱী অসমীয়া সমাজৰ ছবি প্ৰকাশিত হৈছে এনেদৰে —

'বৃষ্টি নাই ইন্দ্ৰ দেউ
পথাৰ পৰে চন
ভেকুলীৰ বিয়া পাতোঁ
কৰা বৰিষণ' (ভেকুলী বিয়ানাম)

যদিও অসমীয়া সমাজৰ প্ৰধান বৃত্তি কৃষি তথাপি এইখন সমাজতে আন বহুতো সম্প্ৰদায়ৰ মানুহে বাস কৰাৰ বাবে সেই সম্প্ৰদায়সমূহৰো প্ৰত্যেকৰে বৃত্তি বেলেগ বেলেগ। লোকগীতত ইয়াৰো ছবি প্ৰতিফলিত হৈছে —

'লুইতৰ সিপাৰে কুমাৰ গাঁও এখনি
কুমাৰৰে জীয়াৰী তুমি,
ইপাৰৰ গাঁৱৰে কমাৰৰ ল'ৰা মই
হ'বানে লগৰী তুমি' (বিহুনাম)

**লোকগীতত অসমীয়া সমাজৰ তাঁতশাল, ঢেঁকীশাল আৰু ভঁৰালঘৰ ঃ** অসমীয়া সমাজত ভঁৰালঘৰ পবিত্ৰ বুলি গণ্য কৰা হয়। সেয়ে যেতিয়াই তেতিয়াই ভঁৰালঘৰ চুব বা ধান উলিয়াব নাপাই বুলি অসমীয়া সমাজত জনবিশ্বাস আছে। লোকগীতত ভঁৰালঘৰৰ চিত্ৰ এনেদৰে প্ৰকাশিত হৈছে —

'বাহীকৈ গাৰে ভঁৰালঘৰ নুচুবা
নুলিয়াবা লখিমী ধান,
আই লখিমী ভঁৰালতে থাকে
কথাটি কৰিবা কাণ' (বিয়া নাম)

তাঁতশাল অসমীয়া সমাজৰ আদৰৰ সম্পদ। অসমীয়া শিপিনীয়ে তাঁতশালত বহি সপোন ৰচে। লোকগীতত এই তাঁতশালখনিয়েও স্থান পাইছে এনেধৰণে —

'বাইদেউ ঐ নাযাবা গুচি
থাকিব নোৱাৰোঁ তোমাকে এৰি
তাঁতশালে কান্দিছে তোমাৰ বেজাৰত
মহুৰাই কান্দিছে যঁতৰৰ লগত
উঘা চেৰেকীয়ে কান্দে উচুপি
ৰাঁচ শালিয়েও টোকে চকুপানী
কোনে সূতা কাটি তাঁতত লগাব
কোনে বুটা বাছি গামোচা ব'ব' (বিয়া নাম)

তাঁতশালৰ দৰে ঢেঁকীশালো অসমৰ অমূল্য সম্পদ। ঢেঁকীশালত আই লখিমী থাকে বুলিও অসমীয়া সমাজত বিশ্বাস আছে। লখিমী সবাহৰ নামত ঢেঁকীশালৰ কথা এনেদৰে পোৱা যায় —

'ঢেঁকীৰে শালতে লখিমী আই আছিলে
সোণৰে শলখা লৈ
খুৰলীতে সোমাই চাউল ৰূপে ল'লে
আমাৰ প্ৰাণ ৰাখিবলৈ' (লখিমী সবাহৰ নাম)

**লোকগীতত অসমীয়া সমাজৰ খাদ্যাভ্যাস, সাজপাৰ আৰু আ-অলংকাৰ ঃ** অসমীয়া সমাজৰ খাদ্যশৈলী বিভিন্ন প্ৰকৰণৰে ভৰপূৰ। লোকগীতত অসমীয়া সমাজৰ খাদ্যশৈলীৰ বৰ্ণনাও পোৱা যায়। উদাহৰণস্বৰূপে —

'আমাৰে বাপুকণ নিচেই কুমলীয়া
নাখাই শুদাকৈ ভাত
বাৰীৰে শাকেৰে জুতি লগাই ৰান্ধিছোঁ
বাঢ়ি দিছোঁ ভাতৰে পাত,
লাই লফা শাকৰ ভাজিখন কৰিছোঁ
ঢেকীয়া ঔটেঙাৰ জোল
কচু লটিৰে জালুকীয়া ৰান্ধিছোঁ

অসমীয়া খাদ্যাভ্যাসৰ অন্তৰ্গত জা-জলপানেও লোকগীতত স্থান পাইছে এনেধৰণে—

'ম'হৰ এঠা দৈ চমকা চমকা
বকুল বৰাধানৰ চিৰা
গুৰে সৈতে সানি লাহৰী হাতেৰে
খুৱাবা চেনেহী হেৰা' (বিহুনাম)

অসমীয়া সমাজত পুৰুষ-মহিলা উভয়ৰে সাজপাৰৰ বিচিত্ৰতা দেখা পোৱা যায়। অসমীয়া সমাজ অতীজৰে পৰাই স্বকীয় সাজপাৰেৰে চহকী। লোকগীতত অসমীয়া সাজপাৰেও ভুমুকি মাৰিছে। উদাহৰণস্বৰূপে ঃ

ক) 'আঁঠুৰে মূৰতে চুৰীয়া পিন্ধিছা
কান্ধত গামোচাৰে ফুল
কোনখন গাঁৱৰে পহুৱাল ডেকাটি
দেখি যাওঁ ৰূপতে ভুল।' (বিহুনাম)

খ) ‘মেখেলা পিন্ধিবা সৰুগাঁঠিৰ তলত
বহলকৈ চাদৰখন আলফুল দেহত
কেচবছা ৰিহাখন মেৰিয়াই ল’বা
তেহে আইদেউ লক্ষী বোৱাৰী হ’বা’ (বিয়া নাম)

সাজপাৰৰ দৰে আ-অলংকাৰেও স্থান পাইছে এনেধৰণে —

‘মাৰাৰ অলংকাৰ থোৱা কাতি কৰি ঐ ৰাম
দেউতাৰাৰ অলংকাৰ থোৱা হে,
ৰামচন্দ্ৰই পঠাইছে সুৱৰ্ণৰ অলংকাৰ ঐ ৰাম
হাতে যোৰে কৰি লোৱা হে,
কাণতে থুৰীয়া ডিঙিত গলেপতা ঐ ৰাম
দুগডুগী জোনবিৰি পিন্ধা হে
খোপাতে কপৌফুল আঙুলিত আঙুঠি ঐ ৰাম
শিৰত চিটিপতি লোৱা হে’ (বিয়া নাম)

**লোকগীতত অসমীয়া সমাজৰ বাদ্যযন্ত্ৰ ঃ** ঢোল, খোল, পেঁপা, বাঁহী, গগনা, হুতুলি আদি অনেক লোকবাদ্যৰ ব্যৱহাৰ অসমীয়া সমাজত আছে। লোকগীতত অসমৰ বাদ্যযন্ত্ৰৰ বৰ্ণনা এনেধৰণে আছে —

‘চাম গছৰ কাঠেৰে ঢোলটি সাজিলোঁ
গুণা ম’হৰ শিঙেৰে পেঁপা
আলতীয়া মাটিৰে হুতুলি সাজিলোঁ
আগলি বাঁহৰ গগনা’ (বিহুনাম)

**লোকগীতত অসমীয়া সমাজৰ তামোল-পাণ ঃ** অসমীয়া সমাজত তামোল-পাণৰ বিশেষ মৰ্যাদা আছে। বিভিন্ন মঙ্গল সূচক কাৰ্যতো তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত অতীজৰে পৰা চলি আহিছে। বিয়া নামতো তামোল-পাণৰ কথা এনেদৰে পোৱা গৈছে—

‘আগবাৰীৰ শুৱনি কাকিনী তামোল
পাছবাৰীৰ শুৱনি পাণ
বৰেঘৰ শুৱনি গাভৰু ছোৱালী
উলিয়াই দিবলৈ টান।’ (বিয়া নাম)

**লোকগীতত অসমীয়া সমাজৰ মুগাশিল্প ঃ** মুগাশিল্প অসমীয়া সমাজৰ এক উল্লেখযোগ্য অংশ। অতীজৰে পৰা অসম মুগাশিল্পত চহকী। এই মুগাশিল্পক বৰ্তমান যুগত অসমীয়াই জীৱিকাৰ উপায় হিচাপেও বাছি লোৱা দেখিবলৈ পোৱা যায়। লোকগীতত অসমীয়া সমাজৰ পাট, মুগা আৰু এৰী শিল্পৰো নিদৰ্শন পোৱা যায়। উদাহৰণস্বৰূপে —

'বহিবলৈ দিলোঁ মুগাৰে দলিচা
পাটৰে গামোচা দিলোঁ
এৰী চাদৰেৰে সেৱাটি জনালোঁ
তোমাৰ চৰণতে ধৰোঁ।' (শীতলা নাম)

**লোকগীতত অসমীয়া সমাজৰ মঙ্গল-অমংগল সূচক লক্ষণ ঃ** লোকগীতত লোকবিশ্বাসৰ চাপো পৰিলক্ষিত হয়। মঙ্গল-অমংগল সূচক মানুহৰ লক্ষণ সম্পৰ্কেও পোৱা যায়। উদাহৰণস্বৰূপে—

ক) 'চম্পাৱতী গাভৰুৰ সেন্দূৰ মচে খালে
ঘনে সোঁহাত লৰে,
কাউৰীয়ে ৰমলীয়াই ফেঁচাই কুৰুলিয়াই
সপোনত আগদাঁত লৰে' (মণিৰাম দেৱানৰ গীত)

খ) 'জনাৰ চুলিতাৰি জেঠী নেগুৰীয়া
তাইৰ মান শাখিনী নাই
হিয়া ভাঙি ভাঙি খোজক বোলে তাই
তাইৰ মান কুলক্ষণী নাই।' (জনা গাভৰুৰ গীত)

**লোকগীতত অসমীয়া সমাজৰ মাছ মৰা প্ৰথা ঃ** অসমীয়া সমাজত গাঁৱলীয়া লোকে সমূহীয়াভাবে মাছ মৰাৰ দৃশ্য সততে দেখিবলৈ পোৱা যায়। বিহুনামত এই দৃশ্য দেখা পোৱা যায়। উদাহৰণস্বৰূপে—

'গেলা মৰা বিলত গাঁৱৰ ৰাইজে
মাছ মাৰিবলৈ যায়
জুলুকী পল লৈ ৰংমনো ওলালে
বহনাই ৰ' লাগি চায়।'

লোকগীতসমূহ অসমীয়া সমাজৰ দাপোন স্বৰূপ। এইসমূহত অসমীয়া সমাজৰ প্ৰায়বিলাক দিশেই প্ৰতিফলিত হৈ আহিছে আৰু অসমৰ সমাজ জীৱনত উচ্চ স্থান অধিকাৰ

কৰি আছে। বৰ্তমান সময়ত ইয়াৰ গুৰুত্ব, প্ৰয়োজনীয়তা নতুন প্ৰজন্মই অনুধাৱন কৰাৰ প্ৰয়োজনীয়তা আছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) গগৈ, ছবি ঃ 'অসমীয়া গীতি সাহিত্যত সমাজ শাস্ত্ৰীয় মূল্য', পৃথিৱী প্ৰকাশন, গুৱাহাটী-৭৮১০২৮, এপ্ৰিল, ২০১১

২) গগৈ, লীলা ঃ 'অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা', বনলতা, ডিব্ৰুগড়, ২০১৭

৩) - ঃ 'নৈ বৈ যায়', বনলতা, ডিব্ৰুগড়, ২০০৬

# অসমীয়া সাহিত্যৰ বিকাশত আলোচনীৰ ভূমিকা

✍ প্ৰণামিকা বৰা।
স্নাতক তৃতীয় ষাণ্মাসিক

অসমীয়া সাহিত্যৰ বিকাশত আলোচনীৰ ভূমিকা অপৰিসীম। পাঠকৰ ৰুচি গঢ় দিয়াত সমসাময়িক আলোচনীসমূহে বিশেষভাৱে সহায় কৰি আহিছে। সংস্কাৰ আৰু প্ৰগতিৰ পথত একোখন সমাজ আগুৱাই যোৱাত আলোচনীয়ে সহায় কৰি আহিছে।

১৮৪৬ চনত মিছনেৰীসকলে শিৱসাগৰৰ পৰা প্ৰকাশ কৰা অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী 'অৰুণোদই'ৰ বুকুতে আধুনিক অসমীয়া সাহিত্যৰ বীজ অংকুৰিত হয়। সাহিত্য চৰ্চাৰ বাবে এচাম লেখক জন্ম দিয়াৰ ক্ষেত্ৰত, ভাষাক এটি নতুন ৰূপ দিয়াৰ লগতে সাহিত্যক বহুমুখী দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত 'অৰুণোদই'ৰ অৱদান অতি উল্লেখনীয়।


অৰুণোদই


বঙালী ভাষাৰ ঠাইত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰাত অসমীয়া ভাষাৰ প্ৰচাৰ আৰু চৰ্চাত বৰ্হিজগতৰ ভাৱধাৰাৰ লগত অসমীয়া পাঠকৰ মানসিক সংযোগ স্থাপন কৰাত অৰুণোদই আলোচনীয়ে সহায় কৰিছিল। মুঠতে ভাষা-সাহিত্যৰ জৰিয়তে অৰুণোদই আলোচনীয়ে আধুনিক অসমীয়া সাহিত্যৰ বাট মুকলি কৰে। ১৮৭১ চনত আউনীআটি সত্ৰাধিকাৰে 'আসাম বিলাসিনী', ১৮৭২ চনত চিদানন্দ দাসৰ সম্পাদনাত 'আসাম মিহিৰ', ১৮৭৪ চনত লক্ষ্মীকান্ত বৰকাকতিৰ সম্পাদনাত 'আসাম দৰ্পণ', ১৮৮২ চনত হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাত 'আসাম নিউজ', ১৮৮৫ চনত গুণাভিৰাম বৰুৱাৰ সম্পাদনাত 'আসাম বন্ধু', ১৮৮৬ চনত হৰিনাৰায়ণ বৰাৰ সম্পাদনাত 'মৌ', ১৮৮৮ চনত কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰথম অসমীয়া শিশু আলোচনী 'ল'ৰাবন্ধু' প্ৰকাশ পাইছিল। ১৮৮৯ চনত 'অসমীয়া ভাষা উন্নতি সাধিনী

সভাৰ (অঃ ভাঃ উঃ সাঃ সঃ) মুখপত্ৰ ‘জোনাকী’ আলোচনী চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত কলিকতাৰ পৰা প্ৰকাশ পায়। এইক্ষেত্ৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ লগতে লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ ভূমিকা উল্লেখযোগ্য। জোনাকীয়ে প্ৰাচ্য আৰু পাশ্চাত্য ভাৱধাৰাৰ মাজত সংযোগ সেতু স্থাপন কৰিছিল। এই আলোচনীয়ে অসমীয়া সাহিত্যলৈ প্ৰৱাহিত কৰি আনে ইংৰাজী ৰোমাণ্টিক ভাবাদৰ্শ। জোনাকীয়ে চুটিগল্প, নাটক, সমালোচনা, কবিতাৰ ন-ন ৰূপ, ছন্দ আদিৰে আংগিক তথা বিষয়বস্তুৰ ক্ষেত্ৰত অসমীয়া সাহিত্যলৈ অভিনৱত্ব আনে।




১৯০৭ চনত তেজপুৰৰ পৰা পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত ‘উষা’, ১৯০৯ চনত কলিকতাৰ পৰা বেজবৰুৱাৰ সম্পাদনাত ‘বাঁহী’ প্ৰকাশ হৈ ওলায়। উষা, বাঁহী, বিজুলী এই তিনিখন আলোচনীয়ে অসমীয়া সাহিত্যক শক্তিশালী কৰে।

১৯২৯ চনত জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত আৰু দীননাথ শৰ্মাৰ সম্পাদনাত কলিকতাৰ পৰা ‘আৱাহন’ প্ৰকাশ পায়। ১৯৭৬ চনলৈকে প্ৰকাশ হৈ থকা আৱাহনে অসমীয়া সাহিত্যৰ ইতিহাসত এটা যুগৰ সৃষ্টি কৰে। গল্প, ভ্ৰমণ বৃত্তান্ত, প্ৰবন্ধ, কবিতা আৰু ধাৰাবাহিকভাৱে প্ৰকাশ হোৱা উপন্যাসেৰে এই আলোচনীখনৰ সুখপাঠ্য আছিল। ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত ‘জয়ন্তী’ আৰু হেম বৰুৱাৰ সম্পাদনাত ‘পচোৱা’ আলোচনীয়ে আধুনিক অসমীয়া কবিতাৰ ধাৰাটোক শক্তিশালী কৰি অসমীয়া কাব্য জগতক নতুন গতি প্ৰদান কৰিছিল। ১৯৫০ চনত ‘ৰামধেনু’ আলোচনী ইন্দ্ৰকমল বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশ পায়। ১৯৮০ চনলৈকে ‘ৰামধেনু’ নিয়মীয়াকৈ



প্ৰকাশ হৈ অসমীয়া সাহিত্যত এটি যুগ সৃষ্টি কৰে।

বৰ্তমান সময়ত যথেষ্ট সংখ্যক আলোচনী প্ৰকাশিত হৈছে তাৰ ভিতৰত প্ৰান্তিক, গৰীয়সী, সাতসৰী, প্ৰকাশ, আইনা আদি নিয়মীয়াকৈ প্ৰকাশ হৈ আছে। ইয়াৰ বাহিৰেও শিশু, মহিলা, স্বাস্থ্য, কৃষি, অৰ্থনীতি আদি বিষয়ক আলোচনী, যেনে- ঘৰ-জেউতি, সাৰথি, শ্ৰীময়ী, পূবালী, নন্দিনী, মৌচাক, জি.এন.আৰ.চি.স্বাস্থ্য আদি আলোচনীয়ে অসমীয়া সাহিত্যৰ ভেঁটি সবল কৰাৰ লগতে বৈবিধ্যময় আৰু বৈচিত্ৰ্যময় কৰি তুলিছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত', সৌমাৰ প্ৰকাশ, দশম সংস্কৰণ, ২০১৭

২) শৰ্মা, হেমন্তকুমাৰ ঃ 'অসমীয়া সাহিত্যত দৃষ্টিপাত', বাণী লাইব্ৰেৰী, ২০১৭

# ভবেন্দ্ৰনাথ শইকীয়াৰ সাহিত্যৰাজি

✍ টিনা বৰগোহাঁই
স্নাতক প্ৰথম ষাণ্মাসিক



লক্ষ্যধৰ চৌধুৰীদেৱে ধেমেলীয়াকৈ এষাৰ বৰ সাৰুৱা কথা কৈছিল - "দেশসেৱাৰ উত্তম পথ সাহিত্য-সংস্কৃতি, অধম পথ হৈছে ৰাজনীতি।" যিসকল মহান মনীষীয়ে উত্তম পথ অৰ্থাৎ সাহিত্য- সংস্কৃতিৰে সমাজৰ বাবে সেৱা আগবঢ়ায়, তেওঁলোক সদায়ে ৰাইজৰ মনৰ ভিতৰত থাকে। আমাৰ সকলোৰে অন্তৰত সোমাই থকা সাহিত্য জগতৰ এজন মহান পণ্ডিত, শিশু সাহিত্যিক, বোলছবি নিৰ্মাতা হ'ল— ড° ভবেন্দ্ৰনাথ শইকীয়া।

অসমৰ সাহিত্য জগতৰ নক্ষত্ৰস্বৰূপ এইজনা মহান সাহিত্যিকৰ জন্ম হৈছিল ১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে নগাঁৱৰ ফৌজদাৰী পট্টিত। তেওঁৰ পিতৃৰ নাম বিদুৰ শইকীয়া আৰু মাতৃ চম্পাবালা শইকীয়া। ১৯৪৮ চনত তেওঁ নগাঁও চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত ৩ টা বিষয়ত 'লেটাৰ মাৰ্ক' আৰু ষ্টাৰ সহ প্ৰথম বিষয়ত উত্তীৰ্ণ হয়। এনেদৰে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পৰ্দাথ বিজ্ঞানত এম. এছ. চি. ডিগ্ৰী লাভ কৰে। ১৯৫৬ চনত শইকীয়াদেৱে শিৱসাগৰ কলেজত তেওঁৰ কৰ্মময় জীৱনৰ পাতনি মেলে।

১৯৬১ চনত তেওঁ লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা "The structure, Aggregation and meeting of metal and other Films condensed from vapour" শীৰ্ষক গৱেষণাৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰে। ভবেন্দ্ৰনাথ শইকীয়াৰ সাহিত্যিক প্ৰতিভা বহুধা-বিভক্ত। তেওঁৰ ৰচনাৰাজিক এনেধৰণে শ্ৰেণীভুক্ত কৰিব পাৰিঃ

ক) উপন্যাস

খ) গল্প

গ) নাটক

ঘ) সংবাদধৰ্মী ৰচনা

ঙ) আত্ম-জীৱনী

চ) শিশু সাহিত্য

ছ) চিত্ৰনাট্য আৰু অন্যান্য।

**ক) উপন্যাস ঃ** ড° শইকীয়াৰ ঔপন্যাসিক জীৱনৰ প্ৰথম কৃতি হ'ল ডিটেক্টিভ উপন্যাস 'আতংকৰ শেষত'। এই উপন্যাসখন ১৯৫২ চনত প্ৰকাশ পায়। তেওঁ নিজে অৱশ্যে এইখনক উপন্যাস হিচাপে স্বীকৃতি দিব নোখোজে। অৱশ্যে যোল্ল-সোতৰ বছৰ মান বয়সত তেওঁৰ চিন্তাধাৰা, প্ৰকাশভংগী ইত্যাদি কেনে আছিল তাৰ স্বাক্ষৰ ৰাখিবৰ বাবে তেওঁ এইখন ১৯৯৮ চনৰ অক্টোবৰত 'বুক হাইভ'ৰ দ্বাৰা দ্বিতীয়বাৰ প্ৰকাশ কৰায়। 'অন্তৰীপ' হ'ল ড° শইকীয়াৰ প্ৰথমখন সাৰ্থক সামাজিক উপন্যাস। এই উপন্যাসখন তেওঁ লিখিবলৈ লয় ১৯৭৯ চনত। এইখন প্ৰকাশক 'লয়াৰ্ছ বুক ষ্টল'-ৰ দ্বাৰা ১৯৮৬ চনত প্ৰকাশিত হয়। ১৯৬১ চনত প্ৰকাশিত 'ৰম্যভূমি' হ'ল তেওঁৰ আন এখন উপন্যাস। উপন্যাসখনৰ প্ৰধান আৰু কেন্দ্ৰীয় চৰিত্ৰ হ'ল যোগমায়া।

**খ) গল্প ঃ** তেওঁৰ প্ৰথম গল্প 'প্ৰহৰী' প্ৰকাশ পায় ১৯৬৩ চনত। ইয়াৰ পাছত 'বৃন্দাবন' (১৯৬৫), 'গহ্বৰ' (১৯৬৯), 'সেন্দূৰ' (১৯৭১), 'শৃংখল' (১৯৭৫) আদি প্ৰকাশ পায়। ভবেন্দ্ৰনাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্পৰ ভিতৰত 'তৰংগ' (১৯৭৯), 'আকাশ' (১৯৮৮), 'এই বন্দৰৰ আবেলি' (১৯৮৮), 'উপকণ্ঠ' (১৯৯২)।

ভবেন্দ্ৰনাথ শইকীয়াৰ গল্প সম্পৰ্কে হোমেন বৰগোহাঞিয়ে কৈছে "ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পত অসমীয়া চুটি গল্পৰ পৰম্পৰাবাদী ধাৰাই এক বিৰল পূৰ্ণতা লাভ কৰিছে।"

**গ) নাটক ঃ** ড° ভবেন্দ্ৰনাথ শইকীয়াৰ নাটবোৰ আছিল যথেষ্ট উচ্চমানৰ। নাট্যকাৰ হিচাপে ভবেন্দ্ৰনাথ শইকীয়াই এটা ধাৰাৰ সৃষ্টি কৰিছিল। 'ৰম্যভূমি', 'শতাব্দী', 'স্বৰ্গৰ দুৱাৰ', 'স্বৰ্ণ-জয়ন্তী', 'সমুদ্ৰ-মন্থন' আদি তেওঁৰ উল্লেখযোগ্য নাট। সমাজ জীৱন, ব্যক্তি জীৱনৰ নানানটা দিশকেই তেখেতে দৰ্শকৰ আগত উন্মোচিত কৰে।

**ঘ) সংবাদধৰ্মী ৰচনা ঃ** 'প্ৰান্তিক' আলোচনীৰ 'শেষপৃষ্ঠা' শিতানত প্ৰকাশ পোৱা লেখাবোৰক সংবাদধৰ্মী ৰচনা বুলিব পাৰি। এইবোৰক পাছত 'শেষপৃষ্ঠা' নামেৰে তিনিটা খণ্ডত গ্ৰন্থকাৰে প্ৰকাশ কৰে।

**ঙ) আত্ম-জীৱনী ঃ** শইকীয়াদেৱে নিজৰ জীৱনৰ কথা দুখন কিতাপত ব্যক্ত কৰিছে। 'জীৱন-বৃত্ত'ৰ কথাখিনি 'প্ৰান্তিক' আলোচনীৰ ছয়ল্লিশটা সংখ্যাত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। এই আত্মজীৱনীখন ১৯৯৯ চনত প্ৰকাশ হয়। 'জীৱন-ৰেখা' প্ৰকাশ হৈছিল ২০০২ চনত। ইয়াত ড° শইকীয়াদেৱৰ নিৰ্বাচিত অংশ অন্তৰ্ভুক্ত কৰা হৈছে। এই গ্ৰন্থত ড° শইকীয়াৰ ডায়েৰী লিখাৰ ধৰণ আৰু দৈনন্দিন জীৱনৰ আভাস ফুটি উঠিছে।



**চ) শিশু-সাহিত্য ঃ** ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'সঁফুৰা' আছিল শিশুসকলৰ প্ৰতি এক উপহাৰ। তেওঁ শিশুসকলক বহুত ভাল পাইছিল। শিশু আলোচনী 'সঁফুৰা' শিশুৰ নানান ধৰণৰ ৰুচি-অভিৰুচিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰকাশ কৰা হৈছিল। ইয়াৰোপৰি তেওঁ শিশুৰ কাৰণে প্ৰকাশ কৰা আন কিতাপসমূহ হ'ল- 'মৰমৰ দেউতা', 'শান্ত-শিষ্ট-হৃষ্ট-পুষ্ট-মহাদুষ্ট', 'তোমালোকৰ ভাল হওক' আদি। 'মৰমৰ দেউতা'ৰ ইংৰাজী অনুবাদ 'Dear Father' ১৯৯৮ চনত কৰা হৈছিল। ড° ভবেন্দ্ৰনাথ শইকীয়া আছিল স্বৰাজোত্তৰ কালৰ অসমৰ এগৰাকী সুদক্ষ কথাশিল্পী আৰু যশস্বী চলচ্চিত্ৰ পৰিচালক। তেখেতে ১৯৭৭ চনৰ পৰা ১৯৯৭ চনলৈ এই ২১ বছৰত নিজৰ কাহিনী, চিত্ৰনাট্য আৰু সংলাপেৰে সাতখন অসমীয়া আৰু এখন হিন্দী ছবি পৰিচালনা কৰে। তেওঁ পৰিচালনা কৰা চলচ্চিত্ৰ কেইখন হ'ল- 'সন্ধ্যাৰাগ' (১৯৭৭), 'সাৰথি' (১৯৯১), 'ইতিহাস' (১৯৫৫), 'অনিৰ্বাণ' (১৯৮১), 'অগ্নিস্নান' (১৯৮৫), 'আৱৰ্তন' (১৯৯৩), 'কোলাহল' (১৯৮৮)। উল্লেখযোগ্য যে ১৯৮৫ চনত 'অগ্নিস্নান'ৰ বাবে শইকীয়াদেৱ সৰ্বভাৰতীয় প্ৰেক্ষাপটত 'শ্ৰেষ্ঠ চিত্ৰনাট্যকাৰ' হিচাপে সমাদৃত হয়।

তেওঁৰ কৰ্মৰাজিক সন্মান জনাই বিভিন্ন সন্মান প্ৰদান কৰা হয়। তেওঁ লাভ কৰা বঁটা-সন্মানসমূহ হ'ল- ১৯৭৩ চনত প্ৰকাশন পৰিষদ, অসম বঁটা। ১৯৭৬ চনত সাহিত্য অকাডেমী বঁটা। ১৯৭৮ চনত 'সন্ধ্যাৰাগ' চলচ্চিত্ৰৰ বাবে ভাৰত চৰকাৰৰ 'ৰজত কমল বঁটা' লাভ। ১৯৯০ চনত মেগৰ শৈক্ষিক ন্যাসে আৰম্ভ কৰা 'অসম উপত্যকা বঁটা' লাভ। ১৯৯৮ চনত অসম চৰকাৰৰ সৰ্বোচ্চ সন্মান 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' লাভ। ২০০১ চনত 'পদ্মশ্ৰী সন্মান' লাভ আদি।

শইকীয়াদেৱ আছিল কৰ্মৰ সমষ্টি। তেওঁৰ জীৱনটোৱে আছিল কামৰ অবিৰত যাত্ৰা। তেখেতে সকলো কাম বিজ্ঞানসন্মতভাৱে নিয়াৰীকৈ কৰি ভাল পাইছিল। ২০০৩ চনৰ আগষ্ট মাহৰ ১৩ তাৰিখে তেখেতে এই ধৰা এৰি গুচি গ'ল। তেখেতে দি যোৱা অৱদান অতুলনীয়।

**সহায়ক গ্ৰন্থ ঃ**

১) বৰা, ৰক্তাভ জ্যোতি (সম্পাঃ) ঃ 'মহাপ্ৰাণ অসমীয়া ভৱেন্দ্ৰনাথ শইকীয়া'

# ভাওনা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

✍ শোভন জ্যোতি দুৱৰা
স্নাতক পঞ্চম ষাণ্মাসিক

মোৰ গুন যশগায়া কৰে যিটো নৃত্য
নাহি তাৰ চিন্তা কিছু ভৈলো কৃত্যকৃত্য।
— কীৰ্তন

“ভাওনা মোক্ষ দ্বাৰমপাবৃতং” ভাওনা মুক্তিৰ পথৰ উন্মুক্ত দ্বাৰস্বৰূপ। ভাওনা হৰিকথা শ্ৰৱন, কীৰ্তন, স্মৰণ তথা দৰ্শনৰ বিশেষ মাধ্যম। ভাওনাই ত্ৰিভূৱনক পবিত্ৰ কৰি আহিছে, ভাওনাই ভগৱদ্ভক্তি প্ৰচাৰ কৰাৰ উপৰি আধ্যাত্মিক তত্ত্বৰে মহিমামণ্ডিত কৰা বিশ্ববাসীৰ এক গৱেষণাৰ বিষয়। ভগৱান শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি অসমত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ লৈছিল তাৰ ভিতৰত ভাওনাও এক উল্লেখযোগ্য কাৰ্য, কিন্তু তেৰাই প্ৰথমতে এই ভাওনা তদানীন্তন সময়ত বঙ্গ, উৰিষ্যাৰ কোনো প্ৰান্ত আৰু উত্তৰ ভাৰতৰো মথুৰা, বৃন্দাবন, ব্ৰজধাম, আলিগড় আদি স্থানতো জনভাষা ৰূপে ব্যৱহৃত ব্ৰজাৱলী ভাষাতে ভাওনাৰ নাট লিখা আৰম্ভ কৰিছিল। সেয়ে মহাপুৰুষ জনাই উক্ত অঞ্চলবোৰৰ কথিত ভাষা ব্ৰজাৱলীকে ভাওনাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিছিল। শঙ্কৰযুগ স্পৰ্শ কালতেই মাতৃভাষাৰ ভাওনাৰ নামটো মাতৃভাষাতেই লিখা আৰম্ভ হৈ ক্ৰমশঃ আগুৱাই আজিৰ পৰ্যায় (মাতৃভাষাৰ নাট) পাইহি। মাতৃভাষাত, ভাওনা নাটক ৰচিত হ’ল। ব্ৰজাৱলীত লিখা গুৰুদুজনাৰ অংকীয়া নাটৰ সমস্তশৈলী মাতৃভাষাৰ নাটত অৱলোকিত হ’ল একেই খোলৰ ছন্দ, একেই সুহাই, সিন্ধুৰা, প্ৰভৃতিৰাগ।

আহোম ৰজাৰ ৰাজত্ব কালতো মাতৃভাষাৰ নাট ৰজাৰ পৃষ্ঠপোষকতাত পৰিৱেশিত হৈছিল আৰু এই পৰিৱেশিত নাটখনিৰ নাম আছিল ‘কীচক বধ’। ইয়ে প্ৰমাণ কৰে যে ভাওনা ৰজাঘৰ, প্ৰজাঘৰ সকলোতে সমানে সমাদৃত হৈছিল।

এনেদৰেই মাতৃভাষাত ৰচিত নাট এটা সময়ৰ পৰা সমগ্ৰ অসমত মুখৰিত হ’ল।

ভাওনাক পাঁচ ভাগত ভাগ কৰা দেখা যায়—

১) ধূৰা ভাওনা

২) ফৌজীয়া ভাওনা

৩) পালা ভাওনা

৪) জুৰি ভাওনা বা চোক্ৰাগানৰ ভাওনা

৫) অসমীয়া মাতৃভাষা ভাওনা

প্ৰকাৰ যিয়েই নহওক কিয়, ভাওনাৰ সৈতে বাদ্য সম্পৃক্ত হৈ থাকে, বাদ্য অবিহনে নাট্যাভিনয়ে প্ৰাণ পাই নুঠে অৰ্থাৎ নিষ্প্ৰাণ। এইকাৰণেই খোল, তাল, ডবা, কাঁহ, ঘণ্টা, কালি বেণু, শংখ আদি বাদ্যযন্ত্ৰক পাত্ৰ বহিঃপ্ৰাণ (পাত্ৰম্য বহিঃ প্ৰাণাঃ) আখ্যা দিয়া হয়। ইয়াৰ পৰা সহজেই অনুমান কৰিব পাৰি যে এখন ভাওনাক প্ৰাণৱন্ত কৰি তুলিবৰ বাবে বাদ্যযন্ত্ৰ অপৰিহাৰ্য আৰু প্ৰকাৰ্য বহুমূখী।

ভাওনা এখনত সপ্তৰসৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল—

গায়নে বায়নে সবে কৰে সভাজয় ।
সূত্ৰ নাট্যগনে ৰসিকৰ মন হৰে ।।
পণ্ডিতে বুজিবে শ্লোক কৰিলে ৰচন ।
গীত অৰ্থ বুজিবেক বিজ্ঞ সভ্যগন ।।
ব্ৰজাৱলী ভাষাক বুজিবে গামীলোক ।
ছোঁ-মুখা দেখিবেক অজ্ঞ মূঢ়লোক ।।
শুদ্ধ বা অশুদ্ধ তথাপিতো কৃষ্ণকাম ।
এই সপ্তৰস নাটকৰ অনুপাম ।।

শ্ৰীমন্ত শংকৰদেৱে মহাদাৰ্শনিকৰ দৰে মহামহত্বৰ দৰে, মহানায়কৰ দৰে যেন এইসমূহ দিশ অনুধাৱন কৰিছিল, যেনে— গায়নৰ কণ্ঠ সুন্দৰ হ'বই লাগিব। বহুমাত্ৰিক কলা, যাৰ প্ৰধান বৈশিষ্ট্য হ'ল সৌন্দৰ্য। সুন্দৰ হ'বই লাগিব, নাটক পৰিৱেশন কৰা অঞ্চলটো সংস্থিতি সুন্দৰ হ'ব লাগিব, চাল-চলন সুন্দৰ হ'ব লাগিব, সুন্দৰ শব্দটোৰ লগত অংগিকভাৱে জড়িত হৈ আছে আন এটা শব্দ— অৰ্থবহ। শব্দটোৰ লগত জড়িত কৰি থৈছে উদ্দেশ্য — কাৰ বাবে কৰিছোঁ, কিয় কৰিছোঁ, কি বতৰা মনৰ মাজত লৈ যাব দৰ্শকে আদি দিশবোৰ অনুধাৱন কৰিছিল।

সময় গতিশীল — গুৰুদুজনা ভৱিষ্যতদৰ্শী আছিল। ভৱিষ্যতে যে মানুহ নানান কামত ব্যস্ত হৈ পৰিব সেই কথা অনুমান কৰিয়ে তেৰাসবে চুটি চুটিকৈ নাট লিখিছিল অথবা সেই কালতো হয়তো মানুহৰ মন বুজি চুটি চুটিকৈ নাট লিখিছিল। ৰসতে নামথোৱা তত্ত্বটো হয়তো অনুভৱ কৰিছিল। কীৰ্তন, দশমৰো অধ্যায়বোৰ চুটি চুটি।

অধ্যয়ন কৰোঁতে যাতে ধৈৰ্য্য নেহেৰাই সেইকথা মনত ৰাখিছিল।

প্ৰযুক্তিয়ে সমাজ জীৱনৰ লগতে সংস্কৃতি পথাৰখনতো ভালেমান পৰিৱৰ্তন আনিছে। শব্দযন্ত্ৰ, বিজুলীচাকিৰ পোহৰে তাহানিৰ ভাওনাক অন্যমাত্ৰা প্ৰদান কৰিলে।

সময় সলনি হৈছে। ৰূপকোঁৱৰ জ্যোতি প্ৰসাদে কৈছিল, "ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে, এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ"। এই গায়ত্ৰী মন্ত্ৰৰে দীক্ষিত হৈ প্ৰায়বিলাক ঠাইতে বৰ্তমান

ভাওনাক এক নৱতম দিশ দিবলৈ যত্ন কৰা হৈছে। বৰ্তমান সময়ত ভাওনা প্ৰতিযোগিতাই ভাওনালৈ বিৰাট পৰিৱৰ্তন আনিছে, ভাল কথা।

কিন্তু মনত ৰাখিব লাগিব যে আপোন মাতৃয়ে ফটা কাপোৰ পৰিধান কৰিলে সু-পুত্ৰই যেনেকৈ চকুমেলি থাকিব নোৱাৰে ঠিক তেনেকৈ আপোন সংস্কৃতি স্খলিত হ'লে তাৰপ্ৰতিও একেই মনোভাৱ ব্যক্ত কৰিব লাগে।

গতিকে নিজৰ কৃষ্টি-সংস্কৃতিৰ স্বাভিমান অটুট ৰাখি আগবাঢ়িলে ভাওনাৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগতে ভাওনাৰ ঐতিহ্য, পৰম্পৰা ৰক্ষা পৰিব। ক্ৰমশঃ প্ৰজন্মই শুদ্ধ ৰূপত ভাওনাৰ ওপৰত জ্ঞান অৰ্জন কৰিব পাৰিব।

যস্যদেৱে পৰাভক্তিযথাদেৱে তথা গুৰৌ
তস্যৈতে কথিত হ্যৰ্থা:প্ৰকাশন্তে মহাতমন ঃ
সূক্ষ্মতৰম অনুভৱ ৰূপম ।

**সহায়ক গ্ৰন্থ পঞ্জী ঃ**

১) নেওগ, মহেশ্বৰ (সম্পা) ঃ 'শ্ৰী মাধৱদেৱ - কীৰ্ত্তন-ঘোষা', লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী

২) বড়া, মনোজ

পাৰ্থপ্ৰতীম দহোটীয়া (সম্পা.) ঃ পিনাক -ত্ৰিলোচন সাংস্কৃতিক মঞ্চ, গৌৰীসাগৰৰ উদ্যোগত আৰু পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজৰ সহযোগত ভাওনা সমাৰোহ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ

৩) ভৰালী, দিগন্ত (সম্পাঃ) ঃ শিৰোমণি, বালিজান বৰনামঘৰৰ সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা অসম ভিত্তিত ভাওনা সমাৰোহত প্ৰকাশিত স্মৃতিগ্ৰন্থ , ২০১৭

# সাংস্কৃতিক দৃষ্টিৰে মায়ামৰা সমাজ

✍ গাৰ্গী বৰুৱা
স্নাতক প্ৰথম ষাণ্মাসিক

অসমীয়া সংস্কৃতি বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ সংস্কৃতি। যুগে যুগে অসমলৈ কেইবাটাও মানৱ প্ৰজাতিৰ প্ৰব্ৰজনৰ ফলত জাতিগত সমন্বয়ৰ পৰা সাংস্কৃতিক সমন্বয়ৰ পথ মুকলি হৈছে।



মানুহ সমাজপ্ৰিয়। সমাজত একো একোটা নীতি-নিয়মৰ মাজেদি মানুহে চলিব লাগে। যিজন মানুহে সমাজ ভাল নাপায় সেইজন মানুহক ইতৰ প্ৰাণী বুলি গণ্য কৰে। মানুহে সমাজ এৰি চলিব নোৱাৰে। এখন সমাজৰ লগত মানুহৰ সম্পৰ্ক বহু গভীৰ। মানুহে জীৱন-যাপন কৰিবলৈ যাওঁতে যিবোৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ পালন কৰে সেইবোৰেই কৃষ্টি আৰু এই কৃষ্টিক উন্নত পৰ্যায়লৈ নিলে 'সংস্কৃতি' নাম পায়। মানুহ নাথাকিলে সংস্কৃতি নাথাকে আৰু সংস্কৃতি নাথাকিলে মানুহৰ অৰ্ধমৃত অৱস্থা হয়। ৰীতি-নীতিসমূহ কৃষ্টি-সংস্কৃতিৰ অংগ। সুকুমাৰ কলা, চাৰু কলা, সাহিত্য, সংগীত চৰ্চা আদি

সংস্কৃতিৰ এৰাব নোৱৰা উপাদান।

আজি কিছু বছৰৰ আগতে বঙালী, বিহাৰী, মাৰোৱাৰী, পাঞ্জাৱী আদি নানা জাতিৰ মানুহ অসমলৈ আহিছে। কম-বেছি পৰিমাণে তেওঁলোকৰ অৱদানেও অসমীয়া সংস্কৃতিৰ শ্ৰীবৃদ্ধি কৰাত সহায় কৰিছে। এনেকৈ যুগে যুগে নিজৰ বৈশিষ্ট্য নেহেৰুৱাকৈ নিজ কলেৱৰ বৃদ্ধিৰ বাবে অসমীয়া সংস্কৃতিয়ে পাৰ্যমানে আনৰ সংস্কৃতি গ্ৰহণ কৰি আহিছে। সৰু সৰু নৈ উপনৈ মিলি মহাবাহু ব্ৰহ্মপুত্ৰই বিশালাকাৰ ধাৰণ কৰাৰ দৰে অসমীয়া সংস্কৃতিয়েও সৰু সৰু জাতিবোৰৰ সংস্কৃতি বুকুত সাৱটি লৈ বিৰাটাকাৰ কৰিছে। লোকগীত, লোক কাহিনী আদিৰ পৰা জানিব পাৰি মংগোলীয় প্ৰজাতিৰ লোক অসমৰ উত্তৰ পূব আৰু পশ্চিম সীমায়েদি অসমলৈ আহে। তেওঁলোকে অতি প্ৰাচীন কালতেই মহাচীনৰ দক্ষিণ পশ্চিমৰ পৰা প্ৰব্ৰজনৰ পাতনি মেলিলে। তেনেবোৰ ভাষাক তিব্বতবৰ্মী ভাষা বোলে। এইবোৰেও অসমীয়া সংস্কৃতি চহকী কৰি ৰাখিছে। বিশেষকৈ অসমীয়া জাতিৰ প্ৰধান জাতীয় উৎসৱ বিহুটোৱে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি ৰাখিছে।



বিভিন্ন ইতিহাসৰ কথা, বিভিন্ন লোকগীত, লোক ভাষা, লোক সাহিত্য, বিভিন্ন বাদ্যযন্ত্ৰ, যেনে- ঢোল, পেঁপা আদিয়ে বিভিন্ন অৱদান যোগাই আহিছে।

শ্ৰীশ্ৰী শংকৰদেৱে 'এক শৰণ নাম ধৰ্ম' প্ৰচাৰ কৰাৰ লগতে বৌদ্ধ, ইছলাম, খ্ৰীষ্টান আৰু হিন্দুধৰ্মৰ অন্যান্য প্ৰথা আদিয়ে অসমক সংস্কৃতিৰ দিশত অৰিহণা যোগাইছে।

খোৱাবস্তুৰ ক্ষেত্ৰত অসমৰ নিজস্ব পদ্ধতিৰে বনোৱা কলাখাৰ, পানীটেঙা, খাৰলি ভাৰতৰ আন ঠাইৰ মানুহৰ অতি প্ৰিয় বস্তু হৈ পৰিছে।

অসমৰ মানুহে এৰী, মুগা, কপাহী, পাট পলু আদি পোহে আৰু পাত গছৰ খেতি কৰে। অসমৰ মহিলাই ইয়াৰ পৰা ৰিহা-মেখেলা, কাপোৰ, চোলা-চুৰিয়া আদি নিজেই

বৈ কাটে আৰু বৰ্তমান দিনলৈকে বৈ আছে। উচ্চ শ্ৰেণীৰ মানুহে এনে কাপোৰ পৰিধান বা ব্যৱহাৰ কৰিবলৈ লাজ পালেও ইউৰোপ, আমেৰিকাৰ আদিত ইয়াৰ সমাদৰ বাঢ়ি গৈছে। ই অসমৰ বাবে গৌৰৱৰ বিষয়।

শ্ৰীশ্ৰী শংকৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱৰ পিছৰ পৰ্যায়ত গোপাল দেৱৰ শিষ্য শ্ৰীশ্ৰী অনিৰুদ্ধদেৱে মায়ামৰা সম্প্ৰদায় সুকীয়া বৈশিষ্ট্যৰে বিভিন্ন মানুহক, এজন ভগৱানৰ নাম কীৰ্ত্তনৰ মাজেদি উদাৰ চিন্তা-চৰ্চাৰে এখন সমাজ গঢ়ি থৈ গৈছে। যাৰ পৰম্পৰা বৰ্তমানেও বিদ্যমান। মায়ামৰা সেৱকসকলৰ মূৰত এক বিচিত্ৰ পাগ দেখা পোৱা যায়। যিটো অন্য সম্প্ৰদায়ত দেখা পোৱা নাযায়। ভকতসকলে তিনি বস্ত্ৰ পৰিধান কৰে। গায়ন-বায়ন, ৰাগ-তাল অন্য সম্প্ৰদায়তকৈ সুকীয়া। ইয়াক 'উচ্চ কীৰ্তন' নামেৰে জনা যায়। বায়নসকলে 'ঘূৰী' ব্যৱহাৰ কৰা পৰম্পৰা আছে। ভাগৱতেই এই ধৰ্মৰ মূল বস্তু। ভাগৱতক সাক্ষী কৰিয়েই সমাজৰ কাম -কাজবিলাক গাঁওবুঢ়া, বৰবুঢ়া, পাঠকী, বিলনীয়া আদিয়ে নিৰ্দিষ্ট কৰ্মৰ জৰিয়তে সমাজ পৰিচালনা কৰে। এই সমাজত মাহ-প্ৰসাদ, সাজ বস্তু, কেঁচা চাউলৰ পিঠাগুৰিত প্ৰকৃত ঘিঁউ, মৌ, দৈ গাখীৰ আৰু গুড় মিশ্ৰণ কৰি তৈয়াৰ কৰে আৰু সমাজত উপস্থিত থকা ডাঙৰৰ পৰা সৰুলৈকে প্ৰতিজনকে বিতৰণ কৰি একেলগে 'ৰাম' বুলি গ্ৰহণ কৰে। এই বৈশিষ্ট্য অন্য সমাজত দেখা পোৱা নাযায়।

মুঠতে এক সুকীয়া ৰীতি-নীতিৰ মাজেদি এই সম্প্ৰদায়ে পৰম্পৰা ৰক্ষা কৰি আহিছে। আমি আশা ৰাখিছোঁ, বৰ্তমান সময়ৰ লগত মিলি আমাৰ মাজৰ পৰা অন্ধবিশ্বাস আৰু ঠেক মনক পৰিহাৰ কৰি গুৰুজনাৰ আদৰ্শৰে এখন বিশুদ্ধ সমাজ প্ৰতিষ্ঠা হওক।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) গগৈ, চাও লোকেশ্বৰ ঃ 'অসমৰ লোক সংস্কৃতি', আগষ্ট ২০০৯

২) গগৈ, সুশীল কুমাৰ,
বৰুৱা, ভীমকান্ত ঃ 'মটক বুৰঞ্জী', সদৌ অসম মটক সন্মিলন, ২০১৭

৩) দাস, ৰূপালী ঃ 'মায়ামৰা', সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজৰ ৩৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ উদ্‌যাপন সমিতি, ৪ ফেব্ৰুৱাৰী ২০১৯

# অসমীয়া জন জীৱনৰ এক অপৰিহাৰ্য অংগ 'চোতাল'

✍ কৰবী গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক



চোতাল ! অসমীয়া সমাজ-জীৱনৰ এক পৰিচিত নাম। মানুহৰ ঘৰৰ আগফালে বা পিছফালে থকা এখন মুকলি সমান বহল ঠাই। যাক অসমীয়া সমাজৰ এক গৌৰৱৰ থল বুলি গণ্য কৰা হয়। হেমকোষ অভিধানৰ মতে 'ঘৰৰ সন্মুখৰ সমান ঠাইক চোতাল বোলা হৈছে।' বিশেষকৈ অসমৰ গাঁৱলীয়া সমাজত এখন আদৰ্শ ঘৰৰ প্ৰথম শোভা হ'ল চোতালখনক কেন্দ্ৰ কৰি গঢ়ি উঠা এক শৃংখলাবদ্ধ পৰিৱেশ। অসমীয়া সমাজ জীৱনত চোতালৰ প্ৰয়োজন এৰাব নোৱাৰা। অসমীয়া মানুহৰ বিভিন্ন কাৰ্যাৱলী যেনে - উৎসৱ-পাৰ্বণ, ধৰ্মীয় কাম-কাজ আদি চোতালখনতে সম্পাদন কৰা হয়। জন্ম-বিবাহ-মৃত্যু এই তিনিও কাৰ্যৰ লগতে দৈনন্দিন জীৱনৰ বিভিন্ন কাম চোতালখনতে কৰা হয়। গাঁৱলীয়া গৃহস্থী ঘৰ এখনত চোতালখন নহ'লেই নহয়। প্ৰতিঘৰ মানুহৰ সুখ- দুখ, আশা আকাংক্ষাৰ

নীৰৱ সাক্ষী হয় এই চোতালখন। গাঁৱলীয়া সমাজত পৰিয়ালৰ মানুহখিনি, আত্মীয়-কুটুম্বৰ সৈতে একেলগে বহি মনৰ ভাব আদান-প্ৰদানৰ সৌভাগ্য ঘটে এই চোতালখনতেই।

আমাৰ সমাজত প্ৰতিঘৰতে কাউৰীপুৱাতে শুই উঠি ঘৰখনৰ জীয়ৰী বা বোৱাৰীগৰাকীয়ে চোতালখন সৰাটো এক অতীজৰে পৰা চলি অহা পৰম্পৰা। সেইদৰে শীতকালত পুৱাৰ ৰ'দকণ গাত লগাই পৰিয়ালৰ সকলোৰে লগত চোতালত বহি চাহটোপা খোৱাৰ আমেজই সুকীয়া। দুপৰীয়াৰ আহাৰৰ পিছত ঘৰৰ জীয়ৰী-বোৱাৰীসকলে আজৰি সময় কটাই এই চোতালখনতেই; তেওঁলোকৰ মনৰ ভাৱ, আনন্দৰ নীৰৱ সাক্ষী হৈ ৰয় চোতালখন।

অসমীয়া নাৰীসকলৰ তাঁতশালক কেন্দ্ৰ কৰি এই চোতালখনতে গঢ় লৈ উঠে কুটীৰ শিল্পৰ সুন্দৰ চানেকি। সূতা সিজোৱা, মহুৰা ফুৰোৱা, তাঁত-বাটি কৰাৰ পৰা আৰম্ভ কৰি কোনোবা চেনেহীয়ে আদৰৰ বিহুটিত চেনাইক দিম বুলি বিহুৱান বয় এইখন চোতালতেই।

অসমীয়া লোকজীৱন কৃষিকৰ্মৰ ওপৰত নিৰ্ভৰশীল। অসমীয়া সমাজত শস্য চপোৱাৰ সময় ওচৰ চাপি আহিলে চোতালখনৰ ভূমিকাও গধুৰ হৈ পৰে। য'তে- ত'তে গজি উঠা কেঞাবন, দূবৰিবন চিকুণাই গোবৰ মাটিৰে লিপি-মচি চোতালখনক এক নতুন ৰূপ দিয়া হয়। বিহুৰ আগে আগে পথাৰৰ ধান মৰণা মাৰি ৰ'দত শুকুৱাই ভঁৰালত থোৱা হয়। তদুপৰি চোতালতে বহি ধান-চাউল জৰা- মেলা কামবোৰ অসমীয়া সমাজৰ অতি পৰিচিত দৃশ্য। এই চোতালতে বহি ৰ'দঘাই বতৰতো ঘৰৰ ছাঁ লৈ ককাদেউতাই নানা সঁজুলি যেনে- খৰাহি, চালনী, জাকৈ, খালৈ আদি সঁজুলি সাজি উলিয়াই। এইদৰেই প্ৰতিজন গঞা অসমীয়াৰ আবেগ-অনুভূতি, চিন্তা-চৰ্চা জড়িত হৈ থাকে এই চোতালৰ লগত।

চোতালৰ লগত অসমীয়া লোকজীৱনৰ সম্বন্ধ অনেক। এই চোতালখনে মানুহৰ কিমান যে গুৰু দায়িত্ব মূৰ পাতি লয়। চোতালৰ একোণত তুলসী পুলি ৰুই গৃহিণীসকলে সন্ধিয়া এগচি বন্তি জ্বলোৱা পৰম্পৰাটো বৰ্তমানেও আমাৰ সমাজত বৰ্তি আছে। তদুপৰি কাতি বিহুৰ দিনাখন তুলসীৰ তলত চাকি-বন্তি জ্বলাই, মাহ-প্ৰসাদ আগবঢ়োৱাৰ লগতে সৰু সৰু ল'ৰা-ছোৱালী আৰু ঘৰৰ গৃহস্থ সকলোৱে গায়-

'তুলসীৰ তলে তলে মৃগপহু চৰে
তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।'

ব'হাগ বিহুৰ সময়তো ৰাইজৰ হুঁচৰিয়ে চোতাল মুখৰিত কৰে। গতিকে, দেখা যায় যে, চোতালৰ লগত অসমীয়া লোকজীৱনৰ এৰাব নোৱাৰা সম্পৰ্ক আছে।

প্ৰতিজন ব্যক্তিৰে আবেগ-অনুভূতি জড়িত হৈ থাকে এই চোতালৰ লগত। একেদৰে আমাৰ শৈশৱৰ মধুৰ ক্ষণবোৰৰ লগতো চোতালখন ঘনিষ্ঠভাৱে জড়িত হৈ আহিছে। চঞ্চল চপল শিশুকালৰ বিভিন্ন খেল-ধেমালিৰ সংগী হয় চোতালখন। জোনাক নিশা চোতালত ঢাৰি-পাটী পাৰি ককা- আইতাৰ সাধুকথা শুনি; ধূলি-মাকতিৰে খেলি ডাঙৰ হোৱা গাভৰু ছোৱালীজনীক আন এঘৰলৈ উলিয়াই দিয়া হয় চোতালৰ পৰাই আৰু আন এখন চোতাল গছকি আন এঘৰৰ লখিমী বোৱাৰী হয়গৈ। বিয়ানামৰ ধ্বনিৰে মুখৰিত চোতালখন কইনা উলিয়াই দিয়াৰ লগে লগে নিজম হৈ পৰে। নিজৰ বুকুত উমলি ডাঙৰ হোৱা ছোৱালীজনী আন এঘৰলৈ ওলাই যোৱাত চোতালখনো যেন উদাস হৈ পৰে।

ইয়াৰোপৰি শিশুক প্ৰকৃতিৰ লগত পৰিচয় হোৱাৰ প্ৰথম সুযোগ দিয়ে চোতালে। খাদ্যৰ সন্ধানত আহি চোতালত পৰা চৰাইবোৰৰ ৰেহ-ৰূপ চাই শিশুসকলে আনন্দ লাভ কৰে। ইয়াৰ সুন্দৰ বৰ্ণনা গীতৰ মাজত প্ৰতিফলিত হৈছে এইদৰে -

"মোৰ চোতালত এহালি শালিকাই
দুয়ো ওমলে গাতে গা লগাই।"

জন্ম মুহূৰ্তৰ পৰা সংগী চোতালখনতেই আৰম্ভ হয় জীৱনৰ শেষ যাত্ৰা। মৃত্যুৰ পিছত শৰীৰটো চোতাললৈ উলিয়াই দিয়াৰ পৰা মৃতকৰ সদগতিৰ বাবে কৰা শ্ৰাদ্ধ আদি বিধি এই চোতালতে সম্পন্ন কৰা হয়। আই-ভকতসকলৰ নাম কীৰ্তনে চোতালখনক এক গুৰু-গম্ভীৰ ৰূপ প্ৰদান কৰে। ইয়াৰ দ্বাৰা চোতালৰ এক পৱিত্ৰ মৰ্যাদা ফুটি উঠিছে।

সাম্প্ৰতিক কালত সমাজখনত কিছু পৰিবৰ্তনে দেখা দিয়াৰ বাবে চোতালৰ বিস্তৃতি আৰু গৰিমা কিছু সংকীৰ্ণ হৈছে যদিও, চোতালৰ ঐতিহ্য আৰু মহত্ব আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰোঁ। অসমীয়া মানুহৰ বুকুৰ আপোন চোতালখনে অসমীয়াৰ জনজীৱনত বিভিন্নৰূপে প্ৰভাৱ পেলাই আহিছে আৰু আগলৈও অসমীয়াৰ আৱেগ-অনুভূতি বুকুত সাৱটি থাকিব।

**সহায়ক গ্ৰন্থ ঃ**

১) দাস, নাৰায়ণ;
ৰাজবংশী, পৰমানন্দ ঃ 'অসমীয়া সংস্কৃতিৰ কণিকা', চন্দ্ৰপ্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১, মে, ১৯৯৬

# ৰঙালী বিহু

✍ তুলুমণি গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক



ব'হাগ বিহুটি অসমীয়া জাতিৰ বাপতি সাহোন। 'বিহু' শব্দৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে বিভিন্নজনে বিভিন্ন মত আগবঢ়ালেও এটা কথাত একমত প্ৰকাশ কৰি ক'ব পাৰি যে সংস্কৃত 'বিষুৱৎ' শব্দৰ পৰা 'বিহু' শব্দৰ উদ্ভৱ হৈছে। ব'হাগ এটা মাহ। ব'হাগ মানেই ঢোল-পেঁপা-গগনাৰ মাত। ব'হাগ মানেই চৌদিশে বিহু নামৰ মাত, বহাগ মানেই বিহু নাচিবলৈ ওলাই অহা শাৰী শাৰী গাভৰুৰ জাক। এই বিহু বসন্ত ঋতুত উদ্‌যাপন কৰা হয়। এই ঋতুত প্ৰকৃতিয়ে বৰণ সলায়। বসন্তৰ আগমনত প্ৰথমজাক বৰষুণ পৰাৰ লগে লগে বসুমতী অধিক সজীৱ হৈ পৰে, গছ লতিকাত কুঁহিপাত ওলায়। প্ৰকৃতি ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে। ব'হাগ বিহুৰ লগত ৰং-তামাচা, নৃত্য-গীতৰ লগতে বহুতো ৰীতি-নীতি লোকাচাৰ আৰু জনবিশ্বাস জড়িত হৈ আছে। ব'হাগ বিহু বা ৰঙালী বিহু চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হৈ ব'হাগৰ ছদিনলৈ পালন কৰা হয়। এই বিহুৰ প্ৰত্যেকৰে

সুকীয়া নাম আছে। সেয়া হৈছে - গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বা চেনেহী বিহু আৰু চেৰা বিহু।

ব'হাগ বিহুৰ প্ৰথম দিনটো অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা অসমীয়া জনজীৱনৰ কৃষিকৰ্মৰ প্ৰধান সম্বল গৰুৰ নামত উচৰ্গা কৰি গৰু বিহু হিচাপে পালন কৰা হয়। সেইদিনা গৰুক গো লক্ষ্মী হিচাপে জ্ঞান কৰি পূজা-অৰ্চনা কৰা হয়। সেইদিনা ৰাতিপুৱা গৰু-ম'হক পটাত পিহি লোৱা মাহ-হালধিৰে নোৱাই, শিঙত তেল সানি, কপালত ফোঁট দি দীঘলতী আৰু মাখিয়তীৰ ঠাৰিৰে কোবাই ওচৰৰে নৈ-বিল বা পুখুৰীলৈ নি একেলগে হৰিধ্বনি দি সমূহীয়াভাৱে গা ধুৱাই আৰু লগত নিয়া লাউ, বেঙেনা, কেৰেলা, থেকেৰা,



তিঁয়হ, হালধি আদি গালৈ দলিয়াই এইদৰে গোৱা হয় —

“লাউ খা, বেঙেনা খা বছৰে বছৰে বাঢ়ি যা
মাৰ সৰু, বাপেৰ সৰু, তই হ'বি বৰ গৰু।”

গা ধুওৱাৰ পাছত গৰুবোৰক পথাৰত মুকলিকৈ চৰিবলৈ এৰি দিয়া হয়। সেইদিনা বিশেষ সাপ আদিৰ পৰা ঘৰচীয়া জীৱ-জন্তুক ৰক্ষা কৰিবলৈ গোহালিৰ চাৰিওকাষে নহৰু বটা পানী ছটিওৱা হয় ।গৰু গোহালিত সোমালে আদৰ-সাদৰ কৰি মাহ-হালধিৰে ফুট দি নিমখীয়া পিঠা খাবলৈ দিয়া হয়। আমাৰ অসমীয়া সমাজত সেইদিনাৰ পৰাহে নতুন বছৰত বিচনীৰ বা লোৱা নিয়ম। সেইদিনা জীয়ৰী-বোৱাৰীসকলে হাতত জেতুকা লয়। জেতুকাৰ ৰঙে মানুহৰ চৰ্মৰোগৰ প্ৰতিৰোধ কৰে।

গৰু বিহুৰ পাচদিনা ব'হাগৰ পহিলা তাৰিখে মানুহ বিহু। মানুহ বিহুৰ দিনা সকলোৰে গা-পা ধুই পৰিয়ালৰ সকলো একেলগ হয় আৰু সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে-সৰুক আশীৰ্বাদ দিয়ে। পহিলা ব'হাগৰ পৰাই অসমীয়া নতুন বছৰে আৰম্ভ হয়। বিহু কেইদিনা বন্ধু- বান্ধৱী, আলহী- অতিথি আহিলে চিৰা-পিঠা, দৈ আদিৰে আপ্যায়ন কৰা

আমাৰ সমাজত পৰম্পৰাগতভাৱে চলি আহিছে। গৰু বিহুৰ দিনাই ৰাতিলৈ এশ এবিধ বন শাক যোগাৰ কৰি আঞ্জা খোৱাৰ নিয়ম আছে। ৰঙালী বিহুৰ এইবিলাক ৰীতি-নীতি পৰম্পৰাৰ উপৰি এটি উল্লেখযোগ্য অনুষ্ঠান হ'ল হুঁচৰি। হুঁচৰি হ'ল আনন্দৰ গীত আৰু নাচৰ অনুষ্ঠান। ইয়াৰ পদধূলি চোতালত পৰিলেই গৃহস্থই ধন্য মানে। এই বিহুত বিভিন্ন ঠাইত বিভিন্ন খেল-ধেমালি অনুষ্ঠান পতা হয়। যেনে - কণী যুঁজ, কুকুৰা যুঁজ, মল্ল যুঁজ ইত্যাদি।

ব'হাগ বিহুৰ তৃতীয় দিনা গোসাঁই বিহু। সেইদিনা গাঁৱৰ ৰাজহুৱা নামঘৰত সমূহীয়া নাম প্ৰসংগ হয়। অসমীয়া জন-জীৱনৰ এবিধ আদৰৰ সম্পদ হ'ল 'তাঁতশাল' সেয়ে বিহুৰ চতুৰ্থ দিনা 'তাঁতৰ বিহু'।

পঞ্চম দিনা চহালোকৰ কৃষিকৰ্মৰ মূল সঁজুলি 'নাঙলৰ বিহু'। ষষ্ঠ দিনা বিয়া দিয়া জীয়াৰী পিতৃ গৃহলৈ আহে। সেয়ে সেইদিনা 'জীয়ৰী বিহু'। শেষৰ দিনা 'চেৰা বিহু'। 'চেৰা' বিহুৰ পাছত সাধাৰণতে সাত দিনত বা এঘাৰ দিনত বিহু সামৰণি মৰা হয়।

সময়ৰ পৰিবৰ্তনত বিহু সলনি হ'লেও বসন্ত আহিলে ব'হাগ আহে। ব'হাগ থাকে মানে সকলো অসমীয়াৰ আনন্দৰ উৎস বিহু থাকিব।

# মিচিং জনগোষ্ঠীয় নাৰীসকল

✍ বন্দিতা কোঁৱৰ
স্নাতক প্ৰথম ষাণ্মাসিক



অসমৰ ভৈয়াম জনজাতি লোকসকলৰ ভিতৰত মিচিংসকল অন্যতম। সময়ৰ গতিশীলতাৰ লগতে মানুহৰ জনজীৱন আৰু ইয়াৰ বাসস্থান, নীতি আদৰ্শৰ সলনি হয়। ভৈয়ামত থকা মিচিংসকলৰ  নৈপৰীয়া শাৰী শাৰী চাংঘৰ, ভাষা, সাজ-পোছাক, খাদ্যাভ্যাস ইত্যাদিয়ে সুকীয়া নৃ-গোষ্ঠীয় পৰিচয় দাঙি ধৰিছে।

মিচিং জনগোষ্ঠীৰ মহিলাসকল অতি কৰ্মী আৰু নিৰ্জু প্ৰকৃতিৰ। পুৱা শুই উঠাৰে পৰা নিশা অন্ন গ্ৰহণ কৰা সময়লৈকে তেওঁলোকৰ কামৰ কোনো বাছ-বিচাৰ নাথাকে। মিচিং জনগোষ্ঠীয় লোকসকলে প্ৰধানকৈ গাহৰি, কুকুৰা, হাঁহ আদি পালন কৰা দেখা যায়। পুৱা শুই উঠি নাৰীসকলে গাহৰি, কুকুৰা, আদিক দানা দি গৃহস্থৰ বাবে, পৰিয়ালৰ বাবে আহাৰ প্ৰস্তুত কৰে। তেওঁলোক প্ৰধানকৈ খেতিৰ ওপৰত নিৰ্ভৰশীল। খেতি-বাতিৰ কাম, নিজৰ কাম কাজৰ মাজতে মহিলাসকলে সময় উলিয়াই বয়ন শিল্পৰ কামো

অতি নিয়াৰিকৈ কৰা দেখা যায়। মিচিং নাৰীসকলে বয়ন শিল্পৰ ক্ষেত্ৰত অতীজৰে পৰা এক বিশেষ স্থান দখল কৰি আহিছে। বয়ন শিল্পৰ ক্ষেত্ৰত তেওঁলোকৰ নিপুণতা, ৰুচিবোধ বিভিন্ন ধৰণৰ পোছাকবোৰত আমি দেখিবলৈ পাওঁ। মিচিং নাৰীসকলে কপাহ ধুনি কাটি প্ৰয়োজনীয় বস্তুসমূহ তৈয়াৰ কৰি ৰঙা, ক'লা, বগা যুক্ত এগে গাচৰ, ৰিবি গাচেং (মহিলাৰ সাংস্কৃতিক মেখেলা চাদৰ), দুমৌৰ (গামোচা), চৌগৰৌগ, গেৰ (মিচিং বিবাহিত নাৰীসকলে বুকু আৰু কঁকাল ঢকাকৈ মেৰিয়াই পিন্ধা ৰঙীন কাপোৰ) আদি পৰম্পৰাগত সাজ-পাৰ নিজে তৈয়াৰ কৰি লয়।



মিচিং জনগোষ্ঠীয় নাৰীসকল নিজা কৃষ্টি-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে অসমীয়া সংস্কৃতিক আঁকোৱালি লৈ শিক্ষা-দীক্ষা, চাকৰি, ব্যৱসায় সকলো ক্ষেত্ৰতে আগুৱাই গৈছে।

সহায়ক গ্ৰন্থঃ

১) বৰুৱা, গোপাল ঃ 'মিচিং জনজাতিৰ জীৱন ধাৰণ আৰু নাৰীৰ কৰ্ম পৰিচয়', বিনায়ক অফচেট শংকৰমন্দিৰ পথ, শিৱসাগৰ অসম, ২০১৩

# অসমৰ অন্যতম লোক উৎসৱ ‘ভেকুলী বিয়া’

✍ গায়ত্ৰী গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

অসমীয়া লোক-সংস্কৃতি বৈচিত্ৰ্যময়। নানা ধৰণৰ ৰীতি-নীতি, বিশ্বাস, কিংবদন্তি, উৎসৱ অনুষ্ঠান আদিয়ে বৈচিত্ৰ্যময় অসমীয়া লোক-সংস্কৃতি গঢ়ি তুলিছে।

খৰাং বতৰত বৰষুণৰ কামনাৰে অসমীয়া লোকসমাজত প্ৰচলিত এক জনপ্ৰিয়



লোকাচাৰ হ'ল- ‘ভেকুলী বিয়া’। আমাৰ সমাজত এক বিশ্বাস আছে যে ভেকুলী বিয়া পাতিলে আৰু ভেকুলীয়ে টোৰটোৰালে বৰষুণ দিয়ে। এই বিশ্বাসক আধাৰ কৰিয়েই ভেকুলী বিয়া পতা হয়। সাধাৰণতে জেঠ-আহাৰ মাহৰ সময়ত বৰষুণ নহ'লে অসমৰ বিভিন্ন ঠাইৰ কৃষকসকলে ‘ভেকুলী বিয়া’ অনুষ্ঠানৰ আয়োজন কৰে।

একপ্ৰকাৰ মানুহে পতা বিয়াৰ দৰেই ভেকুলী বিয়া পতা হয়। সাধাৰণতে দুখন গাঁৱৰ ৰাইজ একগোট হৈ ভেকুলী বিয়া পাতে। এখন গাঁৱত দৰা আৰু আন এখন গাঁৱত কইনা সজাই লোৱা হয়। কেতিয়াবা একেখন গাঁৱৰে পুখুৰী অথবা ঘৰৰ চুকৰ দুটা ভেকুলী ধৰি আনি দুঘৰ মানুহত দৰা আৰু কইনা থৈ ভেকুলী বিয়া পতা হয়। ভেকুলী বিয়াৰ নিৰ্দিষ্ট দিনটো ধাৰ্য কৰাৰ লগে লগে দুয়োখন গাঁৱৰ ডেকা -গাভৰুৱে ভেকুলী বিচৰাৰ কামত লাগি যায়। দুটা ভেকুলী যোগাৰ হ'লেই বিয়াৰ পৰ্ব আৰম্ভ হয়। অসমীয়া সমাজৰ পৰম্পৰাগত বিবাহ পদ্ধতিৰ সকলো নীতি-নিয়ম ভেকুলী বিয়াত মানিবলৈ চেষ্টা কৰা হয়। জোৰণ দিয়া পৰ্বৰেই ভেকুলী বিয়াৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। নাৰিকলৰ কোটোৰাৰে কাণফুলি, শামুকৰ খোলাৰে নেক্‌লেছ, কাউৰী মণিৰে চেইন, খাৰু, আঁহত গছৰ পাতেৰে মেখেলা-চাদৰ আদি জোৰণ হিচাপে দিয়া হয়। ঠিক তেনেদৰে কইনা ঘৰৰ পৰাও গছৰ পাতেৰে তৈয়াৰ কৰা দৰাৰ সাজ দিয়া হয়।

কইনা আৰু দৰা দুয়োটা ভেকুলীকে দৰা-কইনা সাজেৰে সজায়। তাৰ পাছত দৰা-কইনা ঘৰলৈ যায়। কইনাঘৰৰ চোতালত দৰাক আদৰণি জনোৱা হয়। কইনা ঘৰত দুয়োকে আদৰ কৰাৰ পাছত ৰাইজে আনন্দ-উল্লাস কৰি বৰষুণ কামনা কৰে।

ভেকুলী বিয়াত নাৰীসকলে পৰিৱেশন কৰা বিয়াসমূহত সাধাৰণতে ধেমেলীয়া ধৰণৰ হয়। ভেকুলী বিয়াৰ সৈতে জড়িত হৈ থকা বিশ্বাস অনুসৰি ভেকুলী ইন্দ্ৰদেৱতাৰ পৰম বন্ধু। বিশেষকৈ ইন্দ্ৰৰ পূজা পতা নহয় যদিও ভেকুলী বিয়া পাতিলে ইন্দ্ৰদেৱতা সন্তুষ্ট হৈ বিয়ালৈ আহে বুলি বিশ্বাস আছে। ইন্দ্ৰ ভেকুলী বিয়ালৈ অহাৰ বাবেই তেওঁক বৰুণ দেৱতাই বৰষুণেৰে বিবাহৰ মংগল কামনা কৰে। সেয়ে ভেকুলী বিয়াত ইন্দ্ৰৰ নাম উল্লেখেৰে আয়তীসকলে গায়—

'ৰাম ৰাম ভেকুলী বিয়ালৈ,
ৰাম ৰাম, আহে ইন্দ্ৰদেৱ
ৰাম ৰাম,বতাহ-বৰষুণত তিতিহে,
ইন্দ্ৰ বৰষুণ দিয়া এ।'

ভেকুলী বিয়াত গোৱা নামবোৰ অসমীয়া লোক-সাহিত্যৰ অন্যতম সম্পদ। ড° লীলা গগৈয়ে এই গীতবোৰৰ সম্পৰ্কত 'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা'ত কৈছে— 'ভেকুলী বিয়াৰ নামৰ পৰিমাণ তাকৰীয়া হ'লেও লোক-বিশ্বাসৰ ঐতিহ্য জড়িত কৃষিজীৱী সমাজৰ গীত হিচাপে ইয়াৰ মূল্য বৈশিষ্ট্যপূৰ্ণ।

অসমীয়া কৃষিজীৱী লোকৰ ভেকুলী বিয়াখন যেন গভীৰ বিশ্বাস আৰু আস্থাৰ ভেটিত প্ৰতিষ্ঠিত হৈ আছে। ভেকুলী বিয়া আয়োজনৰ লগত জড়িত কৃষিজীৱী গাঁৱলীয়া সমাজৰ সৰল চহা মনকেই যেন তুলি ধৰে।

সহায়ক গ্ৰন্থপঞ্জী ঃ

১) বৰুৱা, অনিল ঃ 'অসমৰ উৎসৱ', অসমীয়া ভাষা আৰু ছফটৱেৰ বিকাশ কেন্দ্ৰ, গুৱাহাটী, আগষ্ট, ২০১৫

২) ডেকা বুজৰবৰুৱা, পল্লৱী

হাজৰিকা, জ্যোতিৰেখা ঃ 'প্ৰসংগঃ অসমীয়া সাহিত্য আৰু সংস্কৃতি', বনলতা, ডিব্ৰুগড়-১

# টাই আহোমসকলৰ বিবাহ পদ্ধতি ঃ চকলং প্ৰথা

✍ হিমাদ্ৰী শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক।



বৃহত্তৰ অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ ভিতৰত ১২২৮ খ্ৰীষ্টাব্দত অসমলৈ অহা টাই আহোমসকল অন্যতম। অসমৰ বাৰেবৰণীয়া সংস্কৃতিত টাই আহোমসকলৰ অৱদান অতি গুৰুত্বপূৰ্ণ। সুদীৰ্ঘ প্ৰায় ছশবছৰ কাল ৰাজত্ব কৰা টাই আহোমসকলৰ সামাজিক, সাংস্কৃতিক জীৱনৰ নানান উপাদানেৰে অসমৰ সাংস্কৃতিক পথাৰখন উৰ্বৰ হৈ আছে।

টাই আহোমসকলৰ পৰম্পৰাগত বিবাহ পদ্ধতিক 'চকলং প্ৰথা' বুলি কোৱা হয়। টাই আহোম সম্প্ৰদায়ৰ মাজত প্ৰচলিত কেইবা প্ৰকাৰৰো বিবাহৰ ভিতৰত পলুৱাই নিয়া, বৰদিয়া আদি প্ৰথা উল্লেখযোগ্য। বিবাহ কাৰ্যৰ আৰম্ভণিতে সাধাৰণতে দৰা-কইনা দুয়ো

ঘৰতে পছন্দ অনুসৰি কইনা খোজাৰ প্ৰথাৰ প্ৰচলন আছে। কইনা খুজিবলৈ যাওঁতে দৰা ঘৰৰ পৰা সোধনী ভাৰ এখন দিয়াৰ নিয়ম টাই আহোম সমাজত পৰম্পৰাগতভাৱে প্ৰচলন হৈ আহিছে। বিবাহৰ পূৰ্বৰ আনুষ্ঠানিকতাৰ পাছত জোৰোণ দিয়া, দেওবান কৰা, মূৰত তেল দিয়া, গাঁঠিয়ন খুন্দা, ৰিকখন কৰা, আপতাং কৰা আদি ভালেমান অনুষ্ঠান পতাৰ নিয়ম আছে।

চকলং বিবাহ প্ৰথাৰ প্ৰথম গুৰুত্বপূৰ্ণ পৰ্যায়টি হ'ল জোৰোণ দিয়া। জোৰোণৰ বাবে দৰাপক্ষই সাধ্যানুসাৰে কিছু অলংকাৰ, বস্ত্ৰ আদিৰে দুই, তিনি বা পাঁচদিনৰ আগতে গৈ কইনাঘৰত উপস্থিত হয়। দৰাৰ মাক, পৰিয়ালৰ সকলো সদস্যসহ কইনাৰ ঘৰলৈ গৈ এটা মড়লৰ মাজত টেকেলি এটা ৰাখি টাই ভাষাত মন্ত্ৰ 'অফ্ৰা, ম' ফুক চকলং, চিচিম হেউতিম' (হে পৰমেশ্বৰ, কাইলৈৰ বিবাহ মঙ্গল কৰা) বুলি আৰাধনা কৰি ফুল, তিল,



চাউলেৰে সজা মড়লৰ মাজত থকা চাকি গছিলৈ প্ৰণাম জনায়। তাৰপাছত দৰা ঘৰে নিয়া তামোল-পাণৰ শৰাই, আ- অলংকাৰ, কাপোৰ, বয়-বস্তুৰ টোপোলা কইনাপক্ষক প্ৰদান কৰি কইনাক নতুন কাপোৰ পিন্ধাই উৰুলি দি সমাজৰ মাজত বহুৱাই নাম গায়। কইনাৰ সন্মুখত বাঁওহাতে কইনাৰ ঘৰলৈ নিয়া টেকেলি আৰু সোঁহাতে দৰা ঘৰৰ টেকেলিটো ৰাখি কইনাই দৰাৰ টেকেলিটোৰ পৰা মাহ-হালধি বাটি উলিয়াই পুনৰ বাটিটো দৰাঘৰৰ টেকেলিত ভৰাই থয়। দুয়োপক্ষই আহাৰ গ্ৰহণ কৰাৰ পাছত দৰাৰ টেকেলি দৰাৰ ঘৰলৈ ওলোটাই আনে।

নোৱনি অৰ্থাৎ পৰম্পৰাগত স্নান কৰ্ম, যিটো দৰা আৰু কইনাই নিজৰ নিজৰ ঘৰত পালন কৰে। কলপটুৱা আৰু বাঁহৰ কামীৰে কলডিলৰ আৰ্হিৰে নিৰ্মাণ কৰা বেইৰ মাজভাগত তামুলীপীৰাত বহি মাটিমাহ আৰু হালধি সনাৰ লগতে তুলি অনা পানীৰে পৰিয়ালৰ সদস্য আৰু আয়তীসকলে বিয়া নাম গাই দৰা ঘৰত দৰা আৰু কইনা ঘৰত

কইনাক গা ধুৱায়।

বিয়াৰ দুই -এদিনৰ আগত দৰা-কইনা দুয়ো ঘৰতে ন-পুৰুষৰ চাউল খোৱা অনুষ্ঠান আয়োজন কৰা হয়। কইনাঘৰত এই ভোজক কইনাদানৰ ভোজ বোলা হয়। দেওবানৰ আগদিনা দুজন বা তিনি জন মহন, দেওধাই, বাইলুংএ এখন জাকৈ লৈ নৈ- বিল বা পুখুৰীত তামোল-পাণ , চাউল, হাঁহকণীলৈ জলদেৱতাক 'খাওথাম'ক পূজা কৰি তিনি খেও জাকৈ মাৰি পোৱা মাছেৰে দৰা- কইনা দুয়ো ঘৰতে দোকমোকালিতে মাছ ৰান্ধি খুওৱা হয়। হ'ব লগা সংসাৰখনৰ আয়ুস বৃদ্ধি আৰু মংগল কামনাৰে এই ৰিক্‌খন অনুষ্ঠানৰ আয়োজন কৰা হয়। দেওবানত পুৰোহিতে উপাসনা কৰিবৰ বাবে দৰাঘৰৰ পৰা কইনাঘৰলৈ সাতোটা কলপটুৱাৰ টোপোলাত কটা তামোল, চাউল, লাউ , বাৰখন যুৰীয়া তামোল, বাৰটা কণী, সাজ দি পঠোৱা হয়। ইয়াৰ পাছত দৰা-কইনাক মূৰত তেল দিয়া হয়। ইয়াৰ পাছত দৰা-কইনাক আপতাং পানী কটা মন্ত্ৰৰে গা ধুওৱা হয়। দৰা-কইনাই দুয়োৰে নতুন বস্ত্ৰ পৰিধান কৰে আৰু কইনাৰ ঘৰলৈ যায়। কইনাৰ ঘৰত দৰা উপস্থিত হোৱাৰ পাছত কইনাঘৰীয়া আয়তীয়ে দৈয়ন দিয়ে। দৰাক ৰভা তলিলৈ আনি চকলঙৰ সন্মুখত বহে আৰু তাৰ অলপ পাছতে কইনা আহি দৰাৰ কাযত বহে। মড়লৰ এশ এগছি চাকি আৰু ধূপ ধূনা জ্বলোৱা হয়। ভকতসকলে দৰা কইনাক উদ্দেশ্যি ফুল, চাউল ছটিয়াই আৰু পুৰোহিতে মন্ত্ৰ পাঠ কৰে। চকলঙৰ এটা গুৰুত্বপূৰ্ণ কাম হ'ল কইনাই দৰালৈ হেংদাং আগবঢ়াই নিজৰ ভায়েক, পুত্ৰ আৰু ঐশ্বৰ্য ৰক্ষা কৰিবলৈ সমৰ্থ হ'বৰ বাবে অনুৰোধ কৰে। দৰাই অনুৰোধ ৰক্ষা কৰি প্ৰতিশ্ৰুতি প্ৰদান কৰে। কইনাই দৰাক নতুন কাপোৰ দিয়ে আৰু দৰা কইনাই উভয়ে আঙঠি সলনি কৰি পৰম্পৰাগত নিয়ম পালন কৰে। চকলঙৰ জৰিয়তে বিবাহ কাৰ্য্য সম্পন্ন হোৱাৰ পাছত দৰা-কইনাক ৰাইজে আশীৰ্বাদ দি কুশল কামনা কৰে।

টাই আহোমসকলৰ চকলং এটি আড়ম্বৰপূৰ্ণ অনুষ্ঠান। টাই আহোমসকলৰ মাজত প্ৰচলিত এই প্ৰথা বৰ্তমানেও উজনি অসমৰ বিভিন্ন জিলাত দেখা যায়। আজিৰ এই পৰিবৰ্তনশীল সমাজতো টাই আহোমসকলে স্বকীয় বৈশিষ্ট্যৰে চকলং প্ৰথা জীয়াই ৰাখিবৰ কাৰণে চেষ্টা কৰিছে।

**সহায়ক গ্ৰন্থ ঃ**

১) দাস, অংশুমান ঃ 'অসমৰ বাৰেবৰণীয়া সংস্কৃতি', সৰস্বতী মাৰ্কেট, যশোৱন্ত ৰোড, পানবজাৰ, গুৱাহাটী-১, ডিচেম্বৰ, ২০১৩

# অসমীয়া ভাষা-সংস্কৃতিলৈ অষ্ট্রিকসকলৰ অৱদান

✍ অংকিত্ সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ ক্ষেত্ৰ। ভৌগোলিকভাৱে সংযোগৰ সুচলতাৰ হেতু অতি প্ৰাচীন কালৰপৰাই বিভিন্ন সময়ত বিভিন্ন প্ৰজাতিৰ মানুহ অসমলৈ প্ৰব্ৰজন কৰিছিল। এওঁলোকৰ ভিতৰত অষ্ট্ৰিকভাষীসকলেই প্ৰাচীনতম। 'অষ্ট্ৰিক' শব্দটো লেটিন ভাষাৰ 'Auster' শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল- 'দক্ষিণ দেশীয় মানুহ'। ভাষাতত্ত্ববিদসকলে অষ্ট্ৰিকভাষীসকলক অষ্ট্ৰনেছিয়ান আৰু অষ্ট্ৰ এছিয়াটিক— এই দুটা ভাগত ভাগ কৰি দেখুৱাইছে। অষ্ট্ৰ এছিয়াটিকৰ ভিতৰত আকৌ তিনিটা শাখা আছে। কোল-মুণ্ডা, খাচী-নিকোবৰী আৰু মোন্‌খমেৰ। অষ্ট্ৰিকসকল প্ৰকৃততে পশ্চিম দিশেৰে ভাৰতত প্ৰৱেশ কৰিছিল নে পূব দিশেৰে কৰিছিল, তাৰ সঠিক নিৰ্ধাৰণ এতিয়াও হোৱা নাই। ই এতিয়াও বিতৰ্কমূলক বিষয় হৈয়ে আছে। আনুমানিক খ্ৰীঃপূঃ আঢ়ৈ হাজাৰমান বছৰৰ আগেয়েই এওঁলোকে ভাৰতভূমিত প্ৰৱেশ কৰেহি। ভাৰতত ঘাইকৈ গংগা নদীৰ পাৰত অষ্ট্ৰিক ভাষীসকলে বসতি স্থাপন কৰে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে নদীবাচক 'গঙ্গা' শব্দটো অষ্ট্ৰিকৰ পৰা উদ্ভুত বুলি কৈছে। পছিলুস্কি, ব্লক, চিলভাঁ লেভী, প্ৰবোধচন্দ্ৰ বাগচী, সুনীতিকুমাৰ চট্টোপাধ্যায়, বাণীকান্ত কাকতি আদি পণ্ডিতে সংস্কৃত তথা অসমীয়া ভাষা-সংস্কৃতিত অষ্ট্ৰিকসকলৰ কি দান সেই বিষয়ে আলোচনা কৰিছে। এই প্ৰবন্ধটিত তেওঁলোকৰ গৱেষণাৰ ফচলসমূহকে বুটলি আনি জুকিওৱা হৈছে।

অষ্ট্ৰিকভাষীসকলে অসমত পোন প্ৰথমে পৰ্বতীয়া অঞ্চলত বসবাস কৰিছিল। অসমীয়া ভাষাত পৰ্বত বুজোৱা আৰু পৰ্বতৰ লগত সমন্ধ থকা পাহাৰ, টিলা, টিং, মৈদাম, টিপ শব্দসসমূহেই এই কথা প্ৰমাণ কৰে যে এই শব্দসমূহ অষ্ট্ৰিকৰ পৰা অহা। ড° কাকতিয়ে প্ৰাগ্‌জ্যোতিষ্ (পাহাৰীয়া ঠাই), কামৰূপ কামাখ্যা (পাহাৰত থকা ঠাই, শ্মশানৰ লগত সমন্ধ), তেজপুৰ (সাপৰ ঠাই) আদি নামৰ মূলতে অষ্ট্ৰিক বুলি বিচাৰ-বিশ্লেষণ কৰি দেখুৱাইছে। স্থান নিৰ্দেশক– -তা, -তে, -তু, -তেক, -তিবা, -তোক অষ্ট্ৰিক প্ৰত্যয়াংশৰে অসমৰ বহু ঠাই নামকৰণ হৈছে। যেনে- চামতা, বকতা, ধৰমতুল ইত্যাদি। পানী বুজোৱা– -হো, -হোং, -ওং, -তয়, -তিহু, -দু আদি প্ৰত্যয়ৰে অসমৰ বহুতো নদীৰ নাম হৈছে। যেনে- টিহু, টিগাম, তিব্বত, দিহাং, দিক্ৰং, তিৰাপ ইত্যাদি। অসম আৰু বঙ্গদেশত 'কুৰি' হিচাপে বস্তু গণনাৰ যি ৰীতি আছে, সেই ৰীতি আৰু সংখ্যাবাচক 'কুৰি'

শব্দ অষ্ট্ৰিক মূলৰেই। কুৰিৰ লগতে ‘পোণ’ আৰু ‘গণ্ডা’ হিচাপে গণনা কৰাৰ নিয়মো অষ্ট্ৰিকসকল পৰায়েই আহিছে। মুঠন (কিলাকুটিৰ পৰা মুঠিলৈকে) হিচাপে দীৰ্ঘতাৰ জোখো অষ্ট্ৰিকসকলৰেই।

অষ্ট্ৰিক সংস্কৃতি মূলতঃ গাঁওমুখী কৃষি সংস্কৃতি। অসমৰ কৃষি সভ্যতাৰ মূলতে হৈছে অষ্ট্ৰিক ভাষীসকল। পছিলুস্কিয়ে নাঙ্গল শব্দটো অষ্ট্ৰিকৰ পৰা পোৱা বুলি কৈছে। বৰ্তমান অসমৰ পৰ্বতীয়া জনজাতিসমূহে কৰা ঝুম খেতিৰ প্ৰথাও অষ্ট্ৰিকৰে দান। কাকতিৰ মতে, জহা ধান অষ্ট্ৰিকৰ পৰা আহিছে। ধানৰ বাহিৰেও অষ্ট্ৰিকসকলে কল, বেঙেনা, লাও, তামোল, নাৰিকল, হালধি, আদা, কচু আৰু কাঠআলুৰ খেতি কৰিছিল। এই শব্দসমূহো অসমীয়া ভাষাই অষ্ট্ৰিকসকলৰ পৰায়েই গ্ৰহণ কৰিছে। তদুপৰি অসমীয়া মানুহে খাদ্য বা শাক-পাচলি হিচাপে ব্যৱহাৰ কৰা মেচাকি, মেজেঙা, নেফাফু, থেকেৰা, লফা, ঔ, মছন্দৰী ইত্যাদি গছ-বনবোৰৰ নাম অষ্ট্ৰিক মূলৰ যেনেই লাগে। ইন্দো-ইউৰোপীয় ভাষীৰ মাজত তামোলৰ ব্যৱহাৰ নাই। তামোলৰ লগত ইন্দো-চীন লোকৰহে সম্পৰ্ক আৰু ইয়াৰ লগত অষ্ট্ৰিক-সভ্যতা ওতপ্ৰোতভাৱে জড়িত হৈ আছে।

কপাহৰ খেতি আৰু কপাহৰ সূতা কটা প্ৰথাও অসমীয়া সংস্কৃতিয়ে অষ্ট্ৰিকসকলৰ পৰায়েই গ্ৰহণ কৰা। অসমৰ জনজাতিৰ মাজত তাঁতশালৰ যি বহুল প্ৰচাৰ তাৰ মূলতে এই অষ্ট্ৰিকসকলৰ প্ৰভাৱ। আঁচুসূতা, কিংখাপ অষ্ট্ৰিকসকলৰেই দান। খেতি-বাতিৰ বাহিৰেও অষ্ট্ৰিক ভাষীসকলে চিকাৰ আৰু পশুপক্ষী পালন কৰি জীৱন নিৰ্বাহ কৰিছিল। অষ্ট্ৰিক-ভাষীসকলেই প্ৰথমে কুকুৰক পোহ মনায়, লুইতৰ পাৰত হাতীক ঘৰচীয়া কৰে। অষ্ট্ৰিকসকলে চিকাৰ কৰা অন্য জন্তুৰ ভিতৰত গণ্ডাৰ, মেথোন, ভুৰা, কেৰ্কেটুৱা, জহামাল, হেপা, কুকুৰনেচীয়া, ঢেকীয়া-পটীয়া, লতা-মাকৰী, লতা-ফুটুকী, নাহৰ-ফুটুকী, ৰাং-কুকুৰ, টিয়া-ভাটৌ, কামচৰাই আৰু কপৌ আদিয়েই প্ৰধান। অসমীয়া ভাষাত প্ৰচলিত এই আটাইবোৰ শব্দ অষ্ট্ৰিকৰ পৰা আহিছে। কোদো, কুমজেলেকুৰা, তেজ্‌পিয়া, চিকৰা, উঁই আদিও অষ্ট্ৰিকভাষীয়ে দিয়া নাম। তেওঁলোকেই বনৰীয়া কুকুৰাক ঘৰচীয়া কৰে আৰু সেই কুকুৰাক দেৱদূত বুলি মান্য কৰি পূজাও কৰিছিল। চিকাৰৰ সঁজুলি বাণ, ধনু, নিচান, বাটলুগুটি মূলতে অষ্ট্ৰিকসকলৰ দান। বিভিন্ন প্ৰকাৰৰ দা অষ্ট্ৰিকসকলৰ চিকাৰৰ অন্যতম সম্বল। জুটি পাতি চৰাই ধৰাৰ প্ৰণালীও সেই অষ্ট্ৰিকসকলৰেই।

যান-বাহনৰ কাৰণে অষ্ট্ৰিকসকলে ঘাইকৈ গোট কাঠৰ নাও ব্যৱহাৰ কৰিছিল। ভুৰ, ভেল, ডিঙ্গা আদি পানীত চলোৱা বিভিন্ন বাহন অষ্ট্ৰিক ভাষীয়েই প্ৰথমে উলিয়াইছিল বুলি অনুমান কৰা হয়। হোলোঙাৰে কান্ধত বস্তু কঢ়িয়াবলৈও তেওঁলোকেই শিকাইছিল। বাঁহৰ ব্যৱহাৰ অসমীয়া সংস্কৃতিয়ে অষ্ট্ৰিকসকলৰ পৰাই গ্ৰহণ কৰিছে। অসমীয়াত প্ৰচলিত বাঁহৰ লগত সমন্ধ থকা কঁটলা, জেং, টোকোন, বাও ইত্যাদি শব্দসমূহে সেই কথাকেই সূচায়। চেলাউৰি, গোৰোহা, কোঙা, টেকেলা, চফল আদি শৰীৰৰ অংগ বুজোৱা অথবা

তাৰ লগত সমন্ধ থকা শব্দবোৰ অষ্ট্ৰিকভাষীৰ। অসমীয়া ভাষাত প্ৰৱেশ কৰা খং, হাতীপটী ইত্যাদি শব্দৰ পৰা অষ্ট্ৰিকসকলৰ মানসিকতা, বুদ্ধি-বৃত্তি আৰু জ্ঞানৰ পৰিচয় সমন্ধে অনুমান কৰিব পাৰি।

বৰ্তমান অসমীয়া ভাষাত প্ৰচলিত যিবোৰ শব্দৰ সমাৰ্থক শব্দ বা মূল সংস্কৃতত বিচাৰি পোৱা নাযায়, নতুবা তেনে শব্দ কাষৰীয়া মঙ্গোলীয় ভাষাবোৰতো নাই, সেই শব্দৰ সৰহভাগেই অষ্ট্ৰিকভাষীসকলৰ পৰা অৱদান বুলি ভাৱিবলৈ থল আছে। হোলোং, পমা, উৰিয়াম, বিৰিং, চাকলাই, থৈলাঙনি, ফাকডেমা, ভাতঘিলা, শলখ ইত্যাদি গছৰ নামবোৰো অষ্ট্ৰিকসকলৰেই দান। অসমীয়া খেল-ধেমালিৰ ভিতৰত লাটুম ঘূৰোৱা আৰু ঢোপ খেল যে অষ্ট্ৰিকৰ পৰায়েই আহিছে সি অতি ধুৰুপ। অসমীয়া সামাজিক আৰু ধৰ্মীয় জীৱনতো অষ্ট্ৰিকসকলৰ দান আঙুলি মূৰত লেখিব পৰা নহয়।

অসমৰ পৰ্বত-ভৈয়াম উভয়তে সাংস্কৃতিক জীৱনৰ দীঘে-বাণিয়ে অষ্ট্ৰিকৰ উপাদান উপচি আছে। ঘাইকে মঙ্গোলীয় সংস্কৃতিত ইয়াৰ প্ৰভাৱ অধিক। অষ্ট্ৰ-মঙ্গোলীয় সংস্কৃতিৰ উৰ্বৰতাই পাছৰ যুগত কোবাল আৰ্য সংস্কৃতিৰ সিৰে-সিৰে সোমাই সমন্বয়ৰ সৌধ গঢ় দি তোলে। অসমৰ গ্ৰাম্য আৰু কৃষি সংস্কৃতি মূলতঃ উৰ্বৰা আৰু বিশ্বাসৰ সংস্কৃতি। এই বিখ্যাত মতবাদৰ বাটকটীয়া হ'ল অষ্ট্ৰিকসকল। অষ্ট্ৰিকসকলে সিঁচি থৈ যোৱা সংস্কৃতিৰ কঠীয়াতলীতে পাচৰ যুগৰ আৰ্য, দ্ৰাবিড়, মঙ্গোলীয়সকলে খেতি কৰি নতুনত্বৰ সৃষ্টি কৰে।

মুঠতে ক'ব পাৰি যে অসমীয়া ভাষা-সংস্কৃতিৰ সৌধ নিৰ্মাণত অষ্ট্ৰিকসকলে যি অৱদান আগবঢ়ালে তাক অসমীয়াভাষীয়ে কোনো কাৰণতে কোনো কালে অস্বীকাৰ কৰিব নোৱাৰে। অসমীয়া ভাষা-সংস্কৃতিক সমৃদ্ধিশালী কৰা অষ্ট্ৰিকসকলৰ আৰু বহুতো অৱদান প্ৰবন্ধটিৰ বাহিৰ চোতালতে ৰৈ গ'ল।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) গগৈ, লীলা ঃ 'অসমৰ সংস্কৃতি', বনলতা প্ৰকাশন, একাদশ সংস্কৰণ, ২০১৭

২) গোস্বামী, উপেন্দ্ৰনাথ ঃ 'ভাষা-বিজ্ঞান', মণি-মাণিক প্ৰকাশন, ষষ্ঠবিংশতিতম্ সংস্কৰণ, ২০১৯

৩) ফুকন পাটগিৰি, দীপ্তি ঃ 'ভাষাতত্ত্ব', বনলতা প্ৰকাশন, ষষ্ঠ সংস্কৰণ ঃ ছেপ্টেম্বৰ, ২০১২

৪) বৰুৱা, বিৰিঞ্চিকুমাৰ ঃ 'অসমীয়া ভাষা আৰু সংস্কৃতি', জাৰ্ণাল এম্প'ৰিয়াম, দশম সংস্কৰণ, মে', ২০১১

৫) শৰ্মা, গিৰিধৰ (সম্পা.) ঃ 'অসমীয়া জাতিৰ ইতিবৃত্ত', অসম সাহিত্য সভা, চতুৰ্থ প্ৰকাশ, জুলাই, ২০১১

# ইতিহাস প্ৰসিদ্ধ চৰাইদেউ আৰু ইয়াৰ পৰিৱেশ

✍ অনিন্দিতা মহন্ত
স্নাতক তৃতীয় ষাণ্মাসিক



ভাৰতবৰ্ষৰ অসম ৰাজ্যৰ উজনিত অৱস্থিত এখন ঐতিহাসিক জিলা হৈছে শিৱসাগৰ। ছশ বছৰীয়া আহোম ৰাজবংশৰ শাসনকালৰ সাক্ষী হোৱা এই জিলাখনত অলেখ স্থাপত্য, ভাস্কৰ্য, মৈদাম, পুখুৰী, গড়, আলিবাট সিঁচৰতি হৈ আছে। ঐতিহাসিক শিৱসাগৰ জিলাৰ বিভিন্ন উল্লেখযোগ্য ঐতিহাসিক স্থানসমূহৰ ভিতৰত চৰাইদেউ অন্যতম।

সম্প্ৰতি চৰাইদেউ অসমৰ এখন নকৈ গঠন কৰা জিলা। ২০১৫ চনৰ ১৫ আগষ্টত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈদেৱে শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাক আন চাৰিখন মহকুমাৰ সৈতে জিলা ৰূপে ঘোষণা কৰে।

সোণাৰি নগৰৰ পৰা প্ৰায় ২০ কিলোমিটাৰ নিলগত অৱস্থিত চৰাইদেউ নামৰ উৎপত্তি টাই ভাষাৰ চে-তাম-ডয় পৰা হৈছে। লিখিত আছে যে স্বৰ্গদেউ চ্যাও-লুং-চ্যুকাফাই পাটকাই পাহাৰ বগাই চৰাইদেউত বাহৰ পাতিছিল। চৰাইদেউ সৌন্দৰ্যত মোহগ্ৰস্থ হৈ চাও-লুং-চ্যুকাফাই চে-তাম-ডয় নামাকৰণ কৰি ৰাজধানী পাতিছিল। যাৰ অৰ্থ আছিল পাহাৰৰ পাদদেশৰ চহৰ। 'চে' ৰ অৰ্থ হৈছে চহৰ, 'তাম' ৰ অৰ্থ হৈছে পাদদেশ আৰু 'ডয়' ৰ অৰ্থ হৈছে পাহাৰ অৰ্থাৎ পাহাৰৰ পাদদেশৰ চহৰ। চৰাইদেউ শব্দটোক আহোম ভাষাত দুটা অৰ্থত প্ৰকাশ কৰা হয়। তাৰে প্ৰথমটোৰ অৰ্থ মতে 'চে-ৰাই-ডয়' অৰ্থাৎ 'চে' মানে নগৰ, 'ৰাই' মানে জিলিকি থকা আৰু 'ডয়' মানে পৰ্বত অৰ্থাৎ জিলিকি থকা পৰ্বতীয়া নগৰ। আনটো শব্দৰ অৰ্থ 'চে' মানে নগৰ 'ৰা' মানে চুতীয়া আৰু 'দেউ' মানে পৰ্বত অৰ্থাৎ চুতীয়া সকলৰ দেৱতাৰ পৰ্বতীয়া নগৰ। কিন্তু অন্য এক অৰ্থ মতে প্ৰথম আহোম স্বৰ্গদেউ চ্যু-কা-ফাই নিজৰ উপাস্য দেৱতাক সন্তুষ্ট কৰিবৰ বাবে ঢাক-ঢোল বজাই নুনী গছৰ তলত নিজৰ মৰমৰ শুকুলা ঘোঁৰাটো লেংদন ইন্দ্ৰদেৱতাৰ উদ্দেশ্যে বলি দিছিল।

নগা পাহাৰৰ নামনিত থকা এই ঐতিহাসিক চৰাইদেউ ১২৫৩ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা হৈছিল। এই চৰাইদেউ আহোম ৰাজত্বৰ প্ৰথমখন ৰাজধানী আছিল। এই নগৰৰ পূব দিশে আছে নিমনাগড়, পশ্চিম দিশে আছে ৰাজগড়, উত্তৰ দিশে আছে নিমনাগড় আৰু দক্ষিণ দিশে আছে লাহদৈগড়। পূৰ্বতে এই নগৰখনৰ দীঘে-বহলে প্ৰায় দহ-বাৰ মাইল এলেকা জুৰি বিস্তৃত হৈ আছিল। ইয়াত আহোমসকলে প্ৰথম ৰাজধানী স্থাপন কৰাৰ আগত বৰাহীসকলে ৰাজত্ব কৰিছিল ত্ৰয়োদশ শতিকাত বৰাহী ৰজা থামিৰ্থুমাৰ উদাৰতাত সমন্বয়ৰ বৰ অসম আৰু বৃহৎ অসমীয়া জাতিৰ ভেঁটি সুদৃঢ় কৰিছিল স্বৰ্গদেউ চাওলুং চ্যুকাফাই। আহোমসকলে ইয়াত কুকুৰা চৰাই কাটি দেও চৰোৱাৰ বাবেই এই ঠাইৰ নাম চৰাইদেউ হয় বুলিও পোৱা যায়। অন্য কিছুমান সূত্ৰ অনুসৰি বৰাহীসকল বিষ্ণু পন্থী আছিল আৰু এই ঠাইত গড়ুৰবাহী বিষ্ণুৰ থান আছিল বাবে ঠাইখনৰ নাম চৰাইদেউ হয়।

চৰাইদেউ এসময়ত আহোম ৰাজত্বৰ স্নায়ুতন্ত্ৰ আছিল। ইয়াত থকা মন্দিৰত মূৰ দোৱাই, দেওধাই-বাইলুংৰ আশীৰ্বাদ লৈ স্বৰ্গদেউসকলে ৰাজ্য শাসনৰ পাতনি মেলিছিল। এই চৰাইদেউ পাহাৰতে আহোম স্বৰ্গদেউসকলক মৈদাম প্ৰথাৰে সৎকাৰো কৰা হৈছিল। চৰাইদেউ পাহাৰত দুকুৰি দুজনা আহোম স্বৰ্গদেউৰ মৈদাম আৰু অনেক কোঁৱৰ-কুঁৱৰীৰ সৰু-বৰ মৈদাম থকা কথা জনা যায়। বৰ্তমান পুৰাতত্ত্ব বিভাগে কেইটামান মৈদাম পৰিষ্কাৰ কৰি পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰি তুলিছে ।

চৰাইদেউ নগৰ আৰু নগা পাহাৰৰ মাজত 'ৰণখাম' আৰু 'চুনখাম' নামৰ দুখন সৰু নগৰ আছিল। ৰণখাম অৰ্থ হ'ল সোণালী ধানেৰে পৰিপূৰ্ণ ৰাজকীয় পথাৰ আৰু চুনখামৰ

অৰ্থ হ'ল সোণালী বাগিচা। এতিয়াও চৰাইদেউ অঞ্চলত অটব্য হাবি আৰু সুস্বাদু ফল-মূলৰ গছ-গছনি দেখা যায়।

বৰ্তমান য'ত চণ্টক বজাৰ বহে তাতে আহোম ৰাজত্বৰ কালত এখন হাট বহিছিল। এই হাটখনক ৰমণী হাট বুলিছিল। নগা পাহাৰৰ পৰা নগা আহি এই হাটতে বেহা-বেপাৰ কৰিছিল।

চৰাইদেউ সমন্বয়ৰ এক পবিত্ৰভূমি। এই ঠাইখন অতি মনোমোহা ঠাই। ইয়ালৈ বহু দূৰ-দূৰণিৰ মানুহে চাবলৈ অহাৰ লগতে মানুহবোৰে চৰাইদেউ কাষত থকা পাহাৰখনত বনভোজ খাবলৈও আহে। ইয়াত বনভোজ খাবলৈ আহোঁতে যিবিলাক সা-সামগ্ৰী, বস্তু-বাহানি লৈ আহে সেইবোৰ তেওঁলোকে পথাৰত পেলোৱাৰ ফলত সেই ঠাইৰ পৰিৱেশ নষ্ট হৈছে। তাৰ লগতে চৰাইদেউ মৈদামৰ ওপৰত আৰু য'ত ত'ত বিভিন্ন বস্তু বিশেষকৈ প্লাষ্টিক, পলিথিন আদি পেলাই পৰিৱেশটো যাতে লেতেৰা কৰিব নোৱাৰে তাৰ বাবে সকলো সজাগ হোৱা উচিত।

বৰ্তমান অসম চৰকাৰে চৰাইদেউক এখন উচ্চ পৰ্যটনস্থলীলৈ পৰিণত কৰিবলৈ যথেষ্ট পৰিকল্পনা হাতত লৈছে যদিও সেয়া পৰ্যাপ্ত নহয়। তদুপৰি বৰ্তমান পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাত ইয়াৰ চাৰিওফালৰ পৰিৱেশৰ সুস্থতাৰ ওপৰতো এক প্ৰশ্নবোধক আহি পৰিছে। ঐতিহাসিক চৰাইদেউৰ গৰিমা অব্যাহত ৰাখিবলৈ প্ৰথমে এক সুস্থ মানসিকতাৰ প্ৰয়োজন। এই গৰিমা অক্ষুণ্ণ ৰাখিবলৈ আমি সকলোৱে চেষ্টা কৰিলেহে সফল হ'ব পাৰিম।

**সহায়ক গ্ৰন্থ ঃ**

১) গগৈ প্ৰেম ঃ 'শিৱসাগৰ', কলঞ্চু প্ৰকাশন, ২০১২

# 'এপ্ৰিল ফুল'

✍ গৌতম দত্ত
স্নাতক তৃতীয় ষাণ্মাসিক




বছৰটোৰ বিশেষ এটা দিনত আমি প্ৰায় সকলোৱে আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱীক মিছা কথা কৈ কেনেকৈ আচৰিত কৰিব পাৰোঁ এই বিষয়ে বিভিন্ন পৰিকল্পনা কৰোঁ। কেতিয়াবা এনে মিছা কথাই বহুতকে বিপদতো পেলায়। এই বিশেষ দিনটোৱেই হৈছে ইংৰাজী মাহৰ ১ এপ্ৰিল। ১ এপ্ৰিলৰ দিনানো কিয় মিছা কথা কোৱা হয় এই সম্পৰ্কে বিভিন্ন মত পোৱা যায়।

এপ্ৰিল মাহৰ উৎপত্তিৰ বিষয়ে ক'বলৈ যাওঁতে দুইধৰণৰ মত বেছিকৈ পৰিলক্ষিত হয়। এচামৰ মতে, এপ্ৰিল শব্দটো আহিছে 'এই পিলিছ' শব্দৰ পৰা। আন এচামৰ মতে, এপ্ৰিল শব্দটো আহিছে 'এপেৰিৰ' শব্দৰ পৰা। দুয়োটা শব্দই লেটিন ভাষাৰ। 'এপেৰিৰ' অৰ্থ হৈছে 'মেল খোৱা'। এপ্ৰিল মাহৰ সময়ছোৱাত বসন্ত ঋতুৰ আগমন ঘটে। গছ-বনত ন-কুঁহিপাত মেলাৰ লগে লগে প্ৰকৃতি ৰাজ্য ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে, ফুলৰ সুৰভিয়ে চৌদিশ আমোল-মোলায়। এই 'এপেৰিৰ' শব্দৰ পৰাই 'এপ্ৰিল' মাহৰ উৎপত্তি হ'ল বুলিব পাৰি।

আন এচামৰ মতে, ষষ্ঠদশ শতিকাৰ মাজভাগত ফ্ৰান্সৰ ৰজা আছিল চাৰ্লছ। সেই সময়ত ফ্ৰান্সৰ বছৰ গণনা কৰা হৈছিল এপ্ৰিল মাহৰ প্ৰথমটো দিনৰ পৰা অৰ্থাৎ ১ এপ্ৰিলৰ

দিনটো বছৰৰ প্ৰথম দিন হিচাপে ফ্ৰান্সবাসীয়ে ৰং-ৰহইচ্ কৰিছিল। সেই সময়ত ফ্ৰান্সত বছৰৰ প্ৰথম দিনা অৰ্থাৎ ১ এপ্ৰিলৰ দিনা ফ্ৰান্সৰ প্ৰতিজন প্ৰজাই ৰজাক নৱবৰ্ষৰ উপহাৰ দিয়াৰ প্ৰথা আছিল। উপহাৰ নিদিয়াজনক শাস্তি বিহা হৈছিল।

কিন্তু ১৫৬৪ চনৰ ১ এপ্ৰিলৰ দিনা কথাটো সুকীয়া হ'ল। ফ্ৰান্সৰ প্ৰজাই যেতিয়া হাতে হাতে উপহাৰ লৈ ৰাজপ্ৰসাদলৈ আহিছিল, তেতিয়া ৰজা চাৰ্লছে ঘোষণা কৰিলে যে "ফ্ৰান্সত আজিৰ পৰা জানুৱাৰী ১ তাৰিখৰ পৰাহে নতুন বছৰ আৰম্ভ হ'ব।" ৰজাৰ কথা শুনি প্ৰজাই খণ্ডত বিক্ষোভ আৰম্ভ কৰিলে। প্ৰজাৰ বিক্ষোভ দেখি ৰাজপ্ৰসাদৰ কৰ্মচাৰী এজন আগবাঢ়ি আহি উত্তেজিত জনতাক উদ্দেশ্যি ক'লে "ৰাইজ আপোনালোক শান্ত হওক। ৰজাই আপোনালোকৰ মঙ্গলৰ বাবেহে এনে আদেশ ঘোষণা কৰিছে। ১ জানুৱাৰী বছৰৰ প্ৰথম দিন হ'ব। কিন্তু সেইদিনা ৰজাৰ বাবে উপহাৰ নিদিলেও হ'ব।" তেতিয়া প্ৰজাসকলে ভাবিলে, তেওঁলোকে ৰজাৰ বিৰুদ্ধে থিয় দি মূৰ্খামিহে কৰিলে। ৰজা চাৰ্লছে প্ৰত্যেককেই মূৰ্খ কৰি পেলালে। সেই মৰ্মে ১৫৬৪ চনৰ ১ এপ্ৰিল দিনটোৰ পৰা 'April fool' (এপ্ৰিল ফুল), 'fool' অৰ্থাৎ মূৰ্খৰ দিন হিচাপে পৰিগণিত হয়।

প্ৰচলিত আন এক মত অনুসৰি ষোল্লশ শতিকাত বিশ্বত 'জুৰীয়ান কেলেণ্ডাৰ' নামে এখন কেলেণ্ডাৰ প্ৰচলিত আছিল। এই কেলেণ্ডাৰ অনুসৰি বিশ্বৰ প্ৰায়ভাগ লোকে সেই সময়ত মাৰ্চ মাহৰ শেষ আৰু এপ্ৰিল মাহৰ প্ৰথম ভাগত নৱবৰ্ষ উদ্‌যাপন কৰিছিল। অৰ্থাৎ বসন্ত ঋতু আগমনৰ ঠিক আগে আগে নৱবৰ্ষ উদ্‌যাপন কৰা এক পৰম্পৰা প্ৰচলিত আছিল। কিন্তু ঠিক সেই সময়তে প'প গ্ৰেগ'ৰিনে 'গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ' নামৰ এখন কেলেণ্ডাৰ উদ্ভাৱন কৰিছিল। গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ অনুসৰি তেওঁ এপ্ৰিল মাহত নৱবৰ্ষ উদ্‌যাপন কৰা পৰম্পৰাটো সম্পূৰ্ণৰূপে ভাঙি পেলাইছিল। তেখেতে কৈছিল যে জানুৱাৰী মাহৰ প্ৰথম ভাগতহে নৱবৰ্ষ উদ্‌যাপন কৰিব লাগে। কিন্তু এই কথা বিশ্বৰ বহুভাগ লোকে গ'ম পোৱা নাছিল আৰু তেওঁলোকে জুৰীয়ান কেলেণ্ডাৰত উল্লেখ থকা মতেই এপ্ৰিল মাহৰ প্ৰথম ভাগতে নৱবৰ্ষ উদ্‌যাপন কৰিছিল। তেতিয়া ফ্ৰান্সে গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ অনুসৰণ কৰিবলৈ আদেশ জাৰি কৰিছিল আৰু যিসকলে এপ্ৰিলৰ প্ৰথম ভাগত নৱবৰ্ষ পালন কৰিছিল তেওঁলোকক 'fool' (ফুল) অৰ্থাৎ মূৰ্খ বুলি অভিহিত কৰিছিল। সেই অনুসৰি এপ্ৰিল মাহৰ প্ৰথম দিনটোক 'এপ্ৰিল ফুল' হিচাপে জনা যায়।

ষোল্লশ শতিকাৰ বিখ্যাত ইংৰাজী লেখক জিয়'ফ্ৰী চ'চাৰৰ 'দ্য ক্যানটাৰবেৰি টেল্‌ছ'ত প্ৰকাশিত এটি জনপ্ৰিয় কাহিনী অনুসৰি ইংলেণ্ডৰ ৰজা ৰিচাৰ্ড আৰু ব'হেমিয়াৰ ৰাণী এন্নীৰ মাজত বিবাহৰ দিনটো ৩২ মাৰ্চ তাৰিখে ধাৰ্য্য কৰা হৈছিল বুলি লেখকে

উল্লেখ কৰিছে। সেই দিনটো অৰ্থাৎ ৩২ মাৰ্চ তাৰিখটো সঁচাকৈ আছে বুলি সেই সময়ৰ ৰাইজে বিশ্বাস কৰিছিল আৰু সেই সময়ৰ পৰাই ৩১ মাৰ্চৰ পিছৰটো দিন অৰ্থাৎ ১ এপ্ৰিল তাৰিখটো বুৰ্বকৰ দিন নাইবা মূৰ্খৰ দিন হিচাপে পালন কৰি অহা হৈছে।

এনেদৰে দেশভেদে এপ্ৰিল ফুল সম্পৰ্কে বিভিন্ন কথা, বিভিন্ন মত পোৱা যায়। কোনোবাই কয় আলফুলছ ডে'বা, আন কোনোবাই কয় এপ্ৰিল ফুল; দেশ আৰু জাতিভেদে এপ্ৰিল ফুলক বিভিন্ন নামেৰে জনা যায়। সি যি কি নহওক অতীজৰে পৰা ১ এপ্ৰিলৰ দিনা 'এপ্ৰিল ফুল' হিচাপে বিশ্বৰ সকলো দেশত ভিন ভিন নামেৰে উদ্‌যাপন কৰি অহা হৈছে। এই দিনটোত মানুহবোৰে উৰাবাতৰি প্ৰচাৰ কৰি নিৰ্দোষ ধেমালিৰে ইজনে সিজনক মূৰ্খ সজোৱাৰ প্ৰয়াস কৰে, হাঁহি-ধেমালিৰে দিনটো উদ্‌যাপন কৰে।

(লেখাটি প্ৰস্তুত কৰোতে ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।)

# শব্দশিল্প

## জীৱন বাটত

✍ সোণমণি চেতিয়া
স্নাতক প্ৰথম ষাণ্মাসিক

ৰহস্যময় মানৱ জীৱন,
জটিলতাৰে ভৰপূৰ।
খোজে খোজে কেৱল
দুখ-সমস্যাই প্ৰৱল কৰা বাধাৰ প্ৰাচীৰ।
যাক নিঃশেষ কৰা সম্ভৱ আত্মপ্ৰচেষ্টাৰে।
প্ৰাচীৰৰ মাজত সুৰুঙা সৃষ্টি কৰি
যাৰ মাজেৰে আগবাঢ়ি যাব পাৰিম,
আই-পিতাইৰ লক্ষ্য পূৰণৰ বাবে
দুখক সুখলৈ ৰূপান্তৰ কৰি
জীৱন বাটত সফলতাৰ সন্ধান বিচাৰি।

## শংকৰদেৱ

✍ ৰশ্মিতা শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক

হে গুৰু শংকৰদেৱ
বৰদোৱাৰ থানে তুমি জন্ম লভিলা,
বিশৃংখল সমাজক একত্ৰিত কৰি
অসমীয়াক ধৰ্ম জ্ঞান দিলা
কীৰ্ত্তন, দশম, গুণমালা কৰিলা ৰচনা।
আন্ধাৰ বিদূৰ কৰি উজ্জ্বল পোহৰেৰে
নিজকে চিনাকি দিলা মহাপুৰুষ বুলি,
সমগ্ৰ মনুষ্যক দেখুৱালা
তোমাৰ মহান আদৰ্শ।।

## শৰতৰ সন্ধিয়া

✍ দেৱশ্ৰী মহন
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি আহিলে নামে
ধৰিত্ৰীৰ বুকুত
শৰতৰ শাৰদী ৰঙ।
স্নিগ্ধ আকাশৰ বুকুত
ৰঙৰ কিৰিলি পাৰি
চিটিকি পৰে সৰগৰ
পাৰিজাত যেন শেৱালি।
শেৱালিৰ সুগন্ধই ৰাগীয়াল কৰি তোলে
সন্ধিয়াৰ বতাহ
আৰু
যৌৱনা কৰি তোলে
তৰাফুলীয়া আকাশ।

# গড়গঞা ছাত্ৰী

✍ বন্দিতা কোঁৱৰ
স্নাতক প্ৰথম ষাণ্মাসিক

জ্ঞানৰ মন্দিৰ মোৰ এই
মহাবিদ্যালয়খনি
নাম হ'ল 'গড়গাঁও' প্ৰজ্ঞাৰ থলি,
এই মহাবিদ্যালয়ত ভৰি দিয়েই
আমি গঢ়ি যাম নতুন জীৱন।
শিক্ষাগুৰুৰ আদেশ মানি
মোৰ ছাত্ৰ জীৱন আগুৱাই নিম,
ভৱিষ্যতৰ সুন্দৰ পথে।
হে মোৰ জ্ঞানৰ ভঁৰাল,
তোমাক জনাওঁ শতকোটি প্ৰণাম।
জ্ঞানৰ পূজাৰী মোৰ শিক্ষাগুৰুসকল,
আপোনালোকৰ আদৰ্শ আগত ৰাখি,
আগুৱাই নিম এই মহাবিদ্যালয়খনি।

# অনিশ্চয়তা

✍ আকাশ দেৱনাথ
স্নাতক তৃতীয় ষাণ্মাসিক

মোলৈ উজাই অহা
তোমাৰ প্ৰতিটো খোজে
হৃদয় ব্যাকুল কৰে।
ৰ'দবৰণীয়া
তোমাৰ মিচিকিয়া হাঁহিয়ে
হৃদয়ত আকুল আবিৰ সানে।
ৰিমঝিম বৰষুণ যেন
তোমাৰ এষাৰি মিঠা মাতে
জীৱনৰ বিষাদ মচে।
কিন্তু কিয় জানো
ভয় লাগে কোনোক্ষণত!
সময়ে সলাব নেকি
তোমাৰ সেউজ প্ৰাণক।

# নতুন প্ৰজন্ম তোমাক স্বাগতম

✍ সুপ্ৰিয়া গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

নতুন প্ৰজন্ম স্বাগতম তোমাক
সেউজীয়াৰ সপোন তুমি,
বাৰিষাৰ আপোন তুমি,
নতুন প্ৰজন্ম...
তুমি নিভাঁজ নিকা এটি বীজ,
ৰ'দ-বৰষুণ কাতি কৰি অংকুৰিত হৈছা
জ্ঞানৰ সাৰুৱা মাটিত।

তুমি আগবাঢ়ি যোৱা
য'ত আছে তোমাৰ
সপোন, আশা আৰু ভালপোৱা।
তুমি আগবাঢ়ি যোৱা
য'ত থিয় হৈ
তুমি ক'ব পাৰিবা...
স্বাধীন তুমি
স্বাধীন তোমাৰ দেশ মাতৃ।
নতুন প্ৰজন্ম তুমি থমকি নৰ'বা
তুমি থমকি ৰ'লে
ভৱিষ্যতক কি ক'বা...!
আগবাঢ়া
পোহৰ আৰু জ্ঞানৰ দেশলৈ বুলি।

# বন্ধুত্ব

✍ অনিন্দিতা মহন্ত
স্নাতক তৃতীয় ষাণ্মাসিক

বন্ধুত্ব এক মধুৰ শব্দ,
বিশ্বাস, ভালপোৱা, ঠেহ্, অভিমানৰ
সৰু সৰু টোপোলাৰে ভৰা
এক মিঠা অনুভৱ।

সঁচা বন্ধু যেন গাৰ ছাঁ
সঁচা বন্ধু ভালপোৱাৰ এচাটি সুগন্ধি বা
সঁচা বন্ধু নিঃস্বাৰ্থ, বিপদৰ সাহ।

# জীৱন

✍ কুইন কোঁৱৰ
স্নাতক তৃতীয় ষাণ্মাসিক

জীৱন...
জীৱন কি?
জীৱনৰ প্ৰকৃত ৰং কি?
জীৱনৰ সঁচা অৰ্থ কি?
নাই... মই নাজানো, নুবুজোঁ।
মাথোঁ এই জীৱন নামৰ সাগৰখনত সাঁতুৰিছোঁ।
আকৌ, কেতিয়াবা উটি-ভাহি গৈছোঁ।
হাঁহিবোৰ আপোন কৰিবলৈ শিকিছোঁ,
পোৱা-নোপোৱাৰ মাজেৰেই
পাৰ হৈছে দিনবোৰ।
দুচকুত হাজাৰ সপোন,
মনত দুৰ্বাৰ হেঁপাহ,
এনেকৈয়ে পাৰ হৈছে সময়।
হাঁহি থাকোঁ,
কিজানিবা বেদনাই মেলানি মাগেই।
কেতিয়াবা অনুভৱ কৰোঁ
জীৱন হয়তো এনেকুৱাই বিষাদেৰে ভৰা,
যাক অতিক্ৰম কৰিব লাগে।
য'ত নোপোৱাৰ বেদনা নাথাকে,
তাত পোৱাৰ মাদকতাই বা ক'ত।
নিজৰ কৰ্মৰ আধাৰত পোৱা এই জীৱন...
কোনোবাই দুখৰ ক্ষণ কান্দি কান্দি
অতিক্ৰম কৰে,
আকৌ, কোনোবাই দুখৰ মাজতো হাঁহিব পাৰে,
হয়, এয়াই হয়তো জীৱন।

# এঙাৰ

✍ অংকিত সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক

মোৰ নিভৃত বুকুৰেদি পাৰ হৈ যোৱা
এজাক প্ৰচণ্ড ধুমুহা
দেখা নাই তোমালোকে,
বুজা নাই সেই ধুমুহাৰ উন্মাদনা।
মোৰ পঁজাটিৰ হাওলি পৰা চতিটোও
তোমালোকৰ চকুত পৰা নাই
জটিল হৃদয়! এবাৰতো চোৱা
মোৰ দেহাটি কেনেকৈ
শেঁতা পৰি গৈছে!
তেজবোৰে ডকনা বান্ধিছে
তথাপি যে তাক উম্ দিবলৈ
মোৰ হাতত নিহালীও নাই।
বেৰৰ জলঙাইদি পোহৰ আহিলেও
কৃপণালি কৰি ধূসৰ হৈ আহিছে;
তাকো মোৰ গাত পৰাহি নাই
জুহালত জুই নাই আছে মাথোঁ এঙাৰ।
ধুমুহাই জ্বলা জুই নুমুৱাই গ'ল,
আজাৰৰ তলতে মোৰ ঘৰ
অৰ্থৰেও অতিকৈ নিৰন্ন মই
তাতো কৰেহি মোক ধুমুহাই আমনি।
মই জানো!
মোৰ হলি পৰা ঘৰটিত
তোমালোকে ঠেকা নিদিয়াহি
কিন্তু মই যে সদায় তোমালোকৰেই।

# আহিন

✍ আচফিয়া বেগম
স্নাতক তৃতীয় ষাণ্মাসিক

দুৱাৰ খুলি দেখিলোঁ তোক
আহিন তই আকৌ আহিলি।
নিসংগতাক সাৰথি কৰি
নীৰৱে শুই থকা হৃদয়ক জগালি।
সমুখৰ সেউজী পথাৰখনত
আশা ভৰা কৃষকৰ ধানৰ গোছবোৰত
তই নিয়ৰৰ টোপাল
দাৱনীৰ দুচকুত তই মুকুতাৰে জীপাল।
তোৰ বাৰু কিহৰ বেদনা?
শেৱালি, দূবৰিত যে চকুলোৰ মালা!!
মানুহৰ স্বাৰ্থপৰতাই
কন্দুৱাই নেকি তোকে?
অ' আহিন,
যান্ত্ৰিকতাৰ ৰঙত বিভোৰ আধুনিকা সময়ক
তোৰ বুকুৰ জোনবাইজনীৰ দৰে
স্নিগ্ধ প্ৰেমৰ জোনাক বোৱাই দে'চোন।
আশাই বগোৱা বোৱা শান্তিৰ সোণগুটিৰ
হেঁদালিখন
বুকুৰে বুকুৰে
আঁকি থৈ যাবিচোন আহিন
আঁকি থৈ যাবি।

# বিবর্ণ আবেলি

✍ মাধুৰ্য্য গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক

আজি সম্পূৰ্ণ দুটা বছৰ বাগৰিল।
শুকাই কৰ্কৰীয়া মৰা দুচকুৰ
বিন্দুমাত্ৰ পোহৰৰ বাদে
আৰু একো নাই
মোৰ জীৱন বুলিবলে'।

কুশলে আছনে বোপাই?
মোৰ খবৰ ল'বলৈ তোৰ জানো
সচাঁকৈয়ে আহৰি নাই!!

মই কাষত নাথাকিলে
টোপনি নহা পোনাটোৰ
এতিয়া আহৰি নাই মোৰ বুকুত
এপলক শুবলৈ!
এখন্তেক নেদেখিলেই হাহাকাৰ কৰা
পোনাটোৰ এতিয়া আহৰি নাই
এবাৰ 'মা' বুলি মোৰ হৃদয় জুৰাবলৈ!

বোপাই,
তই ভালপোৱা
মোৰ হাতৰ বৰালি মাছৰ সোৱাদ।
কিমান দিন যে তোক খুৱাবই পৰা নাই।
পিছে, এতিয়াও ভালপাৱনে বোপাই!!

দেউতাৰে গঢ়া আৰু
মই সজোৱা ৰাজকাৰেঙত
তই আছিলি ৰাজকোঁৱৰ...
আৰু মই আছিলোঁ
তোৰ যাদুকৰী পৰী মা।
সমাজৰ আদৰ্শ ব্যক্তি হ'বলৈ শিকনি দিয়া
তোৰ মা'জনীৰ এতিয়া
শোটোৰা পৰা গাৰ ছাল
জঠৰ শৰীৰ, অৱশ মন।
সেয়ে হয়তো মোক তোৰ কাষৰ পৰা
আঁতৰাই পঠিয়ালি,
নহয় নে বোপাই!!

বছৰৰ বিহুটি আহিলে
বুকুখনত শোকে বৰকৈ খুন্দা মাৰি ধৰে।
আপোন ঘৰখনে মোক
হাত বাউল দি মাতে।
কিন্তু মই যে নিৰুপায়
মোৰ হেঁপাহবোৰৰ যে
এতিয়া দুহাত বন্ধা।
কংক্ৰিটৰ দেৱালত আৱদ্ধ
মোৰ এই ডুবো এই ডুবো জীৱন।
তথাপি দুচকুৰ অৱশিষ্ট পোহৰে কয়
তই এদিন আহিবি বোপাই,
তই এদিন বুজিবি।

# সাম্প্ৰতিক ঃ তিনিটা স্তৱক

✍ বিদ্যুত সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক

**সেউজ প্ৰেমিক ঃ**

সৌ পাহাৰৰ শিখৰলৈ যাওঁ ব'লা
অকণমান আপঙৰ ৰাগীত ৰাগীয়াল হওঁ
অলপমান তাপুঙৰ সুৰত মতলীয়া হওঁ
হিয়াৰ বৰপেৰাত গোটাই আনোগৈ
অকোৰা-পকোৰা মন-জুৰোৰা সেউজীয়া।

**সময় ঃ**

দুটি সেউজ আত্মাৰ বিননি
কোনে শুনিছিল?
দুখন প্ৰেম কঢ়িওৱা হৃদয়ৰ
কাতৰ স্পন্দন
কোনে বুজিছিল?
নুশুনিলে, কোনেও নুবুজিলে
জীয়াই থাকিব খোজা সেই আৰ্তনাদ!
মাথোঁ গাই গৈছিল বৰ্বৰতাৰ গান,
দুখন ঘৰ হেজাৰ হৃদয় ভাঙি যোৱা গান।
এতিয়া পাহাৰত
সেউজ বিচাৰি কোনে যাব?
এতিয়া বিশ্বাসৰ শিপা দ-লৈকে
কেনেকৈ প্ৰোথিত হ'ব?
এতিয়া কোন অভি-নীলে
পেঁপা-গগনাৰ সুৰত ভালপোৱা বিয়পাব?

**আমি ঃ**

গোট মাৰি ৰয় অশ্ৰুৰ নৈ
অসহায়তাৰ চোকা হাতোৰাই লৈ যায়
হৃদয়ৰ সমস্ত অনুভূতিবোৰ
এচুকত পৰি ৰয় মানৱীয় প্ৰমূল্যবোধ
আৰু শ্ৰদ্ধা-ভালপোৱাৰ সনাসনি
অনুভৱ.....
আমি আকৌ হাঁহোঁ-কান্দো
দৈনন্দিনতাৰ উৎসৱত ব্যস্ত হওঁ
আৰু হেৰাই যায়
অভি-নীল ঃ দুটি সেউজীয়াৰ প্ৰেমিক।

# ফট্‌কা

✍ অংকিত সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক

ফট্ ফট্ ফট্‌কা ফট্‌ফটাই ফুটালি
নিমিষতে হেজাৰ টকা পানীত পেলালি
ধূঁৱা-খুলীয়াৰ মন
নাই তোৰ পুঁজি ধন
কিহলৈ মিছাতে কৰ কিনি লোৱা ধেমালি।

# কথাশিল্প

## প্ৰত্যুত্তৰ

✍ ৰিমি সন্দিকৈ।
প্ৰাক্তন ছাত্ৰী

ঃ "অ' মৃণালৰ মাক দেখোন! কোবাকুবিকৈ ক'লৈ বাট বুলিছা? ৰ'বাচোন! তোমাক কথা এটা সুধিবলৈ আছিল। তোমাৰ বোৱাৰীয়ে হেনো অনাথ আশ্ৰমৰ পৰা ল'ৰা এটা আনিলে তুলি ল'বলৈ। শুনিছোঁ... ল'ৰাটো জন্মৰ পাছতে মাকে ষ্টেচনত এৰি যোৱা। আপুনি বাৰু বৰুৱা পৰিয়ালত তেনে সন্তানক স্বীকৃতি দিছে নে নাতি বুলি! আপোনালোক ভাল বুলিহে দেই। সিয়ো কম সৌভাগ্যৱান নহয়! আপোনালোকৰ বংশৰ প্ৰদীপ হ'বলৈ পাইছে। কি... বা... তেজ আছে গাত! ডাঙৰ হ'লে সি তেনেকুৱা নহ'লে হ'ল আৰু ন.."

হাঁহি এটা মাৰি মৃণালৰ মাকে ক'লে,

ঃ "অ' সেই কাৰণে মোক ৰখালে টংকেশ্বৰ ককাইদেউ। মই আকৌ আপুনি আমাৰ ঘৰৰ আনন্দত সহযোগ কৰিবলৈ সময় নাই পোৱা, বেয়া নাপাব! বুলি ক'ব খুজিছে বুলি ভাৱিছিলোঁ। এৰা... বুইছে ককাইদেউ নাতি পোৱালি এটা নথকাত আমাতকৈ বেছি ভাগি পৰিছিল বোৱাৰী। ঘৰখনো বৰ নিৰ্জন আছিল। এতিয়া ঘৰৰ সকলো তাৰ লগতে ব্যস্ত। আচলতে কি জানা! মানুহৰ অতীত খুচৰি বৰ্তমানটো নষ্ট কৰিব নাপায়। তাৰ লগত যি হ'ল তাৰটো দুখ নাই। সি দেৱশিশু। তাক আমি যি দিশে নিওঁ সি সেই দিশে ঢাল ল'ব। কেৱল তাক সু-শিক্ষাৰে শিক্ষিত কৰাৰ প্ৰয়োজন। তাৰ এটা চিনাকি হ'ব আমাৰ দ্বাৰা। আজিৰ সময়তচোন নিজৰ তেজৰ ল'ৰাই মাক-দেউতাকক বৃদ্ধাশ্ৰমত থৈ আহে। তেন্তে কাকনো তুমি কলংক বুলিবা? আচলতে তেজৰ সম্পৰ্কৰ কথা নাহে ল'ৰা-ছোৱালীক দিয়া আদৰ্শগত শিক্ষাহে চিনাকি দিব সময়ত ল'ৰাজন বা ছোৱালীজনী প্ৰকৃততে কেনে?"

# লকডাউন

✍ টিনা বৰগোহাঁই
স্নাতক প্ৰথম ষাণ্মাসিক

"মামণি, মোৰ মূৰটো আৰু গৰম কৰি নাথাকিবি দেই, কেনেকৈ এইকেইদিন ঘৰ চলাইছোঁ মইহে জানো।" উফ হৈ গ'ল আৰু পুৰাই পুৰাই মাক-ভনীয়েকৰ তৰ্কা-তৰ্কি। এৰা সি মাকৰ কথাবোৰ নুবুজা নহয়, বুজি নাপায় ভনীয়েক মামণিয়েহে। সৰুপোনাৰ ঘৰখনৰ সদস্য বুলিবলে' সি, মাক আৰু ভনীয়েক। দেউতাকে সৰুতেই এৰি থৈ গ'ল সিহঁতক। ভাগ্য ভাল যেনিবা মাকৰ পঢ়া-শুনা আছিল। ওচৰৰে প্ৰাইভেট বিদ্যালয়খনত শিক্ষয়িত্ৰীৰ পদ এটাত সোমাই তাক আৰু মামণিক ডাঙৰ- দীঘল কৰিছে। সুখেৰেই চলি আছিল সিহঁতৰ তিনিজনীয়া পৰিয়ালটো। কিন্তু কথা এষাৰ আছে নহয় বোলে বিধিৰ বিধান খণ্ডাব কোনে। আহিল সমগ্ৰ বিশ্বকে ভয় খুৱাবলৈ আপদীয়া বেমাৰ 'ক'ভিড-১৯'। এই 'ক'ভিড-১৯' য়ে সিহঁতৰ সৰু পৰিয়ালটোৰ সুখ-শান্তি নাইকিয়া কৰি পেলালে। প্ৰাইভেট বিদ্যালয়বোৰ বন্ধ হোৱাৰ লগে লগে মাক মনোৰমাৰ উৰ্পাজনৰ পথ নাইকিয়া হৈ পৰিল। প্ৰথম তিনি মাহ মাকে সাঁচতীয়া পইচাৰে ঘৰখন চলালে। কিন্তু এতিয়া, এতিয়া কি কৰিব। ভনীয়েক মামণি এইবাৰ সপ্তম শ্ৰেণীত আৰু সৰুপোনা একাদশ শ্ৰেণীত।

' অন- লাইন' ক্লাছ কৰিবলৈ মাকৰ যেনিবা ম'বাইলটো আছে। সেইটোৰে ভনীয়েকে আগবেলা আৰু সি পাছবেলা ক্লাছ কৰিব পাৰিছে যেনিবা। মাকে ঘৰতে সৰু সৰু ল'ৰা-ছোৱালী কেইটামানক টিউচন কৰি ভাত সাঁজৰ যোগাৰ কৰিব পাৰিছে, কিন্তু পৰিয়াল এটা চলাবলৈ আৰু বহুতো বস্তুৰ প্ৰয়োজন হয়। মাক সেইবাবে লাহে লাহে খিঙ-খিঙীয়া হৈ পৰিছে। ভূতৰ ওপৰত দানহ পৰাদি দেউতাকে লোৱা ধাৰৰ বোজা এতিয়াও মাকৰ গাত লাগি আছে। কাপুৰুষৰ দৰে দেউতাকে যেতিয়া সিহঁতক এৰি অন্য নাৰীৰ লগত সংসাৰ কৰিবলৈ গুচি গ'ল। তেতিয়াৰ পৰা দেউতাকৰ নাম এই ঘৰখনত লোৱা নহয়। এতিয়া আকৌ মামণিয়ে জেদ ধৰিছে তাইক বোলে টিভি এটা লাগে কিবাকিবি চাবলৈ। ঘৰৰ ভিতৰতে সোমাই থাকি আমনি লাগিছে তাইৰ। এই লৈয়ে মাক-জীয়েকৰ তৰ্কা-তৰ্কি হৈ আছে ঘৰখনত। সঁচাকৈয়ে এই লকডাউনে সৰুপোনাহঁতৰ দৰে পৰিয়ালবোৰক বাৰুকৈয়ে অসুবিধাত পেলাইছে। সৰুপোনাই ভাবি থাকিল কেতিয়া আকৌ স্বাভাৱিক জীৱন হ'ব আৰু সিহঁতৰ ঘৰলৈ শান্তি ঘূৰি আহিব।

# ৰক্তদান

✍ ৰুবী দে
স্নাতক প্ৰথম ষাণ্মসিক।

নৰেনে খেতিপথাৰত কাম কৰি থাকোঁতে ভায়েক হৰেশৰ খবৰটো পালে। ততাতৈয়াকৈ গুৱাহাটী মেডিকেল কলেজ পালেহি। ইমান ডাঙৰ চিকিৎসালয়খনৰ এটা ৱাৰ্ডৰ পৰা আনটো ৱাৰ্ড বিচাৰি চলাথ কৰিও ভায়েকক নাপাই নৰেন ভাগৰি পৰিল। ক'ৰবাত অকণমান বহাৰ সুবিধা বিচাৰি ইফালে সিফালে চাওঁতে পাঁচজন মানুহৰ কাষতে অকণমান খালি ঠাই পাই বহি পৰিল। নৰেনে মন কৰিলে কাষৰ মানুহকেইজন কোনো দুশ্চিন্তাত বিমৰ্ষ হৈ আছে। তদুপৰি তেওঁলোকৰ চাৰিজন যেন ককাই-ভাই আৰু লগত থকাজনক তেওঁলোকৰ পিতাক যেন অনুমান কৰিলে।

নিচেই কাষতে থকা ল'ৰাজনক নৰেনে ক'লে, "আপোনালোকক কোনো দুশ্চিন্তাত থকা যেন অনুভৱ হৈছে। সেই বিষয়ে কথা পতাৰ আগতে আপোনাৰ পৰা মই এটা সহায় বিচাৰোঁ।" নৰেনে ল'ৰাজনৰ হাতৰ মোবাইলটোলৈ চাই ক'লে—

"মোৰ ভাইটোক বিচাৰি পোৱা নাই, মোক এই নম্বৰটো লগাই দিয়কচোন।"

নৰেনে দিয়া নম্বৰটো ল'ৰাজনে লগাই দিয়াত নৰেনে ভায়েকৰ লগত কথা পাতি গম পালে যে ভায়েক ইতিমধ্যে আৰোগ্য হৈ ঘৰ পালেগৈ। নৰেনে ল'ৰাজনক ধন্যবাদ জনাই সুধিলে,

"আপোনালোকক মই বাৰু কিবা সহায় কৰিব পাৰোঁ নেকি?"

নৰেনৰ কথা শুনি ল'ৰাকেইজনৰ আটাইতকৈ ডাঙৰজনে ক'লে—

ঃ "আমিয়ে আমাক সহায় কৰিব পৰা নাই, তুমি আকৌ আমাক কি সহায় কৰিবা। তুমি যি কামত আহিছা তাকে কৰাগৈ।"

তেনেতে ৱাৰ্ডৰ পৰা চিকিৎসক এজন ওলাই আহি ল'ৰাকেইজনক খঙেৰে ক'লে,

ঃ "চাৰিজনকৈ ল'ৰা থকাৰ পিছতো মাকজনী তেজৰ অভাৱত মৰিবলৈ ওলাইছে। তেজ দিলে দুৰ্বল হ'বা বুলি কোনে ক'লে তোমালোকক? নিজৰ জনমধাৰী মাকজনীৰ কাৰণে সাহস কৰি তেজ এবটল দিব নোৱাৰাটো বৰ দুখ লগা কথা।"

চিকিৎসকৰ কথা শুনি নৰেনে বুজি পালে যে ল'ৰাকেইজনৰ মাক বেমাৰী আৰু

তেওঁক তেজৰ অতি প্ৰয়োজন হৈছে। নৰেনে অলপো পলম নকৰি লৰালৰিকৈ চিকিৎসকক ক'লে—

ঃ "আপুনি মোৰ পৰা তেজ দিয়ক। অকণমান তেজৰ অভাৱত এগৰাকী মাতৃক মৃত্যুৰ মুখলৈ ঠেলি দিব নোৱাৰি।"

নৰেনে চিকিৎসকৰ লগত ৱাৰ্ডৰ ভিতৰলৈ গ'ল আৰু তেজ দি কিছু সময়ৰ পিছত ওলাই আহিল। বেমাৰীৰ অৱস্থা সুস্থ নোহোৱালৈকে নৰেনে চিকিৎসালয়ত অপেক্ষা কৰি আছিল। মাকগৰাকী সুস্থ হোৱা বুলি জানিব পাৰি তেওঁলোকৰ পৰা নৰেনে বিদায় লৈ উভতিব খোজোতে ল'ৰাকেইজনৰ দেউতাকে নৰেনৰ পিঠিত হাত বুলাই ক'লে—

ঃ "তোমাক বহুত বহুত ধন্যবাদ বোপাই। যেতিয়াই তোমাৰ কিবা প্ৰয়োজন হয় মোৰ ওচৰলৈ আহিবা।"

ঃ "মোক ধন্যবাদ দিব নালাগে খুৰা। মোৰ ভাল লাগিছে এই কাৰণেই যে মই কাৰোবাৰ কামৰ সহায়ক হ'ব পাৰিছোঁ। আপোনালোক সকলোৱে মোক আপোনালোকৰ আপোন বুলি ভাবি লওক। মোৰ আপোনালৈ এটাই অনুৰোধ, আপুনি তেওঁলোকক বুজাই দিয়ক মাজে মাজে ৰক্তদান কৰিলে মানৱসেৱা কৰা হয়। আপোনাৰ তেজেৰে যদি আন কাৰোবাৰ জীৱন ৰক্ষা কৰিব পাৰি তেন্তে তাতকৈ সুখৰ কথা কি হ'ব পাৰে।"

# বোকা

✍ দেৱযানী দত্ত
স্নাতক প্ৰথম ষাণ্মাসিক।

গাঁৱলীয়া ৰাস্তা। তেনেই ঠেক। বাৰিষাত বোকা পানীৰ মনোমোহা নাচোন। গৰু ছাগলীৰ খোজত আকৌ কৃষকৰ খেতি পথাৰ সদৃশ।

ব'হাগ বিহুলৈ কেইদিনমানহে আছে। কেৰ্ কেৰ্ শব্দ হোৱা বুঢ়া চাইকেল লৈ অৰুণ ফাৰ্মাচীলৈ বুলি ওলালে। মাকৰ অতি মাত্ৰা জ্বৰ আৰু মূৰ বিষ। চিকিৎসালয়লৈ নিবও নোৱাৰি অৱস্থা তেনেই বেয়া। সেয়ে ফাৰ্মাছিত সুধিয়েই ঔষধ আনিবলৈ বুলি ওলালে।

কিছু সময় যোৱাৰ পাছত শিলগুটি দিয়া ৰাস্তাটো পালেগৈ। শৰীৰটোৱে অলপ সকাহ অনুভৱ কৰিলে। এতিয়া আগতকৈ সোনকালে যাব পাৰিব। কিন্তু অলপ দূৰ আহিয়ে দেখিলে যে সম্পূৰ্ণ ৰাস্তাটো এখন বিলাসী গাড়ীয়ে দখল কৰি আছে। সি চাইকেলখনৰ টিলিঙা পাৰে মানে বজালে। ভদ্ৰভাৱে গাড়ীখন অলপ আঁতৰাবলৈ ক'লে। কিন্তু গাড়ীখনে অলপো ঠাই সলনি নকৰিলে। ৰাস্তাটোৰ দুয়োকাষে বোকা-পানীৰে ভৰা দুটা দীঘল নলা। তাৰ ৰুগীয়া মাকৰ কথা মনত পৰি বুকুখন জ্বলি উঠিল। গাড়ীখন জানো কেতিয়া যায়, ৰৈ থাকিলে নহ'ব। অৱশেষত চাইকেল কান্ধত তুলি নলা এটালৈ নামি গ'ল। নলাটোত ভৰি দিওঁতে পৰি লেতেৰা বোকা পানীয়ে তাক বুৰাই পেলালে। গাড়ীখনৰ গৰাকীয়ে তাৰ শোচনীয় অৱস্থাটো দেখি হাঁহিলে। হাঁহিটোত কি আছিল সি নুবুজিলে। কিন্তু গাৰ বোকাবোৰতকৈ লেতেৰা যেন অনুভৱ কৰিলে।

# চিঠি

✍ বৰ্ষা বৰবৰুৱা
স্নাতক প্ৰথম ষাণ্মাসিক

পিয়নে দি যোৱা চিঠিখন দুবাৰ কৈ হাতত তুলি লৈও বৃষ্টি থমকি ৰ'ল, কাৰ চিঠি ধৰিব পৰা নাই, মোবাইল থকাৰ পাছত, কোনে চিঠি লিখে আজিকালি। হয়তো কোনো পুৰণি দিনৰে চিনাকি কোনোবা হ'ব!

বৃষ্টি সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ বোৱাৰী, পেছাত এগৰাকী উকীল। তেওঁৰ পতি এজন ভাৰতীয় নৌ সেনাৰ উচ্চপদস্থ বিষয়া। সেয়ে তেওঁৰ দিনবোৰ প্ৰায় জাহাজতে কটাব লাগে। পৰিয়াল বুলি ক'লে এটি পুত্ৰ সন্তান, শাহু তথা তেওঁৰ সন্তানক চোৱা-চিতা কৰা এজন ককাকেৰে এটি সুখী পৰিয়াল। চিঠিখন পঢ়িবলৈ লওঁতে, নিয়ৰে আহি খেলিবলৈ বিচৰাৰ বাবে টেবুলত থকা কিতাপ এখনৰ মাজত চিঠিখন সুমুৱাই থ'লে।

সন্ধিয়াৰ চাহকাপ হাতত লৈ চিঠিখনলৈ আকৌ মনত পৰিল। টেবুলৰ সন্মুখতে থকা চকীখনত বহি ল'লে, এইবাৰ চিঠিখন পঢ়িব তাই। চিঠিখনে একপ্ৰকাৰৰ আকৰ্ষণেই কৰি আছিল, কোনে লিখিছে, কি লিখিছে, কিয় বা লিখিছে? পঢ়িবলৈ লওঁতে বৃষ্টিয়ে বাহিৰত নিয়ৰৰ চিঞৰ শুনিলে। ঘৰত কাম কৰা মুকুল ককাই হয়তো তাক চম্ভালিব পৰা নাই। চিঠিখন কিতাপৰ মাজতে থৈ বাহিৰত গৈ দেখে তাইৰ ননদৰ ছোৱালীজনীৰ লগত খেলি আছে।

তাই সিহঁতক দেখি আচৰিত হৈ ক'লে, "তই মোক কোৱা কিয় নাছিলি আহিবি বুলি।"

ঃ তোক suprise দিছোঁ আকৌ, এইবাৰ কিন্তু কেইদিনমান থকাকে আহিছোঁ।

ঃ কেইদিনমান কিয় কেইসপ্তাহমানৰ থাকি যা, কথা পাছে-পৰে পাতিম আগতে ভিতৰত আহ।

বৃষ্টিৰ ননদ পংখী কলেজীয়া বান্ধৱী, ছাত্ৰী নিবাসত দুইজনী প্ৰথম বছৰৰ পৰাই বান্ধৱী হৈ পৰিছিল, শেষৰ বছৰ একেটা ৰুমতে আছিল।

কলেজীয়া জীৱনৰ বহুখিনি অভিজ্ঞতা আৰু স্মৃতি একেলগে ভগাই লৈছিল, কলেজলৈ তই নগ'লে ময়ো নাযাওঁ, কোনো সহপাঠীক তই নামাতিলে ময়ো নামাতোঁ, এনে পৰ্যায়ৰ বন্ধুত্ব আছিল দুয়োজনীৰ মাজত। সেয়ে হয়তো দুয়োজনীয়েই বিয়াৰ পাছতো ইজনীয়ে সিজনীক এৰি থাকিব নোৱাৰে লগতে বৃষ্টি পংখীৰ মাজৰ থকা সম্বন্ধও বৌৱেক-ননদৰ, দুয়োজনী বাই-ভনীতকৈ কম নহয়। বহুত দিনৰ মূৰত লগ পাই বহু কথা

পাতিবলৈ আছে। তাতে অতীতৰ স্মৃতি ৰোমন্থন কৰা দুয়োজনীৰে বাবে মধুৰময়।

প্ৰায় এক সপ্তাহ, এজনীৰ সংগ আনজনীয়ে আনন্দৰে পাৰ কৰিলে। কথাই কথাই হঠাতে পংখিয়ে অনুৰাগৰ কথা ক'লে, ঐ তোৰ অনুৰাগীৰ কথা মনত আছেনে? তোমাৰ প্ৰেমত কম পাগল নাছিল সি।

ঃ কোন অনুৰাগ আৰু কি মোৰ অনুৰাগীৰ কথা কৈছ ?

ঃ তোক অনুৰাধা বুলি কলেজত মতা ল'ৰাটো আকৌ, তাক এমাহ মানৰ আগত হস্পিটেলত লগ পাইছিলোঁ, বেচেৰাটো কলেজৰ পাছত তেতিয়াই লগ পোৱা, তাৰ বেমাৰৰ বিষয়ে জনা নাছিলোঁ, তাক লগ পাইহে গম পালোঁ সকলো।

ঃ অহ, সি! অলপ মনত পৰিছে, ল'ৰাটো বেয়া নাছিল, তইহে মোক তাৰ লগত জোৰা লগাই আছিল, পাছত নিজৰ ককায়েৰৰ লগত জোৰা লগাই দিলি। (হাঁহি হাঁহি কথাকেইটা কৈ শেষ কৰে।)

ঃ নহয় অ', মই তাৰ ভাল বান্ধৱী আছিলোঁ, সেয়ে তাক বুজি পাইছিলোঁ, পাছত তাক সুধিছিলোঁ তোৰ বিষয়ে ।

ঃ কি কৈছিল সি, বৃষ্টি নহয় অনুৰাধাক হে ভাল পাওঁ বুলি।

দহ দিন একেলগে কটাই পংখিয়ে সকলোৰে পৰা বিদায় ল'লে। সকলোকে বিদায় দি তাই অনুৰাগৰ কথা ভাবিলে। তায়ো অনুভৱ কৰিছিল সকলো, কিন্তু সেয়া কলেজীয়া দিন আছিল, তেতিয়া সেইবোৰ কথা ভাবিবলৈ আহৰিয়ে নাছিল এতিয়া সময় থাকিলেও অধিকাৰ নাই তাইৰ, কিয়নো এতিয়া তাই কাৰোবাৰ পত্নী, কাৰোবাৰ মাতৃ তথা কাৰোবাৰ লখিমী বোৱাৰী। হঠাতে তাইৰ চিঠিখনলৈ মনত পৰিল, কোনে আৰু কিয় বা লিখিছিল চিঠিখন!

অৱশেষত তাই চিঠিখন হাতত তুলি ল'লে, আৰু পঢ়িবলৈ আৰম্ভ কৰিলে......

মৰমৰ অনুৰাধা,

আশা কৰোঁ তোমাৰ ভাল আৰু তুমি জীৱনত বহুত সুখী, মোক হয়তো তুমি চিনি নাপাবা এতিয়া, কিয়নো তোমাৰ Mr. Perfect ক তুমি বিচাৰি পাইছা। তুমি হয়তো নাজানা মোৰ বিষয়ে, তোমাৰ প্ৰতি কৰা মোৰ অনুভৱৰ বিষয়ে। এটা শব্দত ক'লে তোমাৰ প্ৰতি থকা ভালপোৱাখিনি তুমি নুবুজিলা আৰু মোৰ চকুত চাবলৈও চেষ্টা নকৰিলা। যুগে যুগে প্ৰতি খোজে তোমাতে বিলীন হ'ব বিচাৰিছিলোঁ অনুৰাধা....., তুমি আৰু মই আৰু মই দেখা সপোনবোৰ, জীৱনৰ মধুৰতম সময় আছিল আমাৰ, মোৰ তোমাৰ প্ৰতি থকা সপোন আৰু দিঠকৰ মাজত থকা মায়াজাল, যাৰ সীমা আছিল অসীমত (ক্ষমা কৰিবা কল্পনা কৰোঁতে তুমি কেৱল মোৰ, কিন্তু বাস্তৱত ই অসম্ভৱ

কিয়নো তুমি বর্তমান আনৰ)।

মইনা চৰাইৰ মইনা মাততকৈ মধুৰ আছিল আমাৰ দিনবোৰ, কলেজলৈ আহি ক্লাছলৈ আহোঁতে তোমাক বন্ধুৰ আঁৰ হৈ চোৱাৰ পৰা ক্লাছৰ শেষত তোমাৰ পাছে পাছে গেটৰ বাহিৰলৈ অহালৈকে দিনটো তোমাৰ ওপৰতে চকুযুৰি থৰ আছিল। তুমি হয়তো নাজানা অনুৰাধা, স্বপ্নবিভোৰ হৈ কেনেকৈ ভাল পাব পাৰি, একপক্ষীয় প্ৰেম বৰ কষ্টদায়ক। তোমাক আনৰ লগত কথা পতা দেখিলে উঠে খং আৰু তোমাক মাতিবলৈ লগা লাজ দুয়োটাৰ অনুভৱ বিপৰীত হ'লেও একান্ত, কিয়নো দুয়োটা অনুভৱৰ কাৰণ তুমি। বন্ধুসকলে কৈছিল অনুৰাগৰ অনুৰাধা কেতিয়া জীৱনত প্ৰৱেশ কৰিব, কিয় নাজানো, প্ৰথম দিনা ভুলতে তোমাক অনুৰাধা বুলি মাতি পোৱাৰ পাছতে হৃদয়ত প্ৰেমৰ বৃষ্টিপাত হ'ব ধৰিছিল, অন্তৰত যেন অনুভৱৰ নিজৰা বৈ আহিছিল, তেতিয়া অনুভূতি হৈছিল প্ৰথম দৃষ্টিতে হোৱা প্ৰেমৰ (হয়তো প্ৰথম দৃষ্টিত হোৱা প্ৰেমেই হৃদয়ত কাণে কাণে কৈছিল, সেইজনী তুমিয়েই যাক দেখি অনুভৱ হৈছিল মই বিচাৰি থকা অনুৰাধাজনী তুমিয়েই সেয়ে হয়তো তোমাক দেখাৰ পাছতে মোৰ অনুৰাধাজনী তুমি বুলি এশ শতাংশই বিশ্বাসী আছিলোঁ নহ'লেনো তোমাক অনুৰাধা বুলি মাতোনে।)

প্ৰথম প্ৰেমৰ অনুভূতি স্বৰ্গীয়, আৰু তুমি তাত বসবাস কৰা অপেশ্বৰী, ভবা নাছিলোঁ কেতিয়াও প্ৰেমত প্ৰথম দৃষ্টিতে পিছলি পৰিম বুলি তথাপি বিচাৰিছিলোঁ প্ৰেমামৃত তোমাৰ হাতেৰে পান কৰিম। তুমি হয়তো নাজানা তোমাক পাবলৈ দেখা সপোনবোৰ একেবাৰে স্বাভাৱিক নাছিল কিয়নো মই জানিছিলোঁ যে তুমি মোৰ কেতিয়াও হ'ব নোৱাৰা, হয়তো তুমি বিচাৰিলেও মই নিজেই তোমাক আপোন কৰিব নোৱাৰিম। ঘৰৰ একমাত্ৰ ল'ৰা আছিলোঁ যাৰ বাবে মা-দেউতাৰ মৰমে আকলুৱা আছিলোঁ, যি লাগে তাকেই পাইছিলোঁ, য'ত যাব বিছাৰিছিলোঁ সকলোতে সন্মতি আছিল কিন্তু জন্মৰে পৰা হৈ অহা হৃদয়ৰ ফুটাটোৰ মা-দেউতাৰ মৰম তথা চিকিৎসা বিজ্ঞানেও পূৰ্ণ কৰিব পৰা নাছিল। সেয়ে তোমাক জানি বুজি হৃদয়ত ৰাখিব বিচৰা নাছিলোঁ, কিন্তু কি কৰোঁ প্ৰেম জানো জানি বুজি কৰা হয়, প্ৰেমেতো নামানে কাৰোৰে বাধা। মোৰ তোমাৰ প্ৰতি থকা ভালপোৱাবোৰ সকলোৱে জানিলেও কেতিয়াও তোমাৰ সন্মুখত প্ৰকাশ কৰা নাছিলোঁ, হৃদয়ত এটা ভয়েই বিষৰ সৃষ্টি কৰিছিল কিজানি বা তুমি প্ৰত্যাখ্যান কৰা।

প্ৰায়েই পংখীৰ মুখত শুনিছিলোঁ তোমাৰ বিষয়ে, হোষ্টেলত কেনেকৈ থাকা, কি কি কৰা, কাৰ লগত বেছিকৈ কথা পাতা, কি কি কৰি ভাল পোৱা কেতিয়া কেতিয়া ফুৰিব যোৱা, ইটো সিটো বহুটো কথাই তাইৰ পৰা জানিব পাৰিছিলোঁ। তাই হয়তো মোৰ ওপৰত সন্দেহো হৈছিল, নহ'বনো কিয়? পাগল প্ৰেমিক আছিলোঁ যে তোমাৰ। শব্দৰ স্পন্দনে প্ৰকাশ নকৰিলেও চকুৰ ভাষা নিশ্চয় পঢ়িব পাৰিছিলোঁ সকলোৱে, একমাত্ৰ

তোমাক বাদ দি ।

বহুত কথাই তুমি নাজানা অনুৰাধা। সকলোবোৰ সপোন সপোন যেনে লাগে, মৃত্যু দুৱাৰ দলিত তথাপি স্বৰ্গীয় অনুভূতিহে মোৰ কাম্য। আজিকালি নিজৰ ওপৰত সহানুভূতিও নাহে, কেৱল মাত্ৰ হাঁহিয়তৰ পাত্ৰ মই। নিজৰ জীৱনৰে ভৰষা নাই, অন্তিম ক্ষণ বা কোনটো, তথাপি ইচ্ছুক আছিলোঁ অনুৰাধাৰ দেশ সাজিবলৈ।

অনুৰাধা এইবোৰ মোৰ কলেজীয়া জীৱনৰ অনুভৱ আছিল, ইচ্ছা মাত্ৰ এটাই আছিল তোমাক কাষত পোৱাৰ, বৰ্তমানো হৃদয়ত তোমাকে ৰাখিছোঁ জানা অনুৰাধা, তুমি ভুল নুবুজিবা, অনুভৱখিনি শব্দত প্ৰকাশ কৰাৰ ইচ্ছা দহ বছৰ আগতে আছিল কিন্তু তেতিয়া নোৱাৰিলোঁ। আজিও তোমাক নিজ মুখেৰে কথাখিনি ক'ব বিচাৰিছিলোঁ কিন্তু ক'ব নোৱাৰিম, অন্তিম ইচ্ছা এয়ে আছিল যে, মোৰ অন্তৰৰ কথাখিনি তোমাক মৃত্যুৰ আগতে কৈ যাওঁ, নহ'লে মোহ মায়াৰ পৰা মুক্ত হ'ব নোৱাৰিম। আশা কৰোঁ মোৰ ভালপোৱাখিনিক শ্ৰদ্ধা কৰিবা, অৱশেষত তোমাৰ পৰা বিদায় মাগিছোঁ, সময় কম নহ'লে তোমাৰ শেষবাৰৰ বাবে চোৱাৰ বৰকৈ মন আছিল, কি কৰিবা মোৰ সমান সৌভাগ্য আন কাৰো নাই। সি যি কি নহওক তোমাৰ প্ৰেমিক হিচাপে মই অত্যন্ত সুখী, দুখ মাত্ৰ এটাই প্ৰকাশ কৰোতে বহুত পলম কৰিলোঁ। আশা কৰোঁ তোমাৰ প্ৰতি থকা ভালপোৱাখিনিৰ সন্মান কৰি তোমাৰ হৃদয়ৰ এটা চুকত মোক অলপমান স্থান দিবা, মৃত্যুৰ পাছত কেতিয়াবা মনত পেলাবা, শেষত তোমাৰ জীৱনলৈ সুখৰ ধাৰা বৈ অহাৰ কামনাৰে,

ইতি
তোমাৰ অনুৰাগী
অনুৰাগ বৰুৱা।

চিঠিখন পঢ়ি থাকোঁতে তাইৰ চকুৰে নিয়ৰ দুটোপাল বৈ আহিছিল, মনত পৰিছিল কলেজীয়া জীৱনৰ স্মৃতিবোৰ, আৰু অনুৰাগৰ প্ৰতি হৃদয়ৰ কোণত পুহি ৰখা মৰমকণৰ। তায়ো বুজিছিল তাৰ চকুৰ ভাষা, তথাপি অপেক্ষা কৰিছিল অনুৰাগলৈ, এদিন সি মনৰ কথাবোৰ প্ৰকাশ কৰিব। কিন্তু তাৰ পৰা পৰা তেনে কোনো ইচ্ছুকতা প্ৰকাশ নকৰা বাবে জানি বুজিয়েই সকলোৰে লগোৱা জোৰাটো ধেমালি হিচাপে গ্ৰহণ কৰিছিল তাই।

তাইৰো এখন হৃদয় আছিল, য'ত তাই নজনাকৈ এজনক স্থান দিছিল, আৰু সেইজন আছিল অনুৰাগ, তথাপি হৃদয়ত শিলৰ আৱৰণে ঢাকি তাক অৱহেলা কৰিছিল। আজি হয়তো তাই প্ৰথমবাৰ তাৰ ভালপোৱা অনুভৱ কৰিছে, কিন্তু তাৰ অনুপস্থিতিত, প্ৰথম প্ৰেম পাহৰিব পৰা নাযায়, সেয়ে তাই আজি তাক সোঁৱৰিছে , খিৰিকী বাহিৰৰ আকাশখনলৈ চাই কেৱল অশ্ৰু আৰু অশ্ৰু নিগৰাইছে......।

# দুৰ্ঘটনা

✍ গাৰ্গী বৰুৱা

স্নাতক প্ৰথম ষাণ্মাসিক

দূৰত মানুহৰ ভিৰ দেখি মিতালী অলপ চিন্তিত হৈ পৰিল। তাই ইকাণ-সিকাণ বাগৰি অহা কথাটো জানিব পাৰিলে যে এটা দুৰ্ঘটনা সংঘটিত হৈছে ।ঘটনাটোৰ সবিশেষ জানিবৰ বাবে তাই মানুহবোৰৰ ফালে আগবাঢ়ি আহিল। ঘটনাস্থলীত এজন যুৱক তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে। ল'ৰাজনে মানুহবোৰক সহায়ৰ বাবে মাতি আছে। ওচৰত গোট খোৱা মানুহবোৰে ল'ৰাজনক চাই আছে কেৱল। তাৰ মাজতে কেইজনমান মোবাইলত ভিডিঅ' বনোৱাত ব্যস্ত। সেই দৃশ্য দেখি মিতালীৰ বৰ দুখ লাগিল। তাই সহায়ৰ হাত আগবঢ়াবলৈ বুলি ল'ৰাজনৰ ওচৰলৈ আহিল। পোনপ্ৰথমে তাই ল'ৰাজনক পানী অলপ খাবলৈ দিলে। তাৰ পাছত লগে লগে এম্বুলেন্স আৰু পুলিচক খবৰ দিলে। তাকে দেখি কেইজনমানে কৈ উঠিল, “নিশ্চয় প্ৰেমিকা হ'ব লাগিব।” কথাষাৰ শুনি মিতালীৰ বহুত খং উঠিছিল। কিন্তু তাই নিজকে নিয়ন্ত্ৰণ কৰিলে। অলপ সময়ৰ পাছত পুলিচ আৰু এম্বুলেন্স পালেহি। সেই ঘটনাটো ভিডিঅ' কৰি সহায়ৰ হাত আগ নবঢ়োৱা মানুহ কেইজনলৈ মিতালীৰ বহুত খং উঠিল আৰু তাই কৈ পেলালে, “আপোনালোকৰ মানৱীয়তা ক'ত হেৰাল। এই যুৱকজনৰ ঠাইত যদি আপোনাৰ ঘৰৰ কোনোবা সদস্য থাকিল হয় তেতিয়াও আপোনালোকে এনে কাৰ্যই কৰিব নেকি ? প্ৰশ্ন কৰক নিজকে।” মনৰ মাজত থকা ক্ৰোধ তাই প্ৰকাশ কৰি দিলে।

তেজৰ চেঁকুৰা লগা চোলাটোলৈ তাই চাই দীঘলকৈ এটা উশাহ ল'লে। যান্ত্ৰিকতাৰ মাজত যেন সকলো মানুহে পাহৰি গৈছে মৰম, ভালপোৱা, সহানুভূতি ।

# হৃদয়ৰ বনজুই

✍ অংকিত্ সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক

ঃ "তুমি তালৈ আকৌ যাবা?"

একাক্ষৰী উত্তৰৰ বাবে মাণিকে আকাংক্ষাৰ মুখলৈ চাই উৎকণ্ঠাৰে ৰ'ল। প্ৰশ্ন আৰু উত্তৰৰ মাজত ক্ষণিক্ ব্যৱধান যদিও সেই অকণমান সময়েই আছিল মাণিকৰ কাৰণে কাতিমহীয়াৰ এটা উজাগৰী নিশা।

ঃ "ওঁ! মই তালৈ আকৌ যাম। কাৰণ মই কৰি অহা ভুলবোৰক পুনৰাবৃত্তি কৰি খুব্ ভাল পাওঁ।"

কথাষাৰ কৈ আকাংক্ষা বহু সময়লৈ নিৰ্বাক আৰু নিশ্চল হৈ ৰ'ল। মাণিকেও মাটিলৈ পলকশূন্যভাৱে চাই মৌন হৈ আছে। এনেতে ফৰকাল আকাশত গুৰুম্‌কৈ বাজি উঠা এটা গাজনিয়ে দুয়োৰে মাজত নীৰৱতা আঁতৰাই যেন নতুন প্ৰচেষ্টাহে আনিব বিচাৰিছে। পৰিৱেশে সচেষ্ট কৰিলেও মাণিক আৰু আকাংক্ষা তেতিয়াও নীৰৱ হৈয়ে আছিল। মাণিকে বিষাদবোধেৰে বহুপৰ আকাংক্ষাৰ শুকান মুখখনলৈ তন্ময় চাৱনিৰে চাই তাৰ পৰা এখোজ-দুখোজকৈ আঁতৰিব বিচাৰিলে। চকুৰ আঁতৰ নৌহওঁতেই আকাংক্ষাই মনৰ মাজত অগা-ডেৰা কৰি থকা কথাষাৰ মাণিকক কৈ পঠিয়ালে।

ঃ "মই ভুলবোৰৰ পুনৰাবৃত্তি কৰিবই লাগিব মাণিক! তুমি সেইবোৰ নুবুজিবা। কাৰণ তুমিতো মই নোহোৱা।"

কথাষাৰৰ অন্তত আকাংক্ষাৰ নয়নৰ পাহি ফালি দুগালে দুধাৰ চকুলো মাটিলৈ বাগৰি আহিল। ধূলিয়ৰি পথত সেই চকুৰ টোপাল নিমিষতে শুকাই গৈছে।

# ভোক

✍ পূৰ্ণিমা ৰাজোৱাৰ
স্নাতক প্ৰথম ষাণ্মাসিক

মাকে চৌকাৰ জুইকুৰা ফুৰাই ফুৰাই ভাতকেইটা যেনে তেনে ৰান্ধিলে। মণিয়ে মাকৰ ওচৰতে কিতাপখন লৈ পঢ়ি আছে।

ঃ "মা আমাৰ অনলাইন ক্লাছ হৈ আছে। মোক মোবাইল এটা লাগে।"

মাকে তাইৰ কথা একো কাণসাৰ নিদি ভাতকেইটা বাঢ়ি তাইক খাবলৈ দিলে।

ঃ "মা মই এইবোৰ ভাত নাখাওঁ। সদায় আলু পিটিকাৰে ভাত খাই মোৰ আমনি লাগিছে।"

মাকে কৰুণ হাঁহি এটি মাৰি মণিৰ মুখলৈ চাই ক'লে,

ঃ "এইখিনি এতিয়া খাই লোৱা। দেউতা আহিলে ৰাতি ভালকৈ খাবা। মই এটা ধুনীয়া সাধু কৈ শুনাম নহয়।"

ঃ "সঁচাকৈ নে মা?"

ঃ "অ' সঁচাকৈ। এতিয়া তুমি এইখিনি খাই লোৱা।"

পুৱাই কামৰ সন্ধানত ওলাই যোৱা দেউতাক ঘৰ সোমায়ে মণিক বিচাৰিলে।

ঃ "হেৰি, আপুনি আহি পালে। হাত-ভৰি ধুই আহক মই ভাতকেইটা বাঢ়ি দিওঁ।"

ঃ "ভাত মই নাখাওঁ। মণি ক'ত আছে? তুমি মণিক দিয়াগৈ।"

ঃ "মই মণিক যেনে-তেনে খোৱালোঁ। সদায় আলু পিটিকাৰে ভাত খাই আভোক হৈছে। ৰাতি ভালকৈ খুৱাম বুলি ক'লোঁ।"

এনেতে অচিনাকি মানুহ এজন আহি মণিৰ দেউতাকক ক'লে,

ঃ "তোক শইকীয়া ছাৰে মাতিছে।" কথাটো শুনিয়ে তেওঁ দৌৰি যোৱাৰ দৰে ওলাই গ'ল।

শইকীয়া ছাৰৰ ঘৰ পাই মণিৰ দেউতাকে মাত দিলে,

ঃ "ছাৰ, কওঁক কি কাম আছে।

ঃ "কাম তেনেকৈ একো নাই। কালি আমাৰ কুকুৰটো মৰিলে। তই সেই মৰা কুকুৰটো পুতি দেগৈ যা।"

কামটো শেষ কৰি টকাকেইটা হাত পাতি লৈ মনতে অংক এটা কৰিলে। নাই কোনোপধ্যে নিমিলেগৈ। লঘোণ নিদিয়াকৈ দিনকেইটা পাৰ কৰিব পাৰিলেই হ'ব। কথাবোৰ ভাবি ভাবি ঘৰ পালেগৈ। মণিয়ে মাকক সুধিছে,

ঃ মা, আজি দেউতাই মাছ আনিব নে মাংস আনিব?

# উপলব্ধি

✍ গাৰ্গী বৰুৱা
স্নাতক প্ৰথম ষাণ্মাসিক

পুতুল ঃ অ' মা ভাত হ'ল নে নাই? সোনকালে দে, অলপ ওলাই যাওঁ।

চম্পা ঃ ক'তনো যাব তই? দেউতাৰকে অলপ সহায় কৰি দেচোন।

পুতুল ঃ নাই নাই, মই সেইবোৰ কৰিব নোৱাৰোঁ। মোৰ বেলেগ কাম আছে। মুঠতে তই মোক ভাত দিলে দে, নহ'লে মই যাওঁ।

পুতেকৰ কথা শুনি চম্পাই লৰালৰিকৈ ভাতকেইটা বাঢ়ি দিলে।

পোনাকণ ঃ চম্পা, অ' চম্পা, ভাতকেইটা মোকো বাঢ়ি দিয়া, বাৰীৰ পৰা আহিব লগা আছে। পুতুল তই মোৰ লগতে ব'ল। তাত অলপ কাম আছে।

পুতুল ঃ মই নোৱাৰোঁ।

পোনাকণ ঃ কিয়?

পুতুল ঃ মোৰ লগৰ এজনে বাইক এখন ল'লে তাৰে পাৰ্টী আছে। গতিকে মই আপোনাৰ লগত যাব নোৱাৰিম।

পুতুলৰ কথা শুনি দেউতাকে কিবা ক'ব খুজিও ৰৈ গ'ল।

পুতুল ঃ আৰু শুনক দেউতা, মোক অহা মাহত এখন বাইক লাগিব। মই লগৰবোৰক কৈ দিছোঁ।

চম্পা ঃ পুতুল, তই নিজেই চিন্তা কৰচোন। আমি বাৰু ইমান টকা ক'ত পাম? যেনে-তেনে দুবেলা দুমুঠি খাব পৰাকৈ চলি আছোঁ।

পুতুল ঃ মই সেইবোৰ নাজানো। মুঠতে মোক বাইক লাগিব। নহ'লে লগৰবোৰৰ ওচৰত মোৰ সন্মান ক'ত থাকিব।

সেই সময়তে ঘৰৰ ওচৰৰ মিনতী পেহী আহে।

মিনতী ঃ কি হ'ল অ' পুতুল। তোৰ দেখোন আজিকালি বৰ ডাঙৰ মাত শুনিবলৈ পাইছোঁ।

মিনতীৰ কথা শুনি পুতুলে কিবা কোৱাৰ আগতে তেওঁ আকৌ ক'লে।

মিনতী ঃ চা পুতুল, দেউতাৰে তোক ইমান কষ্ট কৰি পঢ়াইছে ভাল মানুহ হ'বলৈ।

তই যদি বুজি নাপাই, বিৰোধী হ'ব কিবা লাভ আছে জানো? এই কৰ'ণা মহামাৰী সময়ত কিমান অভাৱে দেখা দিলে তই নিজ চকুৰে দেখিছ। আনক দেখি কাম কৰিলে নহ'ব। নিজৰ সামৰ্থ মতে কাম কৰিব লাগিব। পঢ়ি-শুনি ভাল মানুহ হ। সময়ত সকলো পাবি। প্ৰথমে নিজৰ ভৰি ওপৰত থিয় দিবলৈ শিক।

পুতুল ঃ পেহী আপোনাৰ কথাবোৰে মোৰ চকু মুকলি কৰিলে। মা-দেউতাক মই বহুত কষ্ট দিছিলোঁ আৰু এনে কাম মই কেতিয়াও নকৰোঁ। পঢ়ি শুনি ভাল মানুহ হ'ম। মা-দেউতা মোক ক্ষমা কৰি দিব। মই ভাল ল'ৰা হ'বলৈ চেষ্টা কৰিম।

পুতুলৰ এই কথাত চম্পা আৰু পোনাকণে গভীৰ সুখ পালে আৰু মৰমতে পুতুলক সাবটি ধৰিলে ।

# ক্ষুদ্রগল্প

## সংগ্ৰাম

✍ মুনমী চেতিয়া
স্নাতক পঞ্চম ষাণ্মাসিক

স্ক'ৰপিয়'খনে ৰাস্তাৰ গাঁতৰ বোকা আৰু পানী এসোঁতা সিহঁতৰ গালে-মুখে মাৰি থৈ গ'ল । আঢ্যৱন্তৰ প্ৰতীক দামী গাড়ীখনৰ ফালে এপলক চাই বোকাখিনি মুখৰ পৰা মোহাৰি সিহঁতে আকৌ আৱৰ্জনাৰ দ'মটোৰ পৰা বটল বুটলিবলৈ ধৰিলে ।

• • • • • • • • • • • • • • • •

## ভোক

✍ মুনমী চেতিয়া
স্নাতক পঞ্চম ষাণ্মাসিক

:মা ভোক লাগিছে ।

:ৰ'বা, মন্দিৰ খুলিবলৈ এতিয়াও বহুপৰ বাকী!

• • • • • • • • • • • • • • • •

## অন্ন

✍ ৰিমঝিম মেছ
স্নাতক পঞ্চম ষাণ্মাসিক

: মা, ঘৰলৈ যাওঁ ব'ল, আজিলৈ আৰু শিল ভাঙিব নালাগে। ৰ'দটো বৰ চোকা।

: তই আজি ৰাতিলৈ ভাত নাখাৰ নেকি?

# বিচ্ছেদ

✍ ৰিমঝিম মেছ
স্নাতক পঞ্চম ষাণ্মাসিক

মাকৰ কোলাত বহি থকা মৰম লগা কণমানিটোৱে মাকক কৈছে, “আজিচোন দেউতা ইমান দেৰি অহা নাই মা! দেউতালৈ ৰৈ থাকি মোৰ টোপনিয়েই ধৰিছে।”

মাকে গোপনে চকুলো সামৰি ক'লে :-“তুমি শোৱাগৈ যোৱা, দেউতালৈ ৰ'লে তোমাৰ গোটেই জীৱন শুৱাই নহব।”

• • • • • • • • • • • • • • • • •

# অৱহেলা

✍ বৰ্ষা বৰবৰুৱা
স্নাতক প্ৰথম ষাণ্মাসিক

ল'ৰাটোক বহুত মৰম কৰে বাবেই, আন দহজনে কোৱা কথাবোৰ বিশ্বাস নকৰিছিল বৰুৱাই। সেয়ে নিজৰ ইচ্ছা অনুযায়ী সকলো কাম কৰিব দিছিল। যি লাগে সকলো দিছিল, মুঠতে সন্তানক সম্পূৰ্ণ সমৰ্থন কৰিছিল।

এদিন দুদিনকৈ তেওঁৰ পুত্ৰৰ স্বভাৱ চৰিত্ৰ সলনি হৈছিল, ঘৰলৈ আহোঁতে দেৰি হৈছিল। বৰুৱাই সেইটো ধনাত্মক ভাৱে লৈ ভাবিছিল, কিবা দৰকাৰী কাম আছে সেয়ে পলম হৈছে। যোৱা সাত বছৰে তেওঁ নিজকে বুজাই ৰাখিছে, কামৰ অৱহেলা তেওঁৰ পুত্ৰই নকৰে।

তেওঁ বৰ্তমান অপেক্ষাৰত, কামবোৰ শেষ হ'ব। কিছু পলম হ'লেও তেওঁক পুত্ৰই বৃদ্ধাশ্ৰমত এবাৰ লগ ধৰি যাবহি।

• • • • • • • • • • • • • • • • •

# ভ্ৰমণ লেখা

## উভতি অহাৰ প্ৰতিশ্ৰুতিৰে

✍ বিদ্যুৎ সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক

২০১৭ চনৰ ১২ নৱেম্বৰ মাহৰ কথা। আমাৰ পৰিয়ালটো অৰ্থাৎ মা, দেউতা, দাদা আৰু মই ভাত খোৱা টেবুলত বহি কথা-বতৰা পাতি আছিলোঁ। সেই সময়খিনি আছিল ভ্ৰমণৰ বাবে ভাল সময়। কথাৰ মাজতে দাদা ক'ৰবালৈ ফুৰিবলৈ যোৱাৰ কথা ক'লে। মই বহুত দিনৰ আগৰে পৰা মা-দেউতাক তেজপুৰলৈ যাম যাম বুলি কৈ আছিলোঁ যদিও ঘৰখনৰ সৰু ল'ৰা হোৱা বাবে মোৰ সৰু- সুৰা আপত্তিবোৰ কোনেও গুৰুত্বই নিদিয়ে। এইবাৰো ক'লৈ যোৱা হ'ব সেই কথা থিৰাং হোৱা নাছিল বাবে মই আকৌ তেজপুৰলৈকে যাম বুলি ক'লোঁ। দেউতাই বহুদূৰ বাট হ'ব বুলি কৈছিল যদিও মা আৰু দাদায়ে তালৈ গ'লেই ভাল হ'ব বুলি কোৱাত দেউতাই যেনিবা নস্যাৎ নকৰিলে। অৱশেষত ১৪ নৱেম্বৰৰ দিনটো তেজপুৰ ভ্ৰমণৰ বাবে সিদ্ধান্ত লোৱা হ'ল। মই তেজপুৰ ভ্ৰমণৰ আনন্দতে খগেন মহন্তদেৱৰ 'মা আমি শদিয়ালৈ যামেই...' ঠাইত 'মা আমি তেজপুৰ যামেই' বুলি গাই গাই বিছনাত পৰিলোঁগৈ।

১৩ নৱেম্বৰ, ২০১৭ তাৰিখে আমি যাৱতীয় কাম-কাজ কৰি ১৪ নৱেম্বৰৰ দিনা যাবলৈ সাজু হ'লোঁ। অৱশেষত উৎকণ্ঠাৰ অন্ত পেলাই সেই দিনটো পাইছিলহি। ১৪ নৱেম্বৰৰ দিনা আমি নৈশ আহাৰ গ্ৰহণ কৰি ৯-৩০ বজাত আমি তেজপুৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। তাৰ পাচদিনা অৰ্থাৎ ১৫ নৱেম্বৰৰ পুৱা ৫ বজাত আমি উপস্থিত হৈ মুখ-হাত ধুই হোটেলত আহাৰ গ্ৰহণ কৰি ৬-৩০ বজাত পুনৰ আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আমি প্ৰথমতে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত থকা কলীয়াভোমোৰা সেতু দৰ্শনৰ বাবে আগবাঢ়িলোঁ। কলিয়াভোমোৰা সেতু দৰ্শন কৰি জানিব পাৰিলোঁ যে কলীয়াভোমোৰা সেতু অসমৰ শোণিতপুৰ আৰু নগাঁও জিলাৰ মাজ মজিয়াত অৱস্থিত। এই দলংখনৰ আধাৰশিলা তদানীন্তন প্ৰধানমন্ত্ৰী মোৰাৰজী দেশায়ে ১৯৭৮ চনত স্থাপন কৰে আৰু ১৯৮৭ চনত প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে কলীয়াভোমোৰা সেঁতু উদ্বোধন কৰে।

৩.৩ কিলোমিটাৰ দৈৰ্ঘৰ মূল দলংখনত প্ৰায় ৪৪ কোটি টকাৰ লগতে সৰ্বমুঠ ব্যয় হৈছিল ৮৯ কোটি টকা। কলীয়াভোমোৰা সেঁতু দৰ্শন কৰি আমি ব্ৰহ্মপুত্ৰৰ পাৰতে থকা এখন পিকনিক খোৱা ঠাইত উপস্থিত হ'লোঁগৈ। সেই ঠাইত উপস্থিত হৈ আমি গম পালোঁ যে তাৰ পৰা কিছু নিলগত ব্ৰহ্মপুত্ৰৰ মাজত থকা এটা বৃহৎ শিলত শিৱৰ চৰণৰ খোজ দেখিবলৈ পোৱা যায়। সেইকথা আমাক তাৰে এজন নাৱিকে জানিবলৈ দিছিল। আমি সেই কথা জানি সেই ঠাইলৈ যাবৰ বাবে থিৰাং কৰিলোঁ যদিও মা অলপ ভয়াতুৰ হোৱাৰ বাবে আমাক সেই ঠাইলৈ যাবলৈ বাধা দিছিল যদিও আমি বাধা নেওচি দেউতা-দাদা আৰু মই  যাবলৈ সাজু হ'লোঁ। আমাৰ লগত নাৱত আৰু দহজন সহযাত্ৰী সেই ঠাই পৰিদৰ্শনৰ বাবে গৈছিল। মই পূৰ্বতে নাৱত উঠা নাই বাবে মনতে অলপ ভয় ভয় ভাৱ আহিছিল যদিও মহাবাহুৰ সৌন্দৰ্যতাৰ মাজত মই নিজকে হেৰুৱাই পেলাইছিলোঁ। তাৰ ১০ মিনিটমানৰ পাছত আমি গন্তব্য স্থানত উপস্থিত হ'লোঁ আৰু আমাক নাৱিকজনে সেই ঠাই সুন্দৰভাৱে দৰ্শন কৰোৱালে। সেই ঠাই পৰিদৰ্শন কৰি আমি ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত ঐতিহাসিক অগ্নিগড় দৰ্শনৰ বাবে আগবাঢ়িলোঁ। অগ্নিগড়ত উপস্থিত হৈ আমি পোনপ্ৰথমে টিকট কাউণ্টাৰৰ পৰা টিকট লৈ ভিতৰছোৱা চাবলৈ আগবাঢ়িলোঁ। অগ্নিগড়ৰ ভিতৰছোৱাত প্ৰৱেশ কৰি আমি জানিব পাৰিলোঁ যে অগ্নিগড় বাণ ৰজাই শত্ৰুৰ পৰা নগৰখনক সুৰক্ষিত কৰিবলৈ অগ্নিৰে বেৰি এই গড় নিৰ্মাণ কৰিছিল বাবেই এই গড়টোৰ নাম অগ্নিগড় নামেৰে নামাকৰণ কৰা হয়। এই গড়টোত ঊষা-অনিৰুদ্ধৰ প্ৰেমৰ চানেকি সুন্দৰভাৱে ফুটাই তোলা হৈছে। ঊষা-অনিৰুদ্ধৰ সুন্দৰ দৃশ্য আৰু মনোমোহা প্ৰাকৃতিক পৰিৱেশে হৃদয়ৰ একোণত সাঁচ বহুৱাই গ'ল। আমি সকলোৱে অগ্নিগড়ৰ প্ৰেমত আতুৰ হৈ বিভিন্ন আলোকচিত্ৰ সাঁচি ৰাখিলোঁ স্মৃতিৰ বাবে। অগ্নিগড় দৰ্শন কৰি ঊষাৰ প্ৰেমত পৰিলেও সময়ৰ নাটনি হোৱাৰ বাবে আমি সেই স্থানৰ পৰা বিদায় লৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ মহাভৈৰৱ মন্দিৰৰ দিশে। এই মন্দিৰ তেজপুৰ চহৰৰ উত্তৰ দিশত এটা সৰু টিলাৰ ওপৰত অৱস্থিত। এই মন্দিৰ পৰিভ্ৰমণ কৰি গম পালোঁ যে বাণৰজাৰ জীয়ৰী ঊষাই এই মন্দিৰত সদায় পূজা-অৰ্চনা কৰিছিল। ১৫৯ কঠা ৩ লোচা ভূমিৰে এই মন্দিৰৰ চৌহদ নিৰ্মাণ কৰা হৈছিল। মূল মন্দিৰৰ ভিতৰত এটা বৃহৎ শিৱ লিংগ আছে। এই লিংগটোৰ উচ্চতা প্ৰায় ৩.২ মিটাৰ আৰু প্ৰস্থ ২.৩ মিটাৰ। এই লিংগটো এছিয়া মহাদেশৰ বৃহৎ শিৱ লিংগসমূহৰ ভিতৰত লেখত ল'বলগীয়া শিৱ লিংগ। এই মন্দিৰ ভ্ৰমণ কৰি আমি উত্তৰ-পূবৰ এখন আগশাৰী বিশ্ববিদ্যালয় তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ চৌহদ পৰিভ্ৰমণৰ বাবে আগবাঢ়িলোঁ। এই বিশ্ববিদ্যালয়লৈ প্ৰতি বছৰে ভাৰতৰ বিভিন্ন স্থানৰ পৰা উচ্চ শিক্ষা গ্ৰহণৰ বাবে শিক্ষাৰ্থীৰ আগমন ঘটে। তেজপুৰ বিশ্ববিদ্যালয় ১৯৯৪ চনত তেজপুৰৰ নপামত ২৪২ একৰ (০.৯৮ বৰ্গ কিলোমিটাৰ)

ভূমিত বিশ্ববিদ্যালয় চৌহদ নিৰ্মাণ কৰা হৈছিল। বিশ্ববিদ্যালয়ৰ চৌহদত বিভিন্ন প্ৰজাতিৰ গছ-গছনি আৰু পৰিষ্কাৰ-পৰিচন্নতাই বিশ্ববিদ্যালয়খনক আটক ধুনীয়া কৰি তুলিছে। বিশ্ববিদ্যালয় দৰ্শন কৰি আমি আমাৰ তেজপুৰৰ যাত্ৰা ইমানতেই অন্ত পৰিল। আমি ঘৰতেই সকলো কীৰ্তিচিহ্ন দৰ্শনৰ পৰিকল্পনা কৰিছিলোঁ যদিও বিশেষ কাম ওলোৱাৰ বাবে আমাৰ আশাত চেঁচাপানী পৰিল। তেতিয়া সময় ৪ বাজিছিল, আমি হোটেলত আহাৰ গ্ৰহণ কৰি ৫-৪৫ বজাত পুনৰ উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ। মনটো দুখত ভৰি পৰিছিল, মান্তি হোৱা নাছিল তেজপুৰক এৰি আহিবলৈ। কিন্তু, পুনৰবাৰ আহিবলৈ যাবতো লাগিব বুলি মই মনটোক বুজাইছিলোঁ।

গোটেই পথছোৱাত সকলোৰে মনবোৰ বিমৰ্ষ হৈ পৰিছিল তেজপুৰ এৰি অহাৰ দুখত। মাজৰাতি ১২-৩০ বজাত নিজৰ ঘৰখন পালোঁহি যদিও আনখন ঘৰ এৰি অহাৰ দুখে কেইবাদিনলৈও আমনি দি থাকিল। এক উৎকণ্ঠাৰ অন্ত পৰিল। এই গোটেই যাত্ৰাৰ সফলতাৰ আঁৰত থকা ব্যক্তিকেইজন অৰ্থাৎ মা, দেউতা আৰু দাদাক পৰিয়ালৰ সদস্য হিচাপে পাই মই নিজকে পুনৰবাৰ সুখী অনুভৱ কৰিলোঁ।

# দিহিং পাটকাইলৈ গৈছিলোঁ

✍ অংকিত্ সন্দিকৈ
স্নাতক তৃতীয় ষাণ্মাসিক




মোৰ স্মৃতিত যদি বিস্মৃতি ঘটা নাই তেন্তে সেই দিনটো নিশ্চয় ১৭ তাৰিখেই হ'ব, অৰ্থাৎ ২০২০ বৰ্ষৰ ১৭ ডিচেম্বৰ। বন্ধুবৰ মানৱ শৰ্মাই পিক্‌নিক্ যোৱাৰ কথাটো উলিয়াবলৈহে পালে, ইস্ ৰাম ! মোৰ বন্ধু-বান্ধৱীসকলে যেন সেই মুহূৰ্ততে সৌ দিচাংমুখত বালিভাত খাইহে আহিলেগৈ ! সকলোৰে মুখত মাথোঁ তিনিটাই শব্দ, দিহিং পাটকাই যাম। কিন্তু আমি আলোচনাৰ ওপৰত আলোচনা কৰি থাকিলেনো কি লাভ হ'ব ? যদিহে বিভাগৰ পৰা অনুমতি নিদিয়ে ! আমাৰ তৃতীয় ষাণ্মাসিকৰে বহুকেইজন সতীৰ্থই কিছু শংকা কিছু হেঁপাহেৰে প্ৰস্তাৱটো বিভাগত উত্থাপন কৰে। কিন্তু সৌভাগ্যৰ কথা এয়ে যে বিভাগে আমাৰ প্ৰস্তাৱটো পোনছাটেই প্ৰত্যাখ্যান নকৰি বিভাগীয় সভাত বিষয়টো অন্তৰ্ভুক্ত কৰে। অন্যান্য গুৰুত্বপূৰ্ণ বিষয়ৰ লগতে আমাৰ ভ্ৰমণ বিষয়টোৰেও সভাখনিত

ঠাই পোৱা বুলি জানিবলৈ পাই মনটো ইমান যে ভাল লাগিছিল, অৱশ্যে মনে মনে অলপ উৎকণ্ঠাও আছিল; যাবলৈ বা অনুমতি দিয়েনে নিদিয়ে? কিন্তু সেই সভাতেই আমাৰ উৎকণ্ঠিত ভাৱৰ অগা-ডেৰাক শাঁত পেলাই সন্মানীয় অসমীয়া বিভাগে উমৈহতীয়া অভিমতৰ ভিত্তিত ২৫ ডিচেম্বৰত দিহিং পাটকাইলৈকে যোৱা হ'ব বুলি আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰে। সেই সভাখন অনুষ্ঠিত হৈছিল ১৯ ডিচেম্বৰত। অলপ দুখৰ কথা যে ৰুণজুন হাজৰিকা বাইদেউকে আদি কৰি আমাৰ ষাণ্মাসিকৰ বহুকেইজনক তেওঁলোকৰ অনিবাৰ্য অসুবিধাৰ বাবে আমি আমাৰ সহযাত্ৰী কৰিব নোৱাৰিলোঁ।

সময় বাগৰি গৈ একেবাৰে পঁচিশ তাৰিখৰ দুৱাৰদলি পালেহি। ৰিজাৰ্ভ কৰি থোৱা সুন্দৰ বাছখন আহি বালিঘাটত উপস্থিত হ'ল। দেৱযানী বাইদেউৰ তত্ত্বাৱধানত সকলো বন্ধু-বান্ধৱীয়ে ঠিক ৫ বাজি ৩০ মিনিট যোৱাত তাৰ পৰা শুভ ভ্ৰমণ আৰম্ভ কৰিলে। নীলাক্ষি বাইদেউ উঠিল শিৱসাগৰ টাউনৰ লক্ষ্মী নগৰত। প্ৰণৱ ছাৰ আৰু প্ৰিয়মা বাইদেউক ঠায়ে ঠায়ে বুটলিবলৈ গাড়ী আকৌ উজাই গ'ল মৰাণ টাউনলৈ। অৱশ্যে দিহিং পাটকাইলৈ আমি সেই মৰাণ হৈয়ে গৈছিলোঁ। বাছখনত পঁয়ত্ৰিশটা ছিট্ আছিল। সকলোৱে নিজৰ নিজৰ আসন লোৱাত ক'তো এটা ছিটো বাকী থকা থকা নাই। বাছখনৰ আসনসমূহ পূৰ হোৱাত দেখিবলৈ বৰ ভাল হৈছিল। বাটত ইমান ডাঠ কুঁৱলী মাৰিছিল যে দুনল আঁতৰত কি-নো আছে তাকে দেখা পোৱা নাই। কিন্তু ডাঠ কুঁৱলী ফালি-ছিৰি যেতিয়া তেজাল সুৰুযৰ আভা আহি মুখত পৰিছিল তেতিয়া এনে লাগিছিল যেন পুৱাৰ সেই সূৰ্যটো সদ্যোজাত সম্ভাৱনাময় এটি দেৱশিশুহে। সকলোৱে ৰং উছাহৰ মাজেৰে আমি গৈ গৈ ঠিক ৯ বাজি ৩০ মিনিট মানত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানত উপস্থিত হ'লোঁ। দেৱযানী বাইদেৱে ৰাষ্ট্ৰীয় উদ্যানখনৰ সৈতে জড়িত চাৰিজনকৈ ব্যক্তিৰ সৈতে আগতীয়াকৈ যোগাযোগ ৰাখিছিল, গতিকে আমি তাত গাইড বিচাৰি হাবাথুৰি খাই ফুৰিব লগা হোৱা নাছিল। তেওঁলোকক আমাৰ বিভাগৰ ফালৰ পৰা লৈ যোৱা এধানিমান মৰম যাচিলোঁ। তেওঁলোক আছিল ক্ৰমে- বিশিষ্ট পৰিৱেশ কৰ্মী জয়ন্ত ভূএগ্ৰা, বিতু পবন সন্দিকৈ, অনুজ গগৈ আৰু কুমাৰ দাস। তেওঁলোকে আমাক আটায়কে প্ৰীতি-সম্ভাষণ আৰু শুভেচ্ছা জনাই দিহিং পাটকাইৰ অটব্য অৰণ্যলৈ নিৰ্দ্দিষ্ট নিয়মেৰে আগবঢ়াই লৈ গ'ল। মনত ভয়-ভীতি, শংকা, আনন্দ, সম্ভাৱনা, প্ৰশান্তি সকলো জাগিছিল। কিছুদূৰ আগবাঢ়ি যোৱাত পৰিৱেশ কৰ্মী জয়ন্ত ভূএগ্ৰাদেৱে দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যান সম্পৰ্কে মননশীলভাৱে বহুতো দিশ সামৰি এটা বক্তৃতা আগবঢ়ায় আৰু বাৰ্তালাপৰ সুযোগ দিয়ে। তেখেতৰ বক্তৃতাটি আমি অতি প্ৰণিধানেৰে শুনি আকৌ আগলৈ যাত্ৰা আৰম্ভ কৰিলোঁ। দেখা পালোঁ, জুৰি এটি বৈ আহি বুঢ়ীদিহিঙৰ বুকুত মিলি পৰিছে। তাতোকৈয়ো শিলত ঠেকা খাই খাই অপূৰ্ব ছন্দৰে বৈ অহা অন্য এটা জুৰিৰ শব্দ শুনি বেচি ভাল লাগিছিল। অচিনাকি

চৰাই-চিৰিকতি, জীৱ-জন্তুৰ মাতে আমাৰ কৰ্ণকুহৰত বাৰুকৈয়ে অনুৰণন তুলিছিল। গাইডকেইজনে আমাক অন্য এফালেদি এখন মনোৰম ঠাইলৈ লৈ যাবলৈ ইচ্ছা কৰিছিল যদিও পথ অতি বিপদসংকুল হোৱাত তেওঁলোকেই নাকচ কৰিলে। বিবিধ প্ৰজাতিৰ ওখ ওখ ডাঙৰ গছবোৰে আমাক বৰকৈ আকৰ্ষণ কৰিছিল, সিহঁতে যেন আকাশ চুই তলত থকা আমলৈহে চাই চাই আছে। এয়া আছিল এক অবিস্মৰণীয় অনুভৱ আৰু বিচিত্ৰ অভিজ্ঞতা।

পুৱাতেই একো খাই-মেলি নোযোৱা আমাৰ প্ৰত্যেকৰে পেটত ওৱাৰনিং পৰিছিল। বাছত লঘূ খাদ্য খাইছোঁ যদিও সেয়াতো লঘূহে। ভোকে সেই লঘূ আহাৰত কি সন্তুষ্ট হ'ব? আগতীয়াকৈ কথা পাতি থোৱা ৰেইন ফৰেষ্ট ইক' ৰিজৰ্টত আমি পেটৰ জুই নুমুৱাবলৈ তিনি বজাৰ আগতেই প্ৰৱেশ কৰোঁ। দিব খাম দিব খামকৈ ৰৈ থাকোঁতে প্ৰায় আধাঘণ্টামানৰ অন্ততহে খাবলৈ পাওঁ। প্ৰিয়মা বাইদেৱে ৰান্ধনীশালৰ কাউণ্টাৰলৈ কেইবাৰ যে আহিছে তাৰ কোনো লেখ নাই। নিজৰ ল'ৰা-ছোৱালীৰ দৰে ছাৰ-বাইদেউসকলে আমাক সকলোকে আগতীয়াকৈ খুৱাই-বুৱাই তেওঁলোকে একেবাৰে শেষতহে খাইছে। ভাত-পানী খোৱাৰ আগলৈকে তেওঁলোককো বৰ ভাগৰুৱা যেন লাগিছিল কিন্তু খাই-বই তত্ লোৱাত তেওঁলোকৰ মুখত আৰু সেই ক্লান্তি ফুটি উঠা নাই। ৰিজৰ্টখন একেবাৰে দিহিঙৰ বুকুতে লাগি আছে; খাই থাকোঁতে দিহিঙৰ বা আহি গাত বাৰে বাৰে লাগিছে। টকৌ পাতৰ ঘৰৰ তলত বৰ তৃপ্তিৰে এসাঁজ খালোঁ। অৱশ্যে সকলোৱে একেলগে বহি খাবলৈ পোৱা হ'লে আৰু বেছি ভাল লাগিলেহেঁতেন। প্ৰিয়মা বাইদেৱে ক'লে বেলি চাই কণুৱা বাহলৈ উৰিব লাগে। লাহে লাহে আমাৰ ওভতনি যাত্ৰা আৰম্ভ হ'ল। পাটকাইক আমি এৰি আহিলোঁ সঁচা! কিন্তু লৈ আহিলোঁ চিৰসেউজ অভিজ্ঞতা স্মৃতিৰ সঁফুৰাত ভৰাই। অব্যক্ত ভাষাৰে আমি প্ৰত্যেকেই দিহিং পাটকাইলৈ আকৌ অহাৰ প্ৰতিশ্ৰুতি দি থৈ আহিলোঁ।

ওভতি আহোঁতে বাছৰ ভিতৰতেই আমাৰ বন্ধু-বান্ধৱীসকলে অলপ নচা নাই দেই! যোৱাৰ পথত সেই মাদকতা নাছিল কিন্তু ঘূৰি আহোঁতে পাটকাই-এ যেন আমাক বাছত কঁকাল ভাঙি ভাঙি নাচিবলৈ অফুৰন্ত শক্তিহে দিলে। অৱশ্যে সেই আনন্দ অসংযত নতুবা উদ্বাউল নহয়। যিমানেই ঘৰৰ অভিমুখে আগবাঢ়ি আহিলোঁ সিমানেই মনটো বিমৰ্ষ হৈ আহি থাকিল। তথাপি আকৌ আহিম বুলি দি থৈ অহা প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ হ'লে ঘৰলৈতো ওভতিবই লাগিব বুলি নিজকে নিজে প্ৰবোধ দিলোঁ। প্ৰথমে নামিল প্ৰণৱ ছাৰ। তাৰ পাছত কিছুদূৰ আহি প্ৰিয়মা বাইদেউ। আকৌ মৰাণৰ পৰা বহুদূৰ আহি শিৱসাগৰ টাউনৰ লক্ষ্মীনগৰত নামিলে নীলাক্ষি বাইদেউ। তাৰ পৰা বালিঘাটলৈকে আকৌ দেৱযানী বাইদেউৰ তত্ত্বাৱধানতে আমি আগবাঢ়িলোঁ। পুৱা ৫ বাজি ৩০ মিনিটত

আমি যি ঠাইৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলোঁ সেই বালিঘাটতে আকৌ সন্ধ্যা ৭:৪৫ বজাত বাছখনে অৱস্থান কৰে। আগতীয়াকৈ বৈ থকা অভিভাৱকৰ লগত সকলো নিজ নিজ ঘৰৰ অভিমুখে ৰাওনা হ'ল। গতিকে,আমি আমাৰ ভ্ৰমণ যাত্ৰাটোত একো অসুবিধাৰেই সন্মুখীন নহ'লোঁ।

সদ্যঘোষিত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানে অসমৰ পৰ্যটন ক্ষেত্ৰখন সমৃদ্ধিশালী কৰি তোলাৰ যথেষ্ট সম্ভাৱনা আৰু থল আছে। আমি আশা কৰিম! অভয়াৰণ্যৰ পৰা ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি পোৱা দিহিং পাটকাইৰ আন্তঃগাঁথনি অত্যন্ত শক্তিশালী হৈ উঠক।

সদৌ শেষত, আমি তৃতীয় ষাণ্মাসিকৰ সন্মানীয় অসমীয়া বিভাগ ওচৰত অকৃতঘ্ন। লগতে বিশিষ্ট পৰিৱেশ কৰ্মীকেইজন আৰু আমাক সুকলমে পৰিবহণ কৰা বাছ চালক দুজনৰ ওচৰতো আমি কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ। এখেতসকলৰ সহযোগিতাৰ অবিহনে আমাৰ দিহিং পাটকাইৰ ভ্ৰমণ কিমান সফল হ'লহেঁতেন সেয়া সহজেই অনুমেয়।

# ভ্ৰমণৰ আনন্দ

✍ ৰিম্পী পাল
স্নাতক প্ৰথম ষাণ্মাসিক

ভ্ৰমণ হ'ল এনে এক হবি যে ইয়াক জানিলে বা ৰসপান কৰিব পাৰিলে পিছলৈ ঘূৰি চোৱাৰ সম্ভাৱনা বৰ কম হয় অৰ্থাৎ এবাৰ ভ্ৰমণ কৰি ইয়াৰ পৰা আনন্দ বা উপভোগ কৰিব পাৰিলে মনটো প্ৰায় ভ্ৰমণকেন্দ্ৰিক হৈ পৰে। একো একোটা ভ্ৰমণৰ পৰা বিভিন্ন ঠাই বা দেশৰ বিভিন্নধৰণৰ অভিজ্ঞতা, সেই অঞ্চলৰ জীৱন যাত্ৰাৰ প্ৰণালী, কৃষ্টি-সংস্কৃতি, ঐতিহ্য-ভাস্কৰ্য, কৃষি-উদ্যোগ, বুৰঞ্জী আৰু অনেক নতুন নতুন অভিজ্ঞতা লাভ কৰিব পাৰি।

একো একোখন ঠাই এবাৰ চাই হেঁপাহ নপলায় বাবেই দেওহাঁহ আৰু বনৰীয়া ঘোঁৰাৰ বাবে বিখ্যাত ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান চাবলৈ ২০১৯ চনৰ ১৭ ডিচেম্বৰৰ দিনা খোৱাং চাৰিআলিৰ পৰা নিচেই পোৱাতে যাত্ৰা আৰম্ভ কৰিলোঁ। কেইবছৰমান আগতে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানলৈ গৈছিলোঁ, যদিও কেইজনমান বন্ধুৰ অনুৰোধ পেলাব নোৱাৰি পুনৰ ওলালোঁ। আচলতে বন্ধু-বান্ধৱীৰ লগত একো একোখন ঠাইলৈ ফুৰিবলৈ যোৱাৰ আমেজেই বেলেগ। গোটেই বাটটো হাঁহি-ধেমালি কৰি গৈ আমি পুৱা ৮ বাজি ২৫ মিনিটত গুইজান ঘাটত উপস্থিত হওঁগৈ।

ডিব্ৰু ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানলৈ ফুৰিবলৈ আহিছোঁ বুলি উল্লেখ কৰিলেও আমাৰ প্ৰধান উদ্দেশ্য আছিল নদীত 'ৰিভাৰ ডলফিন' বা 'শিহু' প্ৰত্যক্ষ কৰা। সেয়ে আমি ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত সোমাবলৈ কোনো অনুমতি লোৱা নাছিলোঁ আৰু যোৱাৰ আগদিনাই আমি আগতীয়াকৈ কৰি ডিব্ৰু নদীত শিহু চাবৰ বাবে এখন ডাঙৰ নাও যোগাৰ কৰি লৈছিলোঁ। গুইজান ঘাটত উপস্থিত হৈ আমি প্ৰথমতে ঘাটটোৰ চাৰিওফালে ফুৰিবলৈ ওলাই যাওঁ। ঘাটটোত কেইবাখনো ডাঙৰ নাও যাত্ৰাৰ বাবে সাজু কৰি থোৱা আছিল। ইয়াৰ উপৰিও ওচৰৰ বালিচৰত কেইবাখনো নাৱৰ নিৰ্মাণ কাৰ্য চলি থকা দেখিবলৈ পাইছিলোঁ ইয়াত পিকনিক খাবলৈ আমাৰ বাহিৰেও কেইবাটাও পিকনিক পাৰ্টি আৰু ৰাষ্ট্ৰীয় উদ্যান প্ৰত্যক্ষ কৰা দ'ল দেখিবলৈ পাইছিলোঁ।

ইয়াৰ পাছত আমি নাৱেৰে ডিব্ৰু নদীত শিহু চাবলৈ গৈছিলোঁ। নাৱেৰে যাওঁতে নদীৰ শীতল চেঁচা বতাহজাকিয়ে দেহ-মন জুৰ পেলায় দিছিল। নাৱেৰে ডিব্ৰু নদীৰ মাজেৰে গৈ থাকোঁতে মাছমৰীয়াবোৰে সৰু সৰু নাও লৈ নদীত মাছ মাৰি থকা দেখিছিলোঁ, ডিব্ৰু নদী জল সম্পদতো চহকী। এনেদৰে প্ৰায় ডেৰ ঘন্টামান যাত্ৰা কৰাৰ পাছতহে আমি আমাৰ লক্ষ্যস্থান 'ডলফিন পইন্টত' উপস্থিত হওঁগৈ। লক্ষ্যস্থান পোৱাৰ পাছত আমাৰ নাওখনৰ গতিবেগ কমাই দিয়া হ'ল। হঠাতে আমাক নাৱৰীয়াজনে দেখুৱালে এটা শিহু। শিহুটো আকাৰত সৰু হোৱা বাবে পোৱালি বুলি নিশ্চিত হ'লোঁ। আমাৰ নাওখন আৰু শিহু কেইটাৰ মাজৰ দূৰত্ব কম হোৱাৰ ফলত নিচেই ওচৰৰ পৰা শিহু চোৱাৰ সৌভাগ্য লাভ কৰিলোঁ। এনেদৰে প্ৰায় এঘন্টামান সময় নিচেই ওচৰৰ পৰা শিহু দেখা আৰু শিহুৰ খেল প্ৰত্যক্ষ কৰা, এই দুয়োটা স্মৃতি মনত সদায় সজীৱ হৈ থাকিব।

ইয়াৰ পাছত আৰম্ভ হ'ল আমাৰ ওভতনি যাত্ৰা। ওভতনি যাত্ৰাটো পৰিৱেশটো যথেষ্ট নিজান আৰু নিস্তব্ধ আছিল। এই যাত্ৰাৰ মাজতো আমি শিহুৰ সম্পৰ্কে নানা কথা আলোচনা কৰিলোঁ। শিহুৰ ইংৰাজী নামটো হ'ল 'গেনজেটিক ডলফিন'। শিহুও বৰ্তমান সংখ্যাত তেনেই তাকৰ হৈ পৰিছে। আগতে এই প্ৰাণীবিধ ব্ৰহ্মপুত্ৰৰ বাহিৰেও অন্য প্ৰায় সকলো উপনৈসমূহতো পোৱা গৈছিল। কিন্তু বৰ্তমান সময়ত ইয়াক ব্ৰহ্মপুত্ৰৰ বাহিৰে দুই এখন উপনৈতহে পোৱা যায়। এই প্ৰাণীবিধৰ বাবে দ-পানীৰ আৱশ্যক। ইয়াৰ পাছতে আমি গুইজান ঘাটত একগোট হৈ পিকনিক খাওঁ। ডিব্ৰু নদীত শিহু চোৱাৰ সপোন সাৰ্থক হোৱাত মনত যথেষ্ট আনন্দ লাভ কৰিলোঁ। পুনৰ আহিলে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰভাগ দৰ্শন কৰিম বুলি মনতে সংকল্প ল'লোঁ। সেয়ে পুনৰ অহাৰ আশা ৰাখি মনত অলেখ স্মৃতি সাবটি ঘৰমুৱা হ'লোঁ।

# আঠখেলীয়া নামঘৰলৈ গৈছিলোঁ

✍ শতাব্দী ৰাণী কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

সৰুকালতে ককা-আইতাৰ মুখত শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰৰ মহিমাৰ কথা শুনি ভাবিছিলোঁ, আমি কেতিয়াকৈ এই নামঘৰভাগি দৰ্শন কৰিবলৈ পাম। সেই দিনটো আহিল ২০১৭ চনৰ ভাদ মাহৰ ১৫ তাৰিখে। প্ৰথমবাৰৰ বাবে ভ্ৰমণ সূচীত যোগদান কৰিবলৈ পায় মনত বৰ স্ফূৰ্তি লাগিল। মই তেতিয়া নাজিৰা বৰতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী। আমি ১৫ গৰাকী ছাত্ৰী, দুগৰাকী শিক্ষয়িত্ৰী আৰু এজন শিক্ষকৰ লগত যাবলৈ সাজু হ'লোঁ। এখন সৰু বাছেৰে আমি যাত্ৰা আৰম্ভ কৰিলোঁ। বাটত যাওঁতে লগৰকেইজনীৰ লগত কিমান যে কথা পাতিলোঁ তাৰ লেখ-জোখ নাই। অলপ জিৰণি লৈ পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আমি যাওঁতে নামবৰ হাবিৰ মাজেৰে গৈ গৰম পানীৰ উঁহ চালোঁ। তাৰপাছত আমি আমাৰ লক্ষ্যস্থান শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰ পালোঁ, য'ত নেকি সাৰ্বজনীন ভাৱধাৰাই বিৰাজ কৰি আছে যি সঁচাকৈয়ে প্ৰশংসনীয়। নামঘৰত প্ৰৱেশ কৰি আমি সকলোৱে চাকি-বন্তি জ্বলালোঁ। তাৰপাছত আমি নামঘৰৰ কেইজনমান বয়োজ্যেষ্ঠ ব্যক্তিৰ পৰা জানিব পাৰিলোঁ যে শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰৰ নামকৰণ নামঘৰৰ চৌপাশে থকা কুৰি (চুবুৰী) পৰাই হৈছে। আঠটা কুৰিৰ ৰাইজে একেলগে সমাজ পাতি ধৰ্মীয় অনুষ্ঠান পালন কৰি একেলগে খোৱাৰ বাবেই আঠখেল। অসম বুৰঞ্জীৰ মতে ৰজাঘৰীয়া বাবে একেলগে খোৱা কামৰ বাবে আঠটা কুৰি আছিল। যেনে, বচাকুৰি, বৈৰাশী কুৰি, ব্ৰাহ্মণ কুৰি, নাঙ্গল কুৰি, শ'লালৰ কুৰি, কছাৰী কুৰি, বৰাহী কুৰি, কাকতি কুৰি। এই আঠকুৰীয়া সমষ্টিয়েই পাছত আঠখেলীয়া নামেৰে জনাজাত হ'ল। এই কথা আমি জানিবলৈ পালোঁ। অলপ সময় তাত থাকি গধূলি হোৱাত আমি ঘৰৰ অভিমুখে আহিবৰ বাবে বাছত উঠিলোঁ। এইদৰেই মোৰ প্ৰথম ভ্ৰমণ কাৰ্যসূচীৰ অন্ত পেলালোঁ যদিও শ্ৰী শ্ৰী আঠখেলীয়া নামঘৰৰ মহিমাযুক্ত কাহিনীবোৰ মোৰ মনত ৰৈ গ'ল।

# পাছিঘাটলৈ গৈছিলোঁ

✍ হিমাদ্ৰী শইকীয়া
স্নাতক প্ৰথম ষাণ্মাসিক

২০১৯ চনৰ অক্টোবৰ মাহৰ কথা। মই তেতিয়া দ্বাদশ শ্ৰেণীত পঢ়ি আছিলোঁ। প্ৰতি বছৰৰ দৰে সেই বছৰো আমাৰ মহাবিদ্যালয়ৰ ফালৰ পৰা শিক্ষামূলক ভ্ৰমণলৈ নিবলৈ ছাৰ-বাইদেউসকলে যো-জা কৰিছিল। সকলোৱে আলোচনা কৰি ডিচেম্বৰ ১ তাৰিখে পাছিঘাটলৈ যাবলৈ থিৰাং কৰিলে। মোৰ লগতে সকলোৰে মন উৎকণ্ঠাৰে ভৰি পৰিল। সকলোৰে মুখত কেৱল এটা কথা কি পিন্ধি যাবি? অৱশেষত উৎকণ্ঠাৰ অন্ত পেলাই সেই দিনটো পাইছিলহি। ১ ডিচেম্বৰ ৰাতিপুৱা ৪-০০ বজাত বাছেৰে পাছিঘাটলৈ বুলি ৰাওনা হৈছিলোঁ। সেইদিনা বতৰ ডাৱৰীয়া আছিল, অলপ অলপ বৰষুণো দিছিল। সকলোৰে মুখবোৰ আনন্দৰে ভৰি আছিল। মোৰো মনটো ইমান ভাল লাগি আছিল যে ভাষাৰে বুজাব নোৱাৰি। এতিয়াও সেই দিনটোৰ কথা মনত পৰিলে মনটো ভাল লাগি যায়। গৈ গৈ আমি বগীবিল দলং পালোঁগৈ। বগীবিলত আমি প্ৰায় আধা ঘণ্টা মানৰ কাৰণে ৰৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰিলোঁ। তাৰপাছত আমি আকৌ পাছিঘাটলৈ বুলি ৰাওনা হৈছিলোঁ। খিৰিকীৰ কাষৰ চিটটোতে মই বহিছিলোঁ। খিৰিকীৰ কাষৰ ছিট, পাহাৰীয়া ৰাস্তা, লগত গান.....। মই নিজকে হেৰুৱাই পেলাইছিলোঁ। তেনেকৈয়ে আমি গৈ পালোঁ আমাৰ গন্তব্য স্থান পাছিঘাট, সময় দিনৰ ১২-০০ বাজিছিল। বাছৰ পৰা নামি ছাৰ- বাইদেউসকলে ভাত ৰান্ধিব পৰাকৈ আৰু আমি বহিব পৰাকৈ ঠাই এডোখৰ ঠিক কৰিলে আৰু আমি তাতে বহি চাহ খালোঁ। চাহ খাই উঠি অলপ ফুৰিবলৈ গৈছিলোঁ। তাৰ নিৰ্মল সমাহিত পৰিৱেশে আমাৰ দেহ-মন চুই গৈছিল। আনন্দত আত্মহাৰা হৈ কোনো বান্ধৱীয়ে গীতো জুৰিছিল, তাৰ তালে তালে আমি সকলোৱে নাচি স্ফূৰ্তি কৰিছিলোঁ। সেই মনোৰম সৌন্দৰ্যৰ সৈতে আমি ফটোও উঠিলোঁ। আজিও সেইবোৰ সাঁচি ৰাখিছোঁ। লাহেকৈ আমাৰ ভাত খোৱাৰ সময় হৈছিলহি। সকলো ছাৰ-বাইদেউ আৰু বান্ধৱীবোৰে লগ লাগি অতি তৃপ্তিৰে এসাজ খালোঁ। খোৱাৰ অলপ পাছতেই

সকলো বস্তু সামৰি গাড়ীৰ যথাস্থানত গৈ বহিলোঁগৈ। আহিবৰ সময়ত মনটো খুব বেয়া লাগিছিল। এনেকুৱা লাগিছিল যেন সেই মনোমোহা পৰিৱেশৰ মাজতে চিৰদিনৰ কাৰণে ৰৈ যাম। তেনেকৈ ভাবি থাকোঁতেই গাড়ীখন চলিবলৈ আৰম্ভ কৰিলে, অৰ্থাৎ আমি ঘৰ অভিমুখে ৰাওনা হৈছিলোঁ। তেতিয়া আবেলি ৫-০০ বাজিছিল। সকলোকে ভাগৰে জুমুৰি দি ধৰাত আমি চিলমিলকৈ টোপনি গৈছিলোঁ। অৱশেষত দীৰ্ঘ সময়ৰ যাত্ৰাৰ সামৰণি পেলাই নিশা প্ৰায় ১০-০০ বজাত ঘৰ পালোহি।

# শান্তিৰ নদী-দ্বীপ মাজুলী ভ্ৰমণ

✍ কৰবী গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

'নানা ঠাই ফুৰে যি
নানা কথা শিকে সি।'

ভ্ৰমণ মানেই হ'ল আনন্দ, জ্ঞান অৰ্জনৰ এক অভিজ্ঞতা। মানুহে নজনা কথা জানিবলৈ, নেদেখা বস্তু চাবলৈ, নোযোৱা ঠাইবোৰলৈ যাবলৈ প্ৰবল ইচ্ছা কৰে। কেৱল ফুৰাৰ হেঁপাহতে বা নয়নৰ তৃপ্তি সাধনৰ বাবে ভ্ৰমণ কৰা নহয়, ভ্ৰমণ কৰাৰ জৰিয়তে আমি আহৰণ কৰোঁ জ্ঞান লাভৰ অপৰিসীম তৃপ্তি। ভ্ৰমণৰ প্ৰতি মোৰ যথেষ্ট দুৰ্বলতা আছে। সদায় শুনি থকা, কিন্তু নিজে সেই ঠাইবোৰলৈ যাব নোৱাৰাৰ বাবে মনৰ আশা মনতে ৰৈ যায়।

২০১৯ চনৰ জানুৱাৰী মাহ; সেইসময়ত মই শিৱসাগৰৰ সাৰথি কনিষ্ঠ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষত অধ্যয়নৰত। জানুৱাৰী মাহৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ পৰা 'মাজুলী'লৈ বুলি এক শিক্ষামূলক ভ্ৰমণৰ পৰিকল্পনা কৰা হৈছিল। যেতিয়া আমাৰ আগত এই পৰিকল্পনাৰ কথা অধ্যক্ষ মহোদয়ে প্ৰকাশ কৰিছিল, সেইসময়ত ছাৰৰ কথাষাৰে আমাৰ কাণত মৌ-বৰষা দি বৰষিছিল। কিয়নো, সত্ৰীয়া-সংস্কৃতি আৰু লোক-সংস্কৃতিৰ দিশত অতিকৈ চহকী মাজুলীৰ সৌন্দৰ্যই পৰ্যটকক বাৰুকৈয়ে আকৃষ্ট কৰে। মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্য, সত্ৰসমূহ, মুখাশিল্প, মৃৎশিল্প আদিয়েই প্ৰধানকৈ পৰ্যটকক আকৰ্ষণ কৰাৰ মূল উৎস। আন আন পৰ্যটকক আকৰ্ষণ কৰাৰ দৰে মাজুলীৰ এই অপৰূপ সৌন্দৰ্যৰাশিয়ে আমাকো আকৰ্ষণ কৰিছিল। সেইবাবে বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ তথা সত্ৰনগৰী 'মাজুলী'ক চাবলৈ মোৰো মনত এক তীব্ৰ হেঁপাহ জাগ্ৰত হৈছিল। সেয়ে মহাবিদ্যালয়ৰ পৰা পৰিকল্পনা কৰা ভ্ৰমণৰ কথা শুনি আনন্দিত হৈ পৰিছিলোঁ আৰু সেই আকাংক্ষিত দিনটোলৈ আগ্ৰহেৰে অপেক্ষা কৰিলোঁ।

সেইদিনা আছিল ২০১৯ চনৰ জানুৱাৰী মাহৰ ৪ তাৰিখ; আমাৰ পৰম আকাংক্ষিত

দিন। নেদেখাক চোৱাৰ দুৰ্বাৰ হেঁপাহেৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু কেইগৰাকীমান ছাৰ-বাইদেউৰ তত্ত্বাৱধানত আমি এটি সুকোমল পুৱাত যোৰহাটৰ নিমাতীঘাট অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। যাত্ৰাপথত এঠাইত ৰৈ সকলোৱে পুৱাৰ আহাৰ গ্ৰহণ কৰিলোঁ। প্ৰায় ৬ বজাত শিৱসাগৰৰ পৰা আৰম্ভ কৰা যাত্ৰাৰ অন্তত পুৱা ৯ বজাত নিমাতী ঘাটত উপস্থিত হ'লোগৈ। আমি সকলোৱে নিজৰ বেগ-পাতিবোৰ লৈ মাজুলীলৈ বুলি যাত্ৰাৰ উদ্দেশ্যে জাহাজ অভিমুখে আগবাঢ়িলোঁ। যথাসময়ত ব্ৰহ্মপুত্ৰৰ বিশাল বুকুত জাহাজখনে গতি কৰিলে। প্ৰথমবাৰৰ বাবে মাজুলী ভ্ৰমণ আৰু ব্ৰহ্মপুত্ৰৰ অপৰূপ সৌন্দৰ্যই আমাক অভিভূত কৰি পেলাইছিল। ব্ৰহ্মপুত্ৰৰ বুকুত তামোল-পাণ এযোৰ আগবঢ়াই সেৱা লোৱাৰ পিছত নিজৰ আসনত বহি মাজুলীলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ।

আমাৰ গন্তব্যস্থান চমু চাপি অহাৰ লগে লগে সকলোৰে আনন্দ দুগুণে চৰিছিল। জাহাজৰ পৰা নামি আমি থাকিবৰ বাবে ব্যৱস্থা কৰি থোৱা নতুন কমলাবাৰী সত্ৰৰ অতিথিশালাৰ অভিমুখে ৰাওনা হ'লোঁ। অতিথিশালাত সকলোৱে নিজৰ নিজৰ ৰুমলৈ গৈ জিৰাই-শতাই লোৱাৰ পিছত আমাৰ জাতীয় সাজ মেখেলা-চাদৰযোৰ পৰিধান কৰি সত্ৰসমূহ দৰ্শন কৰিবলৈ ওলালোঁ।

প্ৰকৃতিৰ অপূৰ্ব সৃষ্টিৰাজি ব্ৰহ্মপুত্ৰৰ বুকুত জিলিকি থকা মাজুলী হৈছে বিশ্বৰ বৃহত্তম নদীদ্বীপ, আধ্যাত্মিক আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। মাজুলীৰ সত্ৰসমূহতে আছে শংকৰ-মাধৱ গুৰুদুজনাৰ লগতে অন্যান্যসকলৰ অনুপম সৃষ্টি সাহিত্য-সংস্কৃতিৰ সম্পদ। ভ্ৰমণৰ প্ৰথম দিনা আমি সকলোৱে আউনীআটী সত্ৰ দৰ্শন কৰিবলৈ ওলালোঁ। আউনীআটী সত্ৰ অসমৰ প্ৰথম শ্ৰেণীৰ ৰাজসত্ৰ। আহোম ৰজা স্বৰ্গদেউ জয়ধ্বজ সিংহই ১৬৫৩ খ্ৰীষ্টাব্দত এইখন সত্ৰ নিৰ্মাণ কৰোৱায়। আউনীআটী সত্ৰৰ বিষয়ে তাৰে ভকতসকলৰ পৰা বহুতো কথা জানিব পাৰিলোঁ, লগতে সত্ৰৰ ভিতৰচৰা আৰু সত্ৰখনৰ আপুৰুগীয়া সম্পদসমূহ সংৰক্ষণ কৰি থোৱা সংগ্ৰহালয়টো চালোঁ। আউনীআটী সত্ৰ চোৱাৰ পিছত আমি সেইদিনাৰ ভ্ৰমণৰ কাৰ্যসূচী সামৰি অতিথিশালালৈ উভতনি যাত্ৰা কৰিলোঁ।

মাজুলীত দ্বিতীয় দিনা অৰ্থাৎ জানুৱাৰী মাহৰ ৫ তাৰিখে আমি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত দক্ষিণপাট সত্ৰ চাবলৈ ওলালোঁ। যাত্ৰাপথত গৈ থাকোঁতে দেখা পোৱা মাজুলীৰ অপৰূপ প্ৰাকৃতিক শোভা, দূৰৈত হালধীয়া হৈ পৰা সৰিয়হকেইডৰা, টুনী নদীত খাদ্যৰ সন্ধানত অহা পক্ষীৰ কাকলিয়ে এক বিচিত্ৰ ৰূপ বহন কৰিছিল। পুৱাৰ কোমল ৰ'দজাকৰ উম লৈ আমি দক্ষিণপাট সত্ৰত উপস্থিত হ'লোগৈ। সত্ৰৰ ভিতৰচৰাত

চাকি-বন্তি জ্বলাই সকলোৰে সেৰা লৈ সত্ৰখনৰ সংগ্ৰহালয় চাবলৈ গ'লোঁ। ইয়াতেই আহোম স্বৰ্গদেউসকলে ব্যৱহাৰ কৰা তথা সত্ৰলৈ দান কৰা বহুতো আপুৰুগীয়া সম্পদ সংৰক্ষণ কৰা আছে। সত্ৰখনৰ কামকাজ, সত্ৰখনত পালন কৰা উৎসৱ আদিৰ বিষয়ে এগৰাকী ভকতৰ পৰা জানিব পাৰিলোঁ।

দক্ষিণপাট সত্ৰ ভ্ৰমণৰ পিছতেই আমি মুখাশিল্পৰ বাবে বিখ্যাত চামগুৰি সত্ৰ চাবলৈ আগবাঢ়িলোঁ। মহাপুৰুষ শংকৰদেৱে ভক্তিধৰ্ম প্ৰচাৰৰ বাবে অভিনৱ সৃষ্টি ভাওনাত নিজহাতে মুখা প্ৰস্তুত কৰি ব্যৱহাৰ কৰিছিল। সেই সময়ৰে পৰা অসমৰ সত্ৰসমূহে মুখাৰ পৰম্পৰা আৰু ঐতিহ্য বহন কৰি আহিছে। বৰ্তমান চামগুৰি সত্ৰত হেমচন্দ্ৰ গোস্বামীদেৱে ভিন্ন কৌশলেৰে ন শিকাৰুসকলক প্ৰশিক্ষণ দি সময়ৰ সোঁতত হেৰাই যাব খোজা মুখাশিল্প চৰ্চা অব্যাহত ৰাখিছে। সময় যিহেতু আমাৰ হাতত নিচেই কম, সেয়ে চামগুৰি সত্ৰ ভ্ৰমণৰ সিমানতে অন্ত পেলাই আমি সেই দিনটোতে বেঙেনাআটী সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ আৰু গড়মূৰ সত্ৰও দৰ্শন কৰি সন্ধিয়া অতিথিশালা পালোঁহি।

চাওঁতে চাওঁতে আমাৰ তিনিদিনীয়া ভ্ৰমণৰ কাৰ্যসূচীৰ অন্তিম দিনটো আহি পৰিল। সেইদিনা আছিল ৬ জানুৱাৰী, ২০২০ ৰাতিপুৱা শুই উঠি বয়-বস্তুসমূহ সামৰি আমি দুগৰাকীমান বন্ধু-বান্ধৱীৰ সৈতে আমাৰ শিক্ষাগুৰু মনোৰঞ্জন বৰদলৈ ছাৰৰ লগত নতুন কমলাবাৰী সত্ৰৰ এজন আতাৰ বহা (সত্ৰৰ ভকতসকল থকা ঠাই) লৈ গ'লোঁ। তেওঁৰ বহাত আমাক কাঁহৰ বৰবাটিত ম'হৰ দৈ আৰু কোমল চাউলৰ জলপানেৰে আপ্যায়ন কৰিলে। তেওঁলোকৰ অতিথিপৰায়ণতা আৰু মৰমীয়াল ব্যৱহাৰে আমাক মুগ্ধ কৰিলে। ইয়াৰ পিছতেই আমি নতুন কমলাবাৰী সত্ৰত সেৰা লৈ অতিথিশালালৈ উভতি আহিলোঁ।

এইখিনিতে উল্লেখ কৰোঁ যে মাজুলীত আমি থকা ঠাইখনৰ ওচৰতে থকা বৰদলৈ ছাৰৰ আত্মীয় এঘৰলৈ আমাক ফুৰাবলৈ লৈ গৈছিল। আগতে মানুহৰ মুখত শুনা পাওঁ মাজুলীৰ মানুহবোৰ সহজ-সৰল মনৰ, অতিথিপৰায়ণ। সঁচাকৈয়ে তেওঁলোকৰ অতিথিপৰায়ণতাই আমাক বাৰুকৈয়ে মুগ্ধ কৰিলে। মাজুলী কেৱল সত্ৰীয়া সংস্কৃতিৰে প্ৰাণকেন্দ্ৰ নহয়, অসমৰ বিভিন্ন জাতি- জনজাতিৰ সমন্বয়ৰ থলী। লোকসংস্কৃতিৰ দিশৰ পৰা মাজুলী যথেষ্ট চহকী। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনে মাজুলীক বাৰেৰহণীয়া কৰি তুলিছে। মাজুলীৰ সত্ৰসমূহ আৰু ওচৰ-পাজৰৰ অঞ্চলসমূহৰ পৰা ভাঁহি আহে গীত-মাত, খোল-তালৰ মধুৰ শব্দ। অদূৰৰ মিছিং গাঁৱৰ পৰা ভাঁহি অহা ঐনিতমৰ সুৰে মাজুলীৰ জনজীৱন মুখৰিত কৰি ৰাখে।

মাজুলীৰ পৰা ঘৰলৈ বুলি কৰা উভতনি যাত্ৰাত আমাৰ মাজত বিভিন্ন আলোচনা চলিল। তাৰ ভিতৰত ৰাস্তাৰ দুৰৱস্থাৰ কথা, মাজুলীলৈ উন্নত পৰিবহণ ব্যৱহাৰ

প্ৰয়োজনীয়তা আদি বিভিন্ন বিষয়ে এই আলোচনাত ঠাই পালে। যি কি নহওক, যান্ত্ৰিকতাৰ পৰা আঁতৰি সেই তিনিদিন মাজুলীৰ মুক্ত আকাশৰ তলত, মানুহবোৰৰ অকৃত্ৰিম মৰমৰ মাজত, হৰিনামৰ ধ্বনিত নিজকে পাহৰি গৈছিলোঁ। অতি আনন্দেৰে পাৰ কৰিলোঁ তিনিটা দিন।

জীৱনত পাহৰিব নোৱাৰা বহু অভিজ্ঞতা বুকুত সামৰি মাজুলীৰ পৰা বিদায় ল'লোঁ। এই তিনিদিনীয়া ভ্ৰমণে মোক দিলে অনাবিল আনন্দ, বহু অভিজ্ঞতা। মাজুলী ভ্ৰমণ আমাৰ ইমানতে শেষ হ'ল যদিও মাজুলীয়ে সদায় ৰিঙিয়াই মাতে। পুনৰ এদিন মাজুলী চোৱাৰ হেঁপাহেৰে, মাজুলীৰ পৰা উভতনি যাত্ৰা আৰম্ভ কৰিলোঁ ব্ৰহ্মপুত্ৰৰ বুকুৰেদি...।

# মোৰ হাফলং ভ্ৰমণ

✍ তুলুমণি গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

সেইদিনা আছিল শনিবাৰ। মই আৰু মোৰ বন্ধু- বান্ধৱীসকলে টিউচন কৰি থাকোঁতে হঠাৎ ছাৰে কৈ উঠিল যে কালিলৈ আমাক ফুৰাবৰ বাবে হাফলঙলৈ নিয়া হ'ব। সেই কথাষাৰ ছাৰে কৈ শেষ কৰিবলৈ নাপালেই আমাৰ লগৰ সকলোৱে চিঞৰি উঠিল। সকলোৰে আনন্দৰ সীমা নোহোৱা হ'ল। সেইদিনা মোৰো মনটো বহুত স্ফূৰ্তি লাগি আছিল কাৰণ মই হাফলঙলৈ কেতিয়াও যোৱা নাছিলোঁ। সেইদিনা আৰু পঢ়াত মোৰ মন নবহিল। মই ঘৰলৈ গৈ মাক কথাটো ক'লোঁ আৰু মায়ে সঁহাৰি জনাই মোক হাফলঙলৈ যাবলৈ সন্মতি দিলে। আমি টিউচন কৰা ছাৰজনৰ নাম আছিল শিৱ বৰ্মন ছাৰ। তেওঁ সকলো ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ ফোন কৰি ৰাতিপুৱা আমি কিমান বজাত ঘৰৰ পৰা যাব লাগিব, লগত আমি কি কি বস্তু নিব লাগিব সেই বিষয়ে জনাই দিছিল। সেইদিনা মনটো বহুত ভাল লাগিছিল কাৰণ পাছদিনা আমি সকলো ফুৰিবলৈ যাম। সেইদিনা ৰাতি টোপনি অহা নাছিল কাৰণ ৰাতিপুৱাৰ বাবে আমি বহুত আগ্ৰহী হৈ আছিলোঁ। তাৰ পাছত চাওঁতে চাওঁতে ৰাতিপুৱা হ'ল। মই সেইদিনা সোনকালে উঠিলোঁ আৰু গা ধুই হাফলং যাবৰ বাবে সাজু হ'লোঁ। আমাৰ গাড়ী ৭ বজাত আছিল। সেয়ে সোনকালে ওলালোঁ। ওলাই হোৱাৰ পাছত মোৰ বেগটোত কিছুমান প্ৰয়োজনীয় বস্তু ভৰাই ল'লোঁ আৰু ঘৰৰ পৰা ওলাই গ'লোঁ। গাড়ীখন আহি আমাৰ বাবে ৰৈ আছিল। আমি সকলো বন্ধু-বান্ধৱী লগ হৈ ছাৰৰ ঘৰ পালোঁগৈ। সঁচাই সেইদিনা মনটো বহুত ভাল লাগিছিল। আমি সকলো গাড়ীত উঠিলোঁ। আমাৰ মুঠ যাত্ৰী ৩০ জন আছিল। সেইদিনা ছাৰো বহুত স্ফূৰ্তিত আছিল। আমাৰ সকলোৰে মুখত স্ফূৰ্তি দেখি তেওঁ বহুত আনন্দিত হৈছিল কাৰণ তেওঁ আমাক নিজৰ সন্তানৰ দৰে মৰম কৰিছিল। আমাৰ গাড়ীয়ে যাত্ৰা আৰম্ভ কৰিলে। সকলোৱে চিঞৰি উঠিল। আমি যাওঁতে বহুত ওখ ওখ পাহাৰ দেখিলোঁ, কাৰণ হাফলং

হৈছে এখন পাহাৰীয়া ঠাই। আমি আমাৰ গন্তব্য স্থান পাওঁতে প্ৰায় ১১-৩০ বাজিছিল। যাওঁতে আমাৰ সকলোৰে ভোক লাগিছিল। সেয়ে ছাৰে লগত ব্ৰেড নিছিল আৰু আমাৰ সকলোকে খাবলৈ দিছিল। আমি যাওঁতে ৰাস্তাত এটা গুহা পালোঁ। সেই গুহাটো অলপ দীঘল আছিল। সেয়ে আমি সেই গুহাটোত গাড়ীৰ পৰা নামি যাত্ৰা কৰিছিলোঁ। তাৰপাছত আমি আকৌ আহি গাড়ীত উঠিলোঁ। যাওঁতে ৰাস্তাৰ কাষত আমি বহুতো নিজৰা দেখিছিলোঁ। প্ৰকৃতিৰ সেই মনোৰম দৃশ্য দেখি বহুত ভাল লাগিছিল। তাৰ পাছত আমি গৈ জাতিংগা পালোঁ। সেই জাতিংগাত ৰৈ আমি হাফলঙৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিলোঁ। তাত অলপ সময় জিৰণি লৈ আমি এটা ষ্টেচনৰ ফালে গ'লোঁ। তাৰ ৰাস্তা-ঘাটবোৰ সঁচাই বহুত চাফ-চিকুণ আছিল। সঁচাই বহুত ভাল লাগিছিল। সেই ষ্টেচনটোৰ কাষতে এটা জুৰি আছিল। আমি সকলো সেই জুৰিটোৰ ফালে গ'লোঁ। সঁচাই জুৰিটোৰ পৰা অহা বতাহজাকে মনটো মুগ্ধ কৰি দিছিল। সেই জুৰিটোত আমি হাত-ভৰি, মুখ আদি ধুলোঁ। আমাৰ লগত আমাৰ অভিভাৱক যোৱা নাছিল যদিও শিৰ ছাৰে আমাক নিজৰ অভিভাৱকৰ দৰেই চকু দিছিল। আমি সকলো সেই জুৰিটোৰ পৰা অহাৰ পাছত দুপৰীয়া অহাৰ গ্ৰহণ কৰিবৰ বাবে আমি এখন হোটেলত সোমালোঁ। সকলোৱে ভাত-পানী খাই আকৌ গাড়ীত উঠিলোঁ। যিহেতু আমি হাফলং ঘূৰি আহিবৰ বাবে গৈছিলোঁ। সেয়ে আমি বিশেষ আৰু একো বস্তু চাব নোৱাৰিলোঁ। চাব নোৱাৰিলোঁ যদিও হাফলঙৰ প্ৰাকৃতিক দৃশ্য অতি মনোমোহা আছিল। আমি ৫ মান বজাত তাৰ পৰা উভতি আহিলোঁ। তাত কেৱল চাৰিওফালে পাহাৰ আৰু পাহাৰ। ৰাস্তাৰ কাষৰ পাহাৰবোৰত সৰু সৰু জুৰিবোৰে হাফলঙৰ শোভা বৰ্ধন কৰিছে। সঁচাই সেইদিনা মোৰ মনটো বহুত ভাল লাগিছিল। আমি ঘৰ আহি পাওঁতে বহুত দেৰি হৈ গ'ল। প্ৰায় ১০ মান বাজিল। ছাৰে সকলোকে ঘৰত যোৱাৰ ব্যৱস্থা কৰিলে। সঁচাই সেই দিনটো মই কেতিয়াও পাহৰিব নোৱাৰোঁ। মোৰ বাবে সেই দিনটো সদায় চিৰস্মৰণীয় হৈ ৰ'ব।

# বৃদ্ধাশ্ৰম

✍ তুলুমণি গগৈ
ছাত্ৰী, স্নাতক প্ৰথম ষাণ্মাসিক

বৰ্তমান সমাজত ঠায়ে ঠায়ে বৃদ্ধাশ্ৰমসমূহ গঢ় লৈ উঠিছে । কেতিয়াবা মনলৈ ভাৱ আহে - এই বৃদ্ধাশ্ৰমবোৰ যদি নাথাকিলহেঁতেন, তেতিয়া কোনো বৃদ্ধলোক এই আশ্ৰমত থাকিবলগীয়া নহ'লহেঁতেন। কিন্তু এয়া জানো বৃদ্ধাশ্ৰমবোৰৰ ভুল? এইসমূহেতো ঘৰ থাকিও অঘৰী হোৱা বৃদ্ধলোকসকলক আশ্ৰয় দিছে, এমুঠি অন্ন দিছে, এষাৰ মৰমৰ মাত দিছে। তেন্তে কেৰোণটো ক'ত? বাঢ়ি অহা ব্যক্তিকেন্দ্ৰিকতা, স্খলিত নৈতিকতা,কমি অহা আৱেগ-অনুভূতি, নতুন ডাঙৰ ৰুগ্ন মানসিকতা???

কি আচৰিত কথা, সন্তানে নিজ মাক-দেউতাক দায়িত্ব বহন কৰিবলৈ অমান্তি হয়, প্ৰয়োজনবোধ নকৰে, সেৱা-শুশ্ৰূষা কৰিব নিবিচাৰে ,দুখ-কষ্টৰ সমভাগী হ'ব নিবিচাৰে, মাক-দেউতাকৰ সৈতে অকণমানো সময় অতিবাহিত নকৰি কেৱল নিজৰ কামতে ব্যস্ত থাকে। যেতিয়া সন্তানে নিজৰ ভৰিত নিজে থিয় দিব পৰা হয় তেতিয়া হাউলি পৰা মাক-দেউতাকক বেয়া ব্যৱহাৰ কৰিবলৈ, গালি-গালাজ পাৰিবলৈ কুণ্ঠাবোধ নকৰে। কোনো সন্তানে কেতিয়াবা মাক-দেউতাকক ফুৰাবলৈ নিয়াৰ চলেৰে ৰাস্তাৰ দাঁতিত নতুবা অচিন ঠাইত এৰি থৈ আহে। কোনো সন্তানে মাক-দেউতাকৰ অনিচ্ছা সত্বেও বৃদ্ধাশ্ৰমত থৈ আহে। তেওঁলোকে এবাৰো ভাবি নাচায় যে, মাক-দেউতাকে মনত কিমান কষ্ট পাব পাৰে। যিয়ে তেওঁলোকক তুলি-তালি ডাঙৰ-দীঘল কৰিলে, বেমাৰ-আজাৰ হ'লে ওৰে নিশা সাৰে থাকি পৰিচৰ্যা কৰিলে, সন্তানৰ মুখৰ হাঁহিকে সুখ বুলি ল'লে, তেনে ভগৱানসদৃশ পিতৃ-মাতৃকেই বৃদ্ধাশ্ৰমত থৈ আহে।

আমি আমাৰ মানসিকতা সুস্থ, সুন্দৰকৈ গঢ়ি তুলি এনে সামাজিক ব্যাধিসমূহ দূৰ কৰিবলৈ মনে-প্ৰাণে পণ লোৱাৰ সময় আহি পৰিছে।

# নাৰী ঃ এক অনন্য সত্তা

✍ কৰবী গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

“নাৰী তুমি বিধাতাৰ অনন্য সৃষ্টি
তুমি কৰুণাময়ী
তুমি মহিমাময়ী
সমাজ গঢ়িব পৰা তুমি চালিকাশক্তি।”

নাৰী সৃষ্টিৰ চালিকাশক্তি,নাৰী হ’ল প্ৰকৃতি। পৃথিৱীৰ সকলো জাতিৰ সভ্যতা বিকাশত নাৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পুৰাণ, ৰামায়ণ, মহাভাৰতৰ যুগৰে পৰা নাৰী যুগে যুগে চৰ্চিত, বন্দিত। নাৰী মমতাময়ী, ৰহস্যময়ী, প্ৰাণদায়িনী আদি বিভিন্ন অভিধাৰে অলংকৃত। নাৰীৰ অভিধা ইমানেই বিশাল যে সেয়া আকাশৰ লগত তুলনা কৰি নাৰীক ‘অৰ্দ্ধআকাশ’ বুলি অভিহিত কৰা হয়।

নাৰী হ’ল শক্তিৰ আধাৰ। মহিমাময়ী আদ্যশক্তি দেৱী দুৰ্গা এই নাৰী শক্তিৰে এটি ৰূপ, যি ৰূপে প্ৰৱল প্ৰতাপী মহিষাসুৰক বধ কৰি পৃথিৱীৰ বুকুত শান্তি প্ৰতিষ্ঠা কৰিছিল। ‘নাৰী’ দয়া , মমতা, কৰুণা, সৌন্দৰ্য, সাহস, প্ৰেম আৰু ত্যাগৰ প্ৰতীক। জয়মতী পতিব্ৰতা গুণ আৰু সহনশীলতাৰ লগতে ত্যাগৰো এক উজ্জ্বল নিৰ্দশন। এইদৰে নাৰীসকল স্ব-মহিমাৰে সমাজত মহিমামণ্ডিত।

আজিৰ নাৰী আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আদি সকলো দিশতে আগবাঢ়ি গৈছে। কিন্তু কেতিয়াবা প্ৰশ্ন হয় যে সকলো দিশতে আগবাঢ়ি যোৱাৰ পাছতো নাৰীসকলে স্বাধীনতা লাভ কৰিছেনে ? তেওঁলোক সুৰক্ষিত হয়নে ? যি নাৰীৰ পৰা জন্ম লাভ কৰি এই সংসাৰখনৰ ৰঙীন পোহৰ দেখিবলৈ পাইছোঁ, সেই জন্মদাত্ৰী নাৰীসকলেই এইখন সমাজত সুৰক্ষিত নহয়। আজিৰ সমাজত কন্যাশিশুৰ পৰা বৃদ্ধালৈকে কোনো নাৰীয়েই অকলে, ৰাজপথত মুক্তমনে খোজ বুলিব নোৱাৰে; পদে পদে ধৰ্ষণ, নিৰ্যাতনৰ শংকা !

আজি আমাৰ পৃথিৱীখন ন ন প্ৰযুক্তিবিদ্যাৰ বলত বহু দিশতে আগবাঢ়ি গ'ল। কিন্তু নাই ইয়াত নাৰীসকলৰ স্বাধীনতাৰ অধিকাৰ, য'ত নাৰীয়ে ৰাতিৰ নিৰ্জনতাতো নিৰ্ভয়ে খোজ বুলিব পাৰে। আজিৰ নাৰী এখন অসুৰক্ষিত সমাজৰ বাসিন্দা য'ত সুৰক্ষাৰ পোহৰ নাই। এতিয়াও আমাৰ সমাজত যৌতুকৰ নামত নানা শাস্তি দি নাৰীক হত্যা পৰ্যন্ত কৰা হয়, গৰ্ভৰ নাৰী সন্তানক ভ্ৰূণ অৱস্থাতে হত্যা কৰা হয়; কেনেবাকৈ জন্ম লাভ কৰিব পাৰিলেও ৰাস্তাই-ঘাটে, জাৱৰৰ দ'মত পৰি ৰ'বলগীয়া হয়। য'ত নিৰ্ভয়া, মনীষা বাল্মীকিৰ পৰা আৰম্ভ কৰি কন্যাশিশুলৈকে নৰপিশাচৰ হাতত নিৰ্যাতিত হৈ মৃত্যুক আকোঁৱালি লৈছে। এইখন সমাজত এনে কিছু লোক আছে যিয়ে নাৰীসকলকেই দোষী সাব্যস্ত কৰি তেওঁলোকে পৰিধান কৰা কাপোৰযোৰতহে দোষ দেখা পায়। তেন্তে ধৰ্ষণৰ বলি হৈ মৃত্যুক সাৱটি লোৱা ১১ মহীয়া শিশুটিৰ ক্ষেত্ৰত কি উত্তৰ থাকিব?

পূৰ্বৰে পৰা নাৰী দেৱীৰূপে পূজিত হৈ আহিছে। কিন্তু সঁচাকৈয়ে নাৰীক পূজা কৰা হয়নে মাতৃৰূপে, দেৱীৰূপে! যিখন দেশত কন্যা শিশুৰ পৰা বৃদ্ধালৈকে সতীত্ব হৰণ কৰা নৰপিশাচবোৰক উচিত শাস্তি দিয়া নহয়, সেইখন দেশত দেৱীক পূজা- উপাসনা কৰাৰ অৰ্থই ক'ত থাকিল! কাগজে পত্ৰই নাৰী নিৰ্যাতনৰ খবৰবোৰে বুকু কঁপাই তোলে। একবিংশ শতিকাৰ সমাজৰ লোকৰ হাততো যে নাৰী লাঞ্ছিতা, নিৰ্যাতিতা!

"লাও যিমানেই নাবাঢ়ক কিয় সদায় পাতৰ তলত।" — এই বাক্যশাৰী আমি প্ৰায়ে শুনিবলৈ পাওঁ। ইয়াৰ দ্বাৰা নাৰীক পুৰুষৰ হেয় বুজাবলৈ বিচৰা হৈছে। কিন্তু হয় জানো কথাষাৰ সত্য? যিগৰাকী নাৰীয়ে মৃত্যুসম যন্ত্ৰণা সহ্য কৰি এটি জীৱনক পৃথিৱীৰ পোহৰ দেখুৱাই, কেনেকৈ সেই নাৰী দুৰ্বল হ'ব পাৰে; যিগৰাকী নাৰীয়ে শিশুক জীৱনৰ আদিপাঠ শিকাই কেনেকৈ সেই নাৰী অৱলা হ'ব পাৰে।

বছৰৰ এটা দিনত নাৰী দিৱস পালন কৰি নাৰীক সন্মান জনোৱাৰ পৰিৱৰ্তে সমাজৰ প্ৰতিজন ব্যক্তিয়ে মাতৃ, ভগ্নী, পত্নী সকলোকে সন্মান আৰু শ্ৰদ্ধা কৰিব লাগিব, তেতিয়াহে সমাজৰ পৰা ধৰ্ষণ, নিৰ্যাতনৰ দৰে অপশব্দবোৰ আঁতৰ হ'ব। আছে, আমাৰ সমাজত এনে বহু ব্যক্তি আছে যিয়ে নাৰীক দেৱীতুল্য জ্ঞান কৰে। সেইসকলৰ দৰে বাকীসকলো কিয় হ'ব নোৱাৰে। আমি নাৰীসকলে সমাজখনৰ পৰা আন একো নিবিচাৰোঁ, বিচাৰিছোঁ এখন নিৰাপত্তাজনক সমাজ য'ত আমি নিৰ্ভয়ে খোজ পেলাব পাৰোঁ। আমি নাৰীসকলে বিচাৰোঁ এখন স্বাধীন পৃথিৱী, য'ত নাৰীৰ হাতৰ পৰশত প্ৰাণ পাই উঠিব সকলোবোৰ। তাৰ বাবে নাৰীৰ কোমল মনৰ প্ৰেৰণা আৰু আশাবোৰ জীপাল কৰি অংকুৰিত কৰিবলৈ প্ৰয়োজন হ'ব সাহসৰ। য'ত লাগিব সমাজৰ প্ৰতিজন ব্যক্তিৰ হৃদয় আৰু ভাৱনাৰ ৰূপান্তৰৰ।

# মহাবিদ্যালয়ৰ প্ৰথম দিনটো

✍ শান্তি দেৱী।
স্নাতক তৃতীয় ষাণ্মাসিক

'মহাবিদ্যালয়' — এই শব্দটোৱে কঢ়িয়াই ফুৰে এখন সমাজৰ সুন্দৰ ভৱিষ্যত। নতুন প্ৰজন্ম ব্যস্ত হৈ পৰে জীৱনৰ লক্ষ্য পূৰণৰ অহৰহ প্ৰচেষ্টাৰ মাজত।

এম জি এম কনিষ্ঠ মহাবিদ্যালয়ত নৱম শ্ৰেণীত নামভৰ্তি কৰাৰে পৰাই মোৰ এটা সপোন আছিল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী হোৱাৰ। অৱশেষত মোৰ সপোন বাস্তৱায়িত হ'ল। ১২-০৬-২০১৯ — এই দিনটো মোৰ বাবে স্মৰণীয় হৈ ৰ'ব। কাৰণ সেই দিনটোতে আৰম্ভ হৈছিল স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থী হিচাপে মোৰ এই যাত্ৰা। আগদিনাৰে পৰাই প্ৰস্তুতি চলাইছিলোঁ। দেউতাই নতুনকৈ আনি দিয়া মহাবিদ্যালয়ৰ নিৰ্দিষ্ট পোচাকযোৰ ইস্ত্ৰি কৰা, নতুনকৈ অনা বহীকেইখনতো আঁচ পৰা ইত্যাদি। সেইদিনা ৰাতি বহু সময়লৈকে টোপনি নাই। কিছু আনন্দৰ কিছু ভয়। কেনেকুৱা হ'ব বাৰু মোৰ বন্ধু -বান্ধৱীসকল, দাদা-বাইদেউ আৰু ছাৰ- বাইদেউসকল ? সেইবোৰ কথাকে চিন্তা কৰি কৰি টোপনি গ'লোঁ। পাছদিনা এলাৰ্ম বজাৰ লগে লগে বিছনাৰ পৰা উঠিলোঁ আৰু গা ধুই আহি নামঘৰত এগছি বন্তি জ্বলাই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ। মা-দেউতাৰ চৰণ চুই তেওঁলোকৰ আশীৰ্বাদ লৈ মহাবিদ্যালয়লৈ বুলি ৰাওনা হ'লোঁ।

সেইদিনা ৯ বজাত আমাৰ প্ৰথমটো শ্ৰেণী আছিল। অলপ সোনকালে গৈ পোৱাৰ বাবে নতুনকৈ চিনাকি হোৱা বান্ধৱীসকলৰ সৈতে মহাবিদ্যালয় চৌহদত অলপ ফুৰিলোঁ।

অৱশেষত ৯ বাজিল। ৪ নম্বৰ কোঠাত হেঁচা- ঠেলাৰ মাজেৰে সোমালোঁ। এগৰাকী বাইদেউ কোঠাটোত সোমাল। বাইদেউ অহাৰ লগে লগে আমি সকলো ছাত্ৰ-ছাত্ৰীসকল মৌন হৈ পৰিলোঁ আৰু বাইদেউৰ কথাত মন দিলোঁ। তেওঁ আছিল বিভাগৰ মুৰব্বী ড° অৰুন্ধতী মহন্ত বাইদেউ। বাইদেৱে আমাক আদৰণি জনাইছিল আৰু মহাবিদ্যালয় আৰু বিভাগৰ নীতি-নিয়মসমূহৰ বিষয়েও থূলমূল আভাস দিছিল। তেওঁ সেইদিনা আমাক কোৱা এষাৰ কথা সদায়ে মনত ৰ'ব। "লাজ আৰু ভয়ে জীৱনত উন্নতিৰ পথত আগবাঢ়ি যোৱাত বাধা প্ৰদান কৰে। সেয়ে লাজ, ভয়ৰ পৰা আঁতৰত থাকি, ভাল কৰ্ম কৰি, সাহসেৰে জীৱনত পথত বাট বুলিব লাগে।" বাইদেউৰ ব্যক্তিগত জীৱনত ঘটা কিছুমান কাহিনীও কৈছিল। বহুত ভাল লাগিছিল, ন ন কথা শিকিছিলোঁ।

মনত কিছুমান হেঁপাহ আৰু সপোন বান্ধি মোৰ দৰে সকলো শিক্ষাৰ্থীয়ে গড়গাঁও মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আছোঁ। আমি সকলোৱে জানো যে 'চেষ্টাৰ অসাধ্য একো নাই।' এইষাৰ কথাকে সাৰোগত কৰি শৈক্ষিক দিশত আগুৱাই যাবলৈ, ভাল মানুহ হ'বলৈ, আমাৰ মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিবলৈ আমি সকলোৱে যথাসাধ্য চেষ্টা কৰা উচিত।

# ৰম্য ৰচনা

## ছাতি

✍ পূৰ্ণিমা ৰাজোৱাৰ
স্নাতক প্ৰথম ষাণ্মাসিক

মোৰ নাম ছাতি। মোক ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱে চিনি পায়। এই পৃথিৱীত মোৰ দায়িত্ব বহুত। মই নহ'লে বিয়া এখন সম্ভৱেই নহয়। দৰাই মোক কইনা ঘৰলৈ লৈ যায়। দাদাসকলে যেতিয়া বাইদেউসকলক জোকায় তেতিয়া লাজতে বাইদেউহঁতে মোৰ আঁৰ লৈ সেই ঠাই খৰতকীয়াকৈ পাৰ হয়। কেতিয়াবা মটৰ চাইকেল বা গাড়ীয়ে ৰাস্তাৰ গেলা বোকা-পানী মাৰি থৈ গ'লেও মোকেই ঢাল হিচাপে পাতি দিয়ে। আগৰ দিনত ককা-দেউতাহঁতে কেঁকোৰা নালডাল চাইকেলত ওলোমাই লৈ যায়। তেতিয়া মই প্ৰাকৃতিক দৃশ্য চাই যাওঁ। বৰষুণ দিলে তেওঁলোকে মোৰ বাহুবোৰ মেলি দিয়ে। তেতিয়া মই গপত গংগাটোপটো হৈ পৰোঁ। মই যে বৰষুণৰ পানী পৰাত বাধা দিওঁ। ৰ'দ দিলেও মই প্ৰখৰ ৰ'দৰ পোহৰ প্ৰতিহত কৰোঁ আৰু তাপক শুহি লওঁ। কিন্তু মোৰ দুখ লগা কথাটো হৈছে, বতাহ মহাশয়ে পালে মোৰ অৱস্থা পানীত হাঁহ নচৰা কৰে। সামৰি-সুতুৰি উৰুৱাই নিওঁ উৰুৱাই নিওঁ কৰে।

আজিকালি নবৌ-বাইদেউসকলে জপোৱা ছাতি ব্যৱহাৰ কৰে। ৰ'দ, বৰষুণ নিদিলে মোক বেগৰ ভিতৰত সুমুৱাই ৰাখে। তেতিয়া মই বৰ বেয়া পাওঁ। ৰ'দ বা বৰষুণ দিলেহে মোক পুনৰ উলিয়াই লয়। গৰম দিনত মোৰ ব্যৱহাৰ বেছিকৈ হয়। কাৰণ গৰমৰ দিনতে বৰষুণো বেছিকৈ দিয়ে। আজিকালি মোৰ পৰিৱৰ্তে স্কুল-কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰী, ছাৰ-বাইদেউসকলে ৰেইনকোটহে ব্যৱহাৰ কৰে। কাৰণ সেই যে মটৰ বাইক, স্কুটি আদি চলাবলৈ ধৰিলে যে। সেয়ে বৰ দুখ লাগে কেতিয়াবা।

# বেলুন

✍ টিনা বৰগোহাঁই
স্নাতক প্ৰথম ষাণ্মাসিক

আমাৰ সকলোৰে ঘৰে ঘৰে পোৱা এবিধ বিশেষ সম্পদ হ'ল বেলুন। এই বেলুন বুলি কওঁতে মই আকৌ আমাৰ সেই পূজাত ওলোৱা ৰঙা, নীলা, কুচিয়া বেলুনবিলাকৰ কথা ক'ব খোজা নাই। ভাবিছে চাগে আপুনি তেন্তে ই আকৌ কোনটো বেলুনৰ কথা কৈছে? আছে আছে। এই বেলুন সকলোৰে ঘৰত পাব বুলি মোৰ বিশ্বাস আৰু যিকোনো সময়তে এই বেলুনৰ উৎপত্তি হ'ব পাৰে। কিন্তু বিশেষভাৱে এই বেলুন পোৱা যায় ভণ্টিসকলৰ ওচৰত। ঘৰত যদি ভণ্টি আছে, তেন্তে ভালকৈ গম পাব! বাকীবিলাকৰ ওচৰতো এই বেলুন থাকে কিন্তু কম। পোনপটীয়াকৈ ক'বলৈ গ'লে আমাৰ সেই ভণ্টিহঁতৰ যেতিয়া খুব্ খং উঠে, বিচৰা বস্তু নাপায়, তেতিয়াই মুখখন ফুলি এপাত হয় আৰু মোৰ ভাষাত 'বেলুন' হয়। ভাল লাগে, বহুত ভাল লাগে এই বেলুনবিধ চাই থাকিবলৈ সেইবুলি তাইৰ চকুৰ সন্মুখতে বেলুনৰ মজা ল'বলৈ নাযাব। নহ'লে বুঢ়া বয়সত আপুনি মাংসৰ সোৱাদ ল'বলৈ দাঁতকেইটা ভালে নাথাকিবও পাৰে। অ' আমাৰ আকৌ ভণ্টিৰ পিছে বেলুনৰ লগতে তাইৰ নাকৰ পাহি দুটাও ফুলি ৰঙা হৈ যায়। গোটেইটো একেবাৰে টিক্‌টিকিয়া পকা ৰবাব টেঙাটোৰে আওঁ। আমাৰ ওচৰৰে গাঁৱৰে বৰমা এজনীৰ লগত সম্পৰ্কটো বৰ ভাল তেওঁ আহিলেও ভণ্টিৰ আকৌ বেলুনবিধ বেছিকৈ ওলায়। সৰুতে ভণ্টিৰ মূৰত খুব ওকণী আছিল। এদিন সেই বৰমা আহোঁতে মায়ে তাইৰ ওকণী চাই আছিল। তেওঁ ধেমালিতে তাইৰ নামেই দি দিলে 'ওকণী'। তেতিয়াৰ পৰা য'তেই দেখে ত'তে মাতে — 'ওকণী, ক'লৈ যাৱ?' বচ্ আমাৰ এইৰ হৈ যায় মূৰ গৰম আৰু মুখত ওলায় দুফালে দুটা প্ৰকাণ্ড বেলুন।

# নীলা খামৰ চিঠি

## তোমালৈ বুলি...

✍ লক্ষ্যজ্যোতি মহন
স্নাতক পঞ্চম যাণ্মাসিক

মৰমৰ

হীৰা,

হাজাৰ বুজনিৰেও মোৰ অবুজন হৃদয়ক, মনক বুজাব নোৱাৰিলোঁ। শেষত ভাবিলোঁ তোমালৈ বুলি এখন চিঠিকে লিখোঁ। নাজানো চিঠি পোৱাৰ পাছত তুমি কি ভাবিবা! মোলৈ ফোন নকৰিবাচোন, চিঠি লিখিবা... মোৰ শপত। এবাৰ চিঠি লিখি চোৱা কিমান ভাল লাগিব... এক বুজাব নোৱাৰা অনুভৱ। তেতিয়াহে মই তোমাৰ হাতৰ স্পৰ্শ অনুভৱ কৰিব পাৰিম, বাৰে বাৰে তোমাৰ কথাবোৰ মই পঢ়িম। মোৰ যে কেতিয়াবা তোমাৰ ওপৰত খঙ উঠে, অনুভৱবোৰ জানো এটা ম'বাইলে আৱদ্ধ কৰি ৰাখিব পাৰি? তুমি এবাৰ চিঠি লিখি চাবাচোন। আজিকালি বেছি দিন নালাগে, তোমাৰ চিঠি সোনকালেই পাম।

এই যান্ত্রিক যুগত চাগে কোনেও ভালকৈ চিঠি লিখিব নাজানে। কিন্তু! গোটেই পৃথিৱীখন জানো এটা সৰু যন্ত্রতে আৱদ্ধ হৈ থাকিব পাৰে? এই যান্ত্রিকতাৰ মাজত যেন আমিও দিনক দিনে এটা যন্ত্ৰলৈ ৰূপান্তৰিত হৈছোঁ। যিয়ে চিঠিৰ মূল্য বুজি নাপায়, তেওঁ চাগে এটা যন্ত্র! আইতাৰ সাধুকথাবোৰ, সেউজীয়া পৰিৱেশটো, জোন, তৰাৰ হাঁহিবোৰ যেন এই যন্ত্ৰৰ মাজতেই লুকাই গৈছে।

ডাকোৱালজন দেখিলে তোমালৈ বৰকৈ মনত পৰে হীৰা। কিজানি তুমি মোলৈ চিঠি পঠিয়াইছা! এতিয়াও মোৰ সেই ভাৱ হয় জানা? হীৰা, তুমি চিঠি লিখিবা, আকৌ কৈছোঁ, যেতিয়া তোমাক নিসংগতাই জুমুৰি ধৰিব, তেতিয়া চিঠিবোৰে জীয়াই থকাৰ প্ৰেৰণা, উৎসাহ, আমেজ দিব। জীপাল কৰি ৰাখিব আমাৰ সম্বন্ধবোৰ।

সঁচাকৈয়ে তুমি চিঠি লিখিবা দেই, মই আশাৰে বাট চাই ৰ'ম। য'ত নেকি এখন চিঠিয়ে কঢ়িয়াই আনিব তোমাৰ মৰমবোৰ মোৰ হৃদয়ৰ কোঠালিলৈ....।

ইতি,
তোমাৰ আপোনজন

# কথোপকথন

## কোকৰাঝাৰ বাণিজ্য মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, বিশিষ্ট সাহিত্যিক ড° বিন্দু ভূষণ বৰাৰ সৈতে কথোপকথন

**সাক্ষাৎ গ্ৰহণ ঃ লক্ষ্যজ্যোতি মহন**



**লক্ষ্যজ্যোতি মহন ঃ** মহাশয়, নমস্কাৰ গ্ৰহণ কৰিব। গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা আপোনালৈ শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছোঁ।
**ড° বিন্দু ভূষণ বৰা ঃ** নমস্কাৰ।

**ল.ম. ঃ** জানিব পৰা মতে আপুনি 'সাহিত্য' আৰু 'ভাষা' দুয়োটা শাখাতে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। কেনেকৈ আপুনি দুয়োটা শাখাতে অধ্যয়ন কৰি সফলতাৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে?
**বি.ভূ.ব. ঃ** সাহিত্য-চৰ্চা আৰু সাহিত্য-সমালোচনাৰ প্ৰতি থকা আগ্ৰহৰ বাবে স্নাতকোত্তৰ পঢ়ি থাকোঁতে 'সাহিত্য' শাখাটো লৈছিলোঁ। ফাষ্ট ক্লাছ পায়ো আইৰ মুখৰ ভাষাটোৰ বিষয়ে বিশেষ একো নজনাৰ উচ্‌পিচনিত অধিক জনাৰ আগ্ৰহত পিছত 'ভাষা' শাখাটো

লৈ পঢ়িছিলোঁ। আচলতে ভাষা আৰু সাহিত্য এটা আনটোৰ পৰিপূৰক। দুয়োটাই সমান জৰুৰী। পঢ়িলে দেখোন পাছ কৰা যায়েই! নম্বৰৰ প্ৰতিযোগিতা বাৰু চলি থাকিব। আমি পঢ়া বিষয়টো কিমান উপভোগ কৰিছোঁ নিজক সমৃদ্ধ কৰিবলৈ সেইটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি মই ভাবোঁ। P/P/P-Preparation= Practice=Perform — এই তিনিটা স্তৰ ক্ৰম অনুসৰি পালন কৰিলে পঢ়া বুলি নহয়, সফলতা সকলো কামতে নিশ্চিত।

**ল.ম. ঃ** আপুনি এগৰাকী শিক্ষক হোৱাৰ লগতে এগৰাকী সাহিত্যিক। আপুনি কেতিয়াৰ পৰা সচেতনভাৱে সাহিত্য চৰ্চা কৰিবলৈ লয় আৰু সাহিত্য সৃষ্টিৰ প্ৰেৰণা কি?
**বি.ভূ.ব. ঃ** 'শিক্ষক' পৰিচয়টোহে বেছি ভাল লাগে মোৰ। "পাৰ বাগৰি অহা আবেগৰ ঢৌ" হিচাবে মোৰ সাহিত্য-চৰ্চা দহ বছৰমানৰ পৰাই আছিল। 'সচেতনভাৱে' বুলি ক'লে যদি সাহিত্যৰ বিষয় নিৰ্বাচন, ৰূপ-ৰসৰ সচেতনতা আদিৰ কথা বুজোঁ, তেন্তে ক'ব পাৰি স্নাতক পঢ়ি থকা সময়ৰ পৰা। সাহিত্য সৃষ্টিৰ প্ৰেৰণা জীৱনৰ তিতা-মিঠা আৰু সমাজৰ ৰোগ-শোক।

**ল.ম. ঃ** আপোনাৰ মতে সাহিত্যৰ লক্ষ্য আৰু উদ্দেশ্য কেনে হোৱা উচিত?
**বি.ভূ.ব. ঃ** কেৱল কলাৰ বাবেই সাহিত্য হ'ব নালাগে। গাঁথনিক সৌন্দৰ্য্য, ছন্দ, ৰস, ধ্বনি, ঔচিত্যবোধ-কলা-নিৰ্মাণ হিচাবে এইবোৰ অৱশ্যে লাগিবই। (আজি-কালিৰ বহু লেখাক সেয়ে মই 'সাহিত্য' বুলিবলৈ টান পাওঁ।) সাহিত্যত সমাজৰ সকলোধৰণৰ ৰূপৰ প্ৰতিফলন ঘটিব লাগে। সকলো লেখাতে নহ'লেও বেছিভাগতে বাৰ্তা থকাটো ভাল। ব্যক্তিগত জীৱনৰ সুখ-দুখৰ পোনপটীয়া বৰ্ণনা হ'ব নালাগে। অঁ, যদি তাক ইউনিভাৰ্চেলাইজ কৰিব পাৰিছে ভাল কথা। 'ভবা কথা'ক 'গঢ়া কথা' কৰিব পাৰিব লাগে। 'সজা কথা' আৰু 'সঁচা কথা'ৰ কলাত্মক উপস্থাপন হ'ব লাগে। তেতিয়া পঢুৱৈয়ে বৰ তৃপ্তি পায়। নহয়নে?

**ল.ম. ঃ** নিশ্চয়। সৃষ্টিশীল সাহিত্য লেখনৰ বাবে আমি অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলে কোনবোৰ দিশত গুৰুত্ব দিয়া উচিত?
**বি.ভূ.ব. ঃ** সাহিত্যৰ নন্দনতত্ত্ব ভালকৈ অধ্যয়ন কৰিব লাগে। বিভিন্ন সময়ৰ সাহিত্যবোৰ পঢ়ি তাৰ বাৰ্তা, সৌন্দৰ্য্য, উদ্দেশ্য আদিবোৰ পৰ্যবেক্ষণ কৰিব লাগে। তেতিয়া নিজৰ শৈলীৰে (ষ্টাইলেৰে) নিজৰ বাট এটা উলিয়াই ল'ব পাৰিবা। (দুই-এক স্বভাৱ কবিৰ কথা বেলেগ।) সমুখৰ সমাজখনৰ আদৰ্শ, মূল্যবোধ, পৰিৱৰ্তন, ভাল দিশ, বেয়া দিশ-

এই সকলোবোৰ কলাত্মক ৰূপত কলমলৈ আহিব লাগে। আকৌ কৈছোঁ— “কলাসন্মত ৰূপত”।

**ল.ম.** ঃ এগৰাকী শিক্ষক হিচাপে আপুনি নতুন প্ৰজন্মক নিচেই কাষৰ পৰা পাইছে। আমাৰ মাতৃভাষা, সাহিত্য-সংস্কৃতি চৰ্চাৰ প্ৰতি নৱ প্ৰজন্মৰ মানসিকতা, দায়বদ্ধতা কেনেধৰণৰ বুলি আপুনি অনুভৱ কৰে?

**বি.ভূ.ব.** ঃ মোৰ ভাব হয়, নম্বৰৰ দৌৰত পৰি নৱপ্ৰজন্মই কিছুমান মূল্যবোধ হেৰুৱাইছে, অধ্যয়নৰ মাধ্যম-ভাষা হিচাবে মাতৃভাষা হেৰুৱাইছে। এই দুটাৰ অভাৱে অসমীয়া সমাজখনক ভৱিষ্যতে বহুত ক্ষতি কৰিব। মূল্যবোধবোৰ, সংস্কাৰবোৰ জাতি একোটাৰ স্বাভিমান। ভাষা জাতি একোটাৰ প্ৰাণ। নৱপ্ৰজন্মৰ মানসিকতাক দোষ দিব নোৱাৰি। বহু প্ৰতিভাৱান, দায়বদ্ধ, উৎসাহী নতুনচাম। তেওঁলোকৰ বাট পোনোৱাত ভুল আছে অভিভাৱকসকলৰহে।

**ল.ম.** ঃ নৱপ্ৰজন্মৰ হাতত অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ ভৱিষ্যত সম্পৰ্কে আপুনি কি ক'ব? এইক্ষেত্ৰত অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলৰ দায়িত্ব আৰু কৰ্তব্য কেনে হোৱা উচিত?

**বি.ভূ.ব.** ঃ মুঠতে জাতি থাকিবই লাগিব। লোকগণনাৰ তথ্যত যদি মাতৃভাষা কোৱা লোকৰ সংখ্যা দিনকদিনে বঢ়াৰ সলনি কমি আহে আইনেও বচাব নোৱাৰিব জাতিক। কাৰণ, সংখ্যাগৰিষ্ঠ লোকে কোৱা ভাষাটোৱেহে ৰাজ্যিক ভাষা দাবী কৰাৰ সাংবিধানিক সমৰ্থন পায়। বৰাকত, বিটিএডিত দেখিছাই নহয়! গতিকে প্ৰথমে ভাষা, তাৰ পিছতেই সাহিত্য-সংস্কৃতি বচাই ৰখাৰ আশা। মই বিচাৰোঁ, অন্ততঃ অসমীয়া সন্মান বিষয় পঢ়ি অহা অসমৰ প্ৰতিজন শিক্ষকে নিজৰ সন্তানক অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱাওক। অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলে মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণৰ উপকাৰিতা (যিটো সৰ্বজনস্বীকৃত) সম্পৰ্কে সৰ্বস্তৰত সজাগতা বৃদ্ধি কৰক। মই ভাবোঁ, আমি নিজক ভালপোৱাৰ এইটোৱেই প্ৰাথমিক দায়িত্ব আৰু প্ৰমাণ।

**ল.ম.** ঃ নিশ্চয়। আমাক আপোনাৰ বহুমূলীয়া সময়, মন্তব্য আৰু পৰামৰ্শৰে কৃতাৰ্থ কৰাৰ বাবে অশেষ ধন্যবাদ জনাই আপোনাৰ পৰা বিদায় মাগিছোঁ।

**বি.ভূ.ব.** ঃ ধন্যবাদ। মোৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি দুটা কথা কোৱাৰ সুযোগ দিয়াৰ বাবে গড়গাঁও মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰুলৈ শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মৰম যাচিছোঁ।

# ২০১৯ বৰ্ষৰ মুনীন বৰকটকী বঁটা প্ৰাপক, কবি অংকুৰ ৰঞ্জন ফুকনৰ সৈতে কথোপকথন

**সাক্ষাৎ গ্ৰহণ ঃ লক্ষ্যজ্যোতি মহন**



**লক্ষ্যজ্যোতি মহন ঃ** নমস্কাৰ, অংকুৰ ৰঞ্জন ফুকন ডাঙৰীয়া। গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ।
**অংকুৰ ৰঞ্জন ফুকন ঃ** অশেষ ধন্যবাদ।

**ল.ম. ঃ** আপোনাৰ জন্ম,শিক্ষা আৰু কৰ্মজীৱনৰ বিষয়ে কিছু কথা জানিব বিচাৰিছোঁ।
**অ.ৰ.ফু. ঃ** মোৰ জন্ম ১৯৯৪ চনত শিৱসাগৰ জিলাৰ বৈৰাগীবৰ (বকতা) গাঁৱত। গাঁৱৰ যশস্যাজ্যোতি প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিলোঁ। পৰৱৰ্তী সময়ত মৰাণ জাতীয় বিদ্যালয়ৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিলোঁ। মৰাণ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক আৰু স্নাতক ( ৰাজনীতি বিজ্ঞান)ৰ শিক্ষা গ্ৰহণ কৰোঁ। ২০১৭ বৰ্ষত ৰাজনীতি বিজ্ঞান আৰু ২০১৯ বৰ্ষত সমাজতত্ত্ব বিষয়ত কটন বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰোঁ। কৰ্মজীৱনৰ কথা ক'বলৈ গ'লে প্ৰকৃত অৰ্থত কৰ্মজীৱন এতিয়ালৈকে আৰম্ভ হোৱাই নাই।

**ল.ম.** ঃ আপুনি কেতিয়াৰ পৰা সাহিত্য ৰচনাত হাত দিছে আৰু এই ক্ষেত্ৰত আপোনাৰ প্ৰেৰণা কি?

**অ.ৰ.ফু.** ঃ স্কুলীয়া সময়ৰপৰা কিবাকিবি লিখিছিলোঁ, কলেজতো এয়া অব্যাহত আছিল। কিন্তু কটনত পঢ়িবলৈ যোৱাৰ পাছত কবিতা চৰ্চাক ছিৰিয়াছভাৱে লৈছিলোঁ। কবিতা চৰ্চাৰ আটাইতকৈ ডাঙৰ প্ৰেৰণা জীৱন, অভিজ্ঞতা, কিতাপ ইত্যাদি। নিজক অতিক্ৰম কৰাৰ প্ৰয়াসো এক অবিৰত অনুপ্ৰেৰণাৰ উৎস।নিজক আৰু জীৱন -জগত আৱিষ্কাৰ কৰা, প্ৰত্যেকজন মানুহ আৰু তেওঁৰ সমুখৰ জগত প্ৰায় অনাৱিস্কৃত। সেই আৱিষ্কাৰ আৰু আৱিষ্কাৰৰ পাছৰ আত্মসন্তুষ্টি (যদিও ক্ষণস্থায়ী) ৰ বাবেই কবিতা লিখোঁ।

**ল.ম.** ঃ কবিতা সাহিত্যৰ এনে এক ছাঁ পোহৰৰ ৰূপ ছবি,যাক কোনো ৰীতি বা সীমাৰে আৱদ্ধ কৰিব নোৱাৰি বুলি অনেকজনে মত প্ৰকাশ কৰিছে। এইক্ষেত্ৰত আপোনাৰ ধাৰণা কি?

**অ.ৰ.ফু.** ঃ হয়। কবিতাৰ বিশালতা আৰু স্বতন্ত্ৰতাক সন্মান কৰোঁ। সেইবাবে কবিতাক সংজ্ঞায়িত কৰাৰ ধৃষ্টতা নকৰোঁ।

**ল.ম.** ঃ কবিতা আৰু সমাজৰ সম্পৰ্ক আপুনি কেনেদৰে ব্যাখ্যা কৰিব?

**অ.ৰ.ফু.** ঃ সমাজ কবিতাৰ উপজীব্য, প্ৰেৰণা হ'ব পাৰে, তেনেদৰে শিল্পগুণত আপোচ নকৰাকৈ কবিতাও সমাজ সলনিৰ পৰোক্ষ বাহক হ'ব পাৰে। কিন্তু সমাজে সকলো সময়তে কবিতাক নিয়ন্ত্ৰণ কৰে বা কবিতা কেৱল সমাজিক বিষয়সম্পন্ন বুলি নাভাবোঁ।

**ল.ম.** ঃ আপুনি কাব্যৰ একান্ত সাধনাৰে ২০১৯ বৰ্ষৰ মুনীন বৰকটকী বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। "৫" নামৰ যিখন ব্যতিক্ৰমধৰ্মী কাব্য পুথিৰ বাবে আপুনি এই বঁটা লাভ কৰিছে সেই পুথিখনৰ বিষয়ে চমুকৈ জনাব নেকি?

**অ.ৰ.ফু.** ঃ হয়, কবিতাপুথিখনত ৬ টা উপভাগত সৰ্বমুঠ ২৫ টা কবিতা আছে। কবিতাপুথিখনত সম্পৰীক্ষণৰ প্ৰয়াস কৰিছোঁ। কিছু প্ৰশ্নবোধ আৰু ভাষাৰ বহুমুখী চৰিত্ৰক চাবলৈ যত্ন কৰিছোঁ। চহাৰ সৈতে বিশ্বজনীনতাক চোৱাৰ প্ৰয়াস( অক্ষম প্ৰয়াস) কৰা হৈছে। কবিতাপুথিখন পূৰ্বায়ণ প্ৰকাশনে প্ৰকাশ কৰিছে।

**ল.ম.** ঃ জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা?

**অ.ৰ.ফু.** ঃ এয়াই জীৱন বুলি ক'বলৈ এতিয়াও ধাৰণা এটা গঢ়ি উঠা নাই, আৰু অধিক অভিজ্ঞতা গোটালেহে হয়তো এই বিষয়ে ক'ব পাৰিম।

**ল.ম. ঃ** আপোনাৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে জানিব বিচাৰিছোঁ।

**অ.ৰ.ফু. ঃ** কবিতা চৰ্চা অব্যাহত ৰাখিম। এতিয়াতকৈ অধিক এইক্ষেত্ৰত ছিৰিয়াছ হ'ব লাগিব। ভৱিষ্যতে চলচ্চিত্ৰ পৰিচালনা কৰাৰ সপোন পুহি ৰাখিছোঁ। অহাবছৰলৈ এটা প্ৰকাশন আৰম্ভ কৰাৰ কথাও ভাবিছোঁ।

**ল.ম. ঃ** গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী তথা নতুন প্ৰজন্মৰ প্ৰতি আপুনি কি বাৰ্তা দিব বিচাৰিব?

**অ.ৰ.ফু. ঃ** বাৰ্তা দিব পৰাকৈ মই যোগ্য ব্যক্তি নহওঁ, তথাপি সকলোলৈ আন্তৰিক শুভকামনা জনালোঁ। নিজক আৱিষ্কাৰ কৰা, নিজৰ কালিৰ সংস্কৰণটোতকৈ আজিৰটো অধিক সুন্দৰ কৰিবলৈ ব্ৰতী হোৱা। তোমালোকৰ মাজৰে এজন হিচাপে এইখিনি কথাকে ক'লোঁ।

**ল.ম. ঃ** আমাক দিয়া এই বহুমূলীয়া সময় আৰু সঁহাৰিৰ বাবে আপোনালৈ আন্তৰিক ধন্যবাদ জনাইছোঁ আৰু আগন্তুক দিনৰ বাবে শুভকামনা জনাইছোঁ।

**অ.ৰ.ফু. ঃ** অশেষ ধন্যবাদ। তোমাক আৰু 'জাগৃতি'ৰ সৈতে জড়িত প্ৰতিগৰাকীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা।

# চিত্ৰকলা




অংকন ঃ
তুলুমণি গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক



অংকন ঃ
কৰবী গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

# আবেলিৰ এমুঠি ৰঙ

অংকন ঃ ৰিকু নেওগ, প্ৰাক্তন ছাত্ৰী



# লেন্সৰ ফাঁকেৰে ঃ

জীৱনৰ সৌন্দৰ্য
ফটো ঃ ৰিকু নেওগ
প্ৰাক্তন ছাত্ৰী



# ২০২০ বৰ্ষত অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত ‘ৱেব সন্মিলন’




**বিষয় ঃ ‘সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ পৰিৱেশ্য কলা ঃ সংকট আৰু সম্ভাৱনা’**

সমল ব্যক্তি ঃ ড° প্ৰাণজিৎ বৰা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

দিনাংক ঃ ০৬ জুলাই, ২০২০




**বিষয় ঃ ‘অসমীয়া ভাষাৰ যুগ বিভাজন ঃ পুনৰ্বিচাৰ’**

সমল ব্যক্তি ঃ ড° সুবাসনা মহন্ত চৌধুৰী, প্ৰাধ্যাপক, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়

দিনাংক ঃ ২৯ জুলাই, ২০২০

# অসমীয়া বিভাগৰ পূৰ্ব প্ৰকাশিত গ্ৰন্থ




১) ২৯ অক্টোবৰ, ২০০৯ ত অনুষ্ঠিত ঘন গগৈ স্মাৰক বক্তৃতাৰ গ্ৰন্থৰূপঃ
**সাহিত্য আৰু জীৱনবোধ ঃ** কৰবী ডেকা হাজৰিকা
**ঘন গগৈৰ জীৱন আৰু কৰ্ম ঃ** পুণ্য শইকীয়া

২) **এষণা ঃ** (অসমীয়া আৰু ইংৰাজী বিভাগৰ যুটীয়া উদ্যোগত প্ৰকাশিত)
সম্পাদক ঃ প্ৰণৱ দুৱৰা, জিতু শইকীয়া।
প্ৰকাশকাল ঃ ২০১০

৩) **অসমীয়া ভাষা-সাহিত্যৰ গতি-প্ৰকৃতি**
মুখ্য সম্পাদক ঃ ড° কৃষ্ণজ্যোতি সন্দিকৈ
সম্পাদক ঃ ড° অৰুন্ধতী মহন্ত, ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া
প্ৰকাশকাল ঃ ২০১২

৪) **চিন্তন মনন**
সম্পাদক ঃ ড° অৰুন্ধতী মহন্ত
প্ৰকাশকাল ঃ ২০১৭

৫) **প্ৰবন্ধ বিবিধা**
সম্পাদক ঃ প্ৰণৱ দুৱৰা, দেৱযানী বকলীয়াল
প্ৰকাশকাল ঃ ২০১৮

# পূৰ্ব প্ৰকাশিত
# ‘জাগৃতি’ৰ
# কেইটামান সংখ্যা



## ২০১৯-২০ বৰ্ষৰ

# বিভাগীয় প্ৰাচীৰ পত্ৰিকা



# অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ










আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম,
সকলো আছিল, সকলো আছে
নুবুজো নলওঁ গম।

— সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা